Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM


FRIDAY, MARCH 21, 2025 ■ শুকুৰবাৰ, ৭ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮৩ Guwahati, Assam ।। মূল্যঃ এটকা

**অৰেশযত বিতৰ্কিত ঋতু কলিতাক গ্ৰেপ্তাৰ**



বিতং বাতৰি ৬ নং পৃষ্ঠাত

# লজ্জাজনক! ফাদিল প্ৰশ্নকাকত, বাতিল পৰীক্ষা


ASSAM STATE SCHOOL EDUCATION BOARD, DIVISION-II
(Formerly AHSEC)
Bamunimaidam: Guwahati 781021

Memo No.ASSEB-II/HS First Year/Instructions/25/02 Date: 20.03.2025

From:
Controller of Examinations
Assam State School Education Board, Division - II
Bamunimaidam, Guwahati, Assam

NOTIFICATION

It is hereby informed to that all concerned that the Question Paper of Higher Secondary First Examination (Class XI) of the Mathematics subject which is scheduled to be held on 21.03.2025 in the afternoon session, is hereby postponed due to some unavoidable reasons.

The next date of examination on this subject ad course of action will be notified in due course of time.

Controller of Examinations i/c
Assam State School Education Board, Division - II
Bamunimaidam, Guwahati, Assam

Memo No.ASSEB-II/HS First Year/Instructions/25/02-A Date: 20.03.2025
Copy to:
1. The Chairman, ASSEB for his kind information.
2. The Vice Chairman, ASSEB, Div-II for his kind information
3. The Secretary, ASSEB, Div-II for his kind information
4. The Inspector of Schools, All districts, for information and necessary action
5. All the Principals of Lead Colleges, for information and necessary action
6. The Head of the Institutions, all the institutions under ASSEB Div-II, for information and necessary action

Controller of Examinations i/c
Assam State School Education Board, Division - II
Bamunimaidam, Guwahati, Assam

## উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ পেপাৰ লিক

### পৰীক্ষা স্থগিত ঘোষণা শিক্ষামন্ত্ৰীৰ

**ই-সংবাদ, ২০ মাৰ্চঃ** সকলো পৰীক্ষাত স্বচ্ছতাৰ কথা কৈ থকা চৰকাৰখনে পৰীক্ষাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাত শেষাংশ ৫ পৃষ্ঠাত

### শিক্ষামন্ত্ৰী পেগুৰ পুত্তলিকা দাহ কংগ্ৰেছৰ

### শিক্ষাৰ্থীৰ সৈতে ল'ৰা-ধেমালি খেল বন্ধ কৰাৰ আহ্বান ভূপেন বৰাৰ

**ই-সংবাদ, ২০ মাৰ্চঃ** ৰাজ্যত নৱম শ্ৰেণী আৰু উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ প্ৰশ্নকাকত ৫ পৃষ্ঠাত

## বৰপেটাত ফাদিল বছৰেকীয়াৰ প্ৰশ্নকাকত



**ই-সংবাদ, ২০ মাৰ্চঃ** ৰাজ্যত কাহানিও নোহোৱা-নোপোজা কাণ্ড সংঘটিত হৈছে। এইবাৰ বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ দৰে লজ্জাজনক কাণ্ড সংঘটিত শেষাংশ ৫ পৃষ্ঠাত

## কেন্দ্ৰৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ মাস্কৰ 'এক্স কৰ্প'

**নতুন দিল্লী, ১৯ মাৰ্চঃ** মোডী চৰকাৰৰ বিৰুদ্ধে আদালতৰ দাৰস্থ হ'ল ইলন মাস্কৰ কোম্পানী শেষাংশ ৫ পৃষ্ঠাত

## শিলচৰৰ এইউত ইফটাৰ পাৰ্টি নহ'ব!

**ই-সংবাদ, ২০ মাৰ্চঃ** বৰাক উপত্যকাৰ শিলচৰৰ অসম বিশ্ববিদ্যালয়ে ৩ পৃষ্ঠাত




সদৌ অসম প্ৰাদেশিকৃত শিক্ষানুষ্ঠানৰ পৰা বঞ্চিত শিক্ষক-কৰ্মচাৰী সন্থাৰ প্ৰতিবাদ

## প্ৰতিবাদকাৰী শিক্ষকক চোঁচৰালে গুৱাহাটী পুলিচে!

**ই-সংবাদ, ২০ মাৰ্চঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমত আজিকালি ধৰ্ণা-প্ৰতিবাদ কৰা নহয় বুলি কৰি অহা দাবীৰ বিপৰীতে ৰাজ্যত নিতৌ দল-সংগঠনে ন্যায্য প্ৰাপ্তিৰ দাবীত প্ৰতিবাদ কৰি গৈছে। বিশেষকৈ বিনা বেতনে চাকৰি কৰি থকা শেষাংশ ৩ পৃষ্ঠাত

## ডিব্ৰুগড়ত কেবিনেট, দিনে-নিশাই খোলা থাকিব ৩ চহৰৰ দোকান



## মহানগৰ আৰক্ষীক ভৰ্ৎসনা

**ই-সংবাদ, ২০ মাৰ্চঃ** গুৱাহাটী আৰক্ষীয়ে এজাহৰ দাখিলৰ পিছতো গোচৰ পঞ্জীয়ন নকৰাত ২ পৃষ্ঠাত

# 'ৱাইন শ্বপ'ৰ টাইমক লৈ জিভা পিচল খালে মুখ্যমন্ত্ৰীৰ!

■ নামৰূপলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অৰুণাচলৰ পিআৰচি লাভ কৰিব মৰাণসকলে



**ই-সংবাদ বিশেষ, ২০ মাৰ্চঃ** এতিয়া এক কথাত ক'বলৈ গ'লে অসমৰ অৰ্থনীতি ঋণ আৰু মদৰ ৰাজহৰ ওপৰত নিৰ্ভৰশীল। অসমৰ অৰ্থনীতিৰ মুল চালিকাশক্তি মদৰ পৰা পোৱা ৰাজহকেইটাই। ৰাজ্যখনত উৎসৱ-পাৰ্বনৰ ধুম ২ পৃষ্ঠাত চাওক

## দিনৰ পোহৰতে মুক্ত হত্যাৰ পৰিৱেশ!

## ধেমাজিৰ ৰাজপথত কংগ্ৰেছী-আৰক্ষীৰ হতা-হতি




**ই-সংবাদ, ২০ মাৰ্চঃ** আজি ধেমাজিৰ ৰাজপথত যুৱ কংগ্ৰেছ নেতা-কৰ্মী আৰু নিৰাপত্তাৰক্ষীৰ মাজত যুযুধান ৪ পৃষ্ঠাত চাওক

### ডিমৌত তীব্ৰ চাঞ্চল্য

## পত্নীক হত্যা কৰি নৈত উটুৱাই দিলে মৃতদেহ

**ই-সংবাদ, ডিমৌ, ২০ মাৰ্চঃ** ডিমৌৰ কোঁৱৰ দিহিঙীয়া গাঁৱৰ বসন্ত দিহিঙীয়াৰ পত্নী তথা দুটি সন্তানৰ মাতৃ শেষাংশ ৪ পৃষ্ঠাত

## নাই চিকিৎসক! বন্ধ হ'ল লালুকৰ হাস্পতালৰ জৰুৰীকালীন সেৱা


OFFICE OF THE DEPUTY SUPERINTENDENT
LALUK MODEL HOSPITAL, LALUK, NORTH LAKHIMPUR 784160

জাননী

অতি দুঃখেৰে আপোনালোকক জনাওঁ যে লালুক আদৰ্শ চিকিৎসালয়ত পৰ্যাপ্ত সংখ্যক চিকিৎসক নথকাৰ বাবে আজিৰ পৰা অনিৰ্দিষ্ট কাললৈ জৰুৰীকালীন সেৱা উপলব্ধ নহ'ব।

উপ. অধীক্ষক
লালুক আদৰ্শ চিকিৎসালয়

**ই-সংবাদ, ২০ মাৰ্চঃ** বিজেপিৰ নেতাৰ মুখত কেৱল উন্নয়নৰ শ্ল'গান শুনা যায়। সভা-সমিতিয়ে কেৱল ৩ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী আৰক্ষীক ভৰ্ৎসনা

ন্যায়ালয়ৰ ভৰ্ৎসনাৰ সন্মুখীন হৈছে। এগৰাকী মহিলাই দাখিল কৰা এজাহাৰৰ ভিত্তিত গোচৰ পঞ্জীয়ন নকৰাত মহিলা ন্যায়ালয়ৰ কাষ চপাত গুৱাহাটী আৰক্ষীৰ তীব্ৰ ভৰ্ৎসনা কৰিছে ন্যায়ালয়ে। যিখবৰক লৈ গুৱাহাটী আৰক্ষীৰ ভিতৰচৰাত খলকনি লগা বুলি জানিব গৈছে। গুৱাহাটী আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ পৰা আৰম্ভ কৰি দিছপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ তোলপাৰ লাগে। কিছুদিন পূৰ্বে উচ্চ ন্যায়ালয়ে অসম আৰক্ষীয়ে গ্ৰেপ্তাৰৰ সময়ৰ নীতি-নিৰ্দেশনা নমনাৰ কথা উল্লেখ কৰি অসম আৰক্ষীক সমালোচনা কৰিছিল। তাৰ কেইটামান দিন পিছতে গুৱাহাটী আৰক্ষীক ভৰ্ৎসনা কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে জাননী জাৰি কৰাৰ পিছতো গোচৰৰ ৰুজু নকৰা বিষয়ত শপতনাম দাখিল নকৰা নাছিল আদালতত। তাৰ পিছতে গুৱাহাটী উচ্চ ন্যায়ালয় সৰৱ হৈছিল। গুৱাহাটী আৰক্ষী আয়ুক্ত অধীনৰ পূব আৰক্ষী জিলাৰ দিছপুৰ আৰক্ষীৰ বাবে আদালতৰ ৰোষত পৰে গুৱাহাটী আৰক্ষী। দিছপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই গাড়ী চুৰিৰ গোচৰ পঞ্জীয়ন কৰা নাছিল। ফলত ভুক্তভোগী মহিলাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপে। ৭ মাৰ্চত আৰক্ষীক জাননী জাৰি কৰিছিল যদিও আৰক্ষীয়ে ন্যায়ালয়ত উত্তৰ নিদিলে। ফলত আৰক্ষীক সমালোচনা কৰে ন্যায়ালয়ে। জানিব পৰা মতে, শোণিতপুৰৰ আফুজা বেগমে এএছ-০১-এই-৯৪২৫ নম্বৰৰ বাহনখনেৰে ২০২৩ চনৰ ৯ অক্টোবৰত সোনাইঘুলিলৈ গৈছিল। তাৰ পিছতে আফুজা বেগমৰ বন্ধু সমৰ বড়োৱে বাহনখন লৈ তৌফিকুল আলী আৰু জিতু আলীক লৈ ৰাণীলৈ গৈছিল। কিন্তু ১০ অক্টোবৰত ৰাণীত ৰহস্যজনক অৱস্থাত সমৰ বড়োৰ মৃতদেহ উদ্ধাৰ হয়। কিন্তু সমৰ বড়োৱে লৈ যোৱা আফুজা বেগমৰ বাহনখনৰ কোনো সন্ধান আৰক্ষীয়ে উদ্ধাৰ কৰিব নোৱাৰিলে। বাহনখন চুৰি কৰাৰ অভিযোগত সমৰ বড়োৰ বন্ধু তৌফিকুল আলী আৰু জিতু আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আফুজা বেগমে ২০১৩ চনৰ ১৩ নৱেম্বৰত দিছপুৰ আৰক্ষী থানাত বাহন চুৰি হোৱাৰ অভিযোগত এজাহাৰ দাখিল কৰে। কিন্তু সেই এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰা নাছিল। আফুজা বেগমে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপে। ৭ মাৰ্চত ন্যায়ালয়ে জাননী জাৰি কৰিছিল। ১৯ মাৰ্চৰ শুনানিৰ সময়ত আৰক্ষীয়ে জাননীৰ উত্তৰ দিয়াত ব্যৰ্থ হোৱাত আদালতে তীব্ৰ অসন্মতি প্ৰকাশ কৰে। গোচৰৰ বিৱৰণ তাৎক্ষণিকভাৱে দাখিল কৰাৰ নিৰ্দেশ দিয়ে। আদালতৰ ভৰ্ৎসনাই পূব গুৱাহাটী আৰক্ষী জিলাৰ আৰক্ষীৰ মাজত তোলপাৰ লগায়। দিছপুৰ আৰক্ষী থানাৰ গোচৰ পৰীক্ষা কৰিবলৈ আৰম্ভ কৰিছে উচ্চপদস্থ বিষয়াই। দিছপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ভূমিকাত প্ৰশ্ন উত্থাপন হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ৱাইন শ্বপ’ৰ টাইমক লৈ জিভা পিছল

উঠাত মদৰ বিক্ৰীও বাঢ়ি গৈছে। আবকাৰী ৰাজহে মান-সন্মান ৰক্ষা কৰি আহিছে চৰকাৰবোৰৰ। একোটা বিত্তীয় বৰ্ষত ২৫০০ কোটিলৈকে গৈছে। ২০১৬ চনত চৰকাৰে আবকাৰী নীতি সলনি কৰি দেশীয় সুৰাৰ লগতে পৰম্পৰাগত দেশীয় সুৰা বিক্ৰীৰ ব্যৱস্থা কৰিছে। সুৰাৰ অবৈধ ব্যৱসায় ৰোধ কৰি চৰকাৰৰ ঘৰলৈ যাতে ৰাজহ আহে তাৰ ব্যৱস্থা কৰিছে। তাৰ মাজতে আজি ডিব্ৰুগড়ত অনুষ্ঠিত কেবিনেটৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সুৰাৰ দোকান নিশা ২ বজালৈকে খুলি ৰখাৰ ঘোষণা কৰিছিল। ২৪ ঘণ্টাই দোকান-পোহাৰ খোলাৰ অনুমতি প্ৰদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কৈছিল যে ৱাইন শ্বপসমূহক আমি অলপ আগতীয়াকৈ বন্ধ কৰিম। ৱাইন শ্বপসমূহ এতিয়া ১২টা বজালৈ খোলা থাকে, দুটা মান বজালৈকে খোল থাকিব। তেওঁলোকক গোটেফ পাতি নিদিও তেওঁলোকক অলপ কমাই দিম। কিন্তু মাথো তিনিটা ঘন্টাৰ পিছতে মুখ্যমন্ত্ৰীয়ে নিজে কৰা ঘোষণা সলনি কৰে। প্ৰায় আঢ়ৈ ঘণ্টা পিছতে মুখ্যমন্ত্ৰীয়ে ততাতৈয়াকৈ স্পষ্টিকৰণ দি কয় যে ৱাইন শ্বপ, বাৰৰ ক্ষেত্ৰত প্ৰযোজ্য এই ঘোষণা প্ৰযোজ্য নহ’ব। নিশা পলমকৈ মদৰ দোকান খোলা ৰখাৰ পূৰ্বৰ ঘোষণা বাতিল কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীৰ নতুন ঘোষণা কৰি কয় যে সুৰাৰ বিপনি নিশা এপৰলৈকে খোলা নাথাকিব। দোকান ২৪ ঘণ্টাই খোলা ৰখা সিদ্ধান্তত সুৰাৰ বিপণি-বাৰৰ অন্তৰ্ভুক্ত নহ’ব। আজি ডিব্ৰুগড়ত অনুষ্ঠিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটৰ পিছতে গুৱাহাটীৰ লগতে কেইবাখনো মুখ্য চহৰত নিশা ২ বজালৈ মদৰ দোকান খুলি ৰাখিব পাৰৱ বুলি কৈছিল। অন্যান্য দোকান-পোহাৰ ২৪ ঘণ্টাই খোলা ৰখাৰ লগতে মদৰ দোকানৰ নিশা ২ বজালৈ খোলা থাকিব। আন জিলাসমূহত নিশা ১২ বজালৈ খোলা থাকিব সকলো মদৰ দোকান। গুৱাহাটীত মদৰ দোকান নিশা ২ বজালৈ আৰু ৰাজ্যৰ অন্য প্ৰান্তত আগৰ দৰেই খোলা থাকিব। মদৰ দোকান নিশা ২ বজালৈ খোলা ৰখাৰ সিদ্ধান্তক সমালোচনা কৰিছিল একাংশ নেটিজেনে। একাংশ নেটিজেনে কৈছিল যে কেৱল ৰাজহ সংগ্ৰহৰ বাবে এনে কাম কৰিছে চৰকাৰে। নিতৌ দুৰ্ঘটনা বৃদ্ধি হোৱাৰ লগতে আৰক্ষীয়ে মদ্যপান কৰি বাহন চলালে মোটা অংকৰ জৰিমনা বিহে। তাৰ পিছতো মুখ্যমন্ত্ৰীয়ে মদৰ দোকান নিশালৈ খুলি ৰখাৰ সিদ্ধান্তত পৰিস্থিতি বেছি অৰাজক হোৱাৰ আশংকা কৰে একাংশ লোকে। কিছু প্ৰায় তিনি ঘণ্টাৰ পিছতে সেই সিদ্ধান্ত বাতিল কৰে মুখ্যমন্ত্ৰীয়ে। ইপিনে মন্দাৱস্থাত ৰাজ্যৰ ব্যৱসায় চলি থকাৰ কথা ব্যৱসায়ীয়ে প্ৰায়ে উল্লেখ কৰি আহিছিল যদিও ব্যৱসায়ক ত্বৰিৎ গতি দিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দোকান-পোহাৰ খোলাৰ সময় বৃদ্ধি কৰিছে। বেহা-বেপাৰ আগৰ দৰে নাই বুলি কোৱা শুনা যায়। ব্যৱসায়ীসকলৰ মাজত আগৰ অৱস্থা উভতাই আনিবলৈ মুখ্যমন্ত্ৰীয়ে গুৰুত্ব প্ৰদান কৰি ৰাজ্যৰ ৰাজধানীত ২৪ ঘণ্টাই দোকান-পোহাৰ খোলাৰ অনুমতি প্ৰদান কৰিছে। কেৱল গুৱাহাটীতে নহয় শিলচৰ, ডিব্ৰুগড়ো ২৪ ঘণ্টাই দোকান-পোহাৰ খুলি ৰাখিব পাৰিব। মুঠতে এতিয়াৰ পৰা গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰত সপ্তাহৰ সাতোটি দিনতে ২৪ ঘণ্টাই শ্ৰমিকৰ অধিকাৰ আৰু সুৰক্ষা খৰ্ব নকৰাকৈ দোকান চলাব পাৰিব। সাপ্তাহিক বন্ধ উঠাই দিয়া হৈছে। বস্তু বাহিনীৰ আকাংশলংঘী মূল্যবৃদ্ধি আৰু মানুহৰ ক্ৰয় ক্ষমতা হ্ৰাস হোৱাত ব্যৱসায়ৰ পূৰ্বৰ দৰে হৈ থকা নাই। উৰ্পাজন আৰু ক্ৰয় ক্ষমতা হ্ৰাস পোৱাৰ কথা চৰ্চা চলাৰ সময়তে মুখ্যমন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। কেবিনেটৰ পাছতে সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰত এতিয়াৰ পৰা ২৪ ঘণ্টাই দোকান-পোহাৰ খোলা ৰাখিব পাৰিব। বাকী টাউনসমূহত নিশা ২ বজালৈ দোকান-পোহাৰ খোলা ৰাখিব পাৰিব। গাঁৱত নিশা ১১ বজালৈ দোকান-পোহাৰ খোলা ৰাখিব পাৰিব। ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ উপাৰ্জন বৃদ্ধিৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। দোকান-পোহাৰ খোলাৰ সময় বৃদ্ধি কৰিলেও শ্ৰমিকক সপ্তাহত ৪৮ ঘণ্টাতকৈ বেছি কাম কৰাব নোৱাৰিব। এটা ছিফ্টত ৯ ঘণ্টাতকৈ বেছি কাম কৰাব নোৱাৰিব। মুখ্যমন্ত্ৰীয়ে আজি সংবাদমেলত উল্লেখ কৰা মতে, নামৰূপ সাৰ কাৰখানাৰ আধাৰশিলা স্থাপন কৰিবলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হ’ব। ছেপ্টেম্বৰ-নৱেম্বৰত আধাৰশিলা স্থাপন কৰা হ’ব। এই প্ৰকল্পত ভাৰত চৰকাৰৰ ৬০ শতাংশ, অসম চৰকাৰৰ ৪০ শতাংশ অংশীদাৰিত্ব থাকিব। অৰুণাচলত বসবাস কৰা মৰাণ জনগোষ্ঠীৰ অৰুণাচল চৰকাৰে স্থায়ী নাগৰিকত্ব প্ৰমাণপত্ৰ নিদিলে অসম চৰকাৰে পিআৰচি দিয়াৰ সিদ্ধান্ত লয়। মেডিকেল, অভিযান্ত্ৰিক মহাবিদ্যালয়ত সংৰক্ষণ ব্যৱস্থা লাভ কৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মী, নাৰ্ছৰ বাবে বয়সৰ কোনো সীমা নাথাকিব আৰু স্বাস্থ্য বিভাগৰ পৰীক্ষাত অৱতীৰ্ণ হ’ব পাৰিব। গোৱালপাৰা অসামৰিক হাস্পতালৰ নাম শ্বহীদ নিধানুৰ ৰাম ৰাজবংশীৰ নামেৰে নামকৰণ কৰা হ’ব। আজি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, ৩১ মাৰ্চৰ পৰা প্ৰতিটো ৰেলনেচ চেণ্টাৰত স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ’ব। ন্যূনতম ৫০ জন ছাত্ৰ থকা প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক পদৰ সৃষ্টি কৰা হ’ব। প্ৰধান শিক্ষকসকলৰ বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা থাকিব। আনহাতে, ৰাজ্যত একত্ৰীকৰণ হোৱাৰ পাছত পৰিত্যক্ত হৈ পৰা বিদ্যালয়সমূহৰ ভূমি তৎকালীনভাৱে শিক্ষা বিভাগৰ পৰা জিলা আয়ুক্তলৈ যাব। চৰকাৰী কাম-কাজৰ বাবে এনে বিদ্যালয় জিলা আয়ুক্তই আৱণ্টন দিব পাৰিব। অনা-চৰকাৰী কামৰ বাবে জিলা আয়ুক্তই চৰকাৰৰ অনুমোদন লৈ খালী হৈ থকা বিদ্যালয়সমূহ আৱণ্টন দিব পাৰিব। চাহ বাগিচাৰ পথ নিৰ্মাণৰ বাবে কেবিনেটে ২৬২ কোটি টকাৰ অনুদান দিব। প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ পালনৰ সিদ্ধান্ত লয়। ৰঞ্জিত দাস, অজন্তা নেওগ, ৰণোজ পেগুৰ নেতৃত্বত গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ পালনৰ কেবিনেট সমিতি গঠন কৰা হয়। গোলাপ বৰবৰাৰ নামত এখন শিক্ষানুষ্ঠান উছৰ্গা কৰা হ’ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিবাদকাৰী শিক্ষকক চোঁচৰালে

প্ৰাদেশীকৃত বিদ্যালয়ৰ বাদ পৰা শিক্ষক, ভেন্সাৰ বিদ্যালয়ৰ শিক্ষকে বিভিন্ন সময়ত প্ৰতিবাদ অব্যাহত ৰাখিছে। তাৰ মাজতে আজি কেইবা শতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে গুৱাহাটীলৈ আহি চৰকাৰৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে দুটা-তিনিটা দশক ধৰি বিনা বেতনে শিক্ষকতা কৰি অহা কেইবা শ শিক্ষকৰ দাবীক আওকান কৰি আহিছে। যাৰ বাবে বাৰে বাৰে ৰাজপথলৈ ওলাই আহি শিক্ষকসকলে প্ৰতিবাদ সাব্যস্ত কৰে যদিও চৰকাৰে শিক্ষকৰ প্ৰতিবাদ ৰোধৰ বাবে জোৰ-জুলুম কৰা পৰিলক্ষিত হয়। আজিও কেই বা শ শিক্ষকে কাহিলীপাৰত প্ৰতিবাদ সাব্যস্ত কৰিব আহিছিল যদিও আৰক্ষীয়ে বৰ্বৰ আচৰণ কৰা পৰিলক্ষিত হয়। বিশেষকৈ প্ৰতিবাদৰ মাজতে কেইবাগৰাকী শিক্ষয়িত্ৰীয়ে ৰাজপথত বহি দিছিল যদিও আৰক্ষীয়ে শিক্ষয়িত্ৰীসকলক ৰাজপথৰ পৰা বগৰাই-চোচোৰাই নি গাড়ীত তোলে। চৰকাৰ বিৰোধী শ্ল'গান দি শিক্ষক-শিক্ষয়িত্ৰীসকলে ৰাজপথত বহি আমাৰ দাবী মানি লওক বুলি চৰকাৰ কাতৰ আহ্বান জনাই শ্ল'গান দি গৈছিল যদিও শিক্ষক-শিক্ষয়িত্ৰীসকলক চোচোৰাই নি আৰক্ষীৰ বাহনত তুলি আটক কৰে। শিক্ষক-শিক্ষয়িত্ৰীসকলক কৰা এনে আচৰণক সহজে ল'ব পৰা নাছিল প্ৰতিবাদকাৰী শিক্ষসকলে। প্ৰতিবাদৰ মাজতে এগৰাকী শিক্ষয়িত্ৰী অচেতন হৈ পৰে। তথাপিও আৰক্ষীয়ে শিক্ষক-শিক্ষয়িত্ৰীক চোচোৰাই নিবলৈ এৰা নাছিল। আজি কাহিলীপাৰাস্থিত শিক্ষা বিভাগৰ কাৰ্যালয়ত প্ৰাদেশীকিকৰণৰ সময়ত বাদ পৰা কেইবা শ শিক্ষকে প্ৰতিবাদ কৰিবলৈ আহিছিল। প্ৰতিবাদৰ সময়তে বৃহৎ আৰক্ষীৰ দল মোতায়েন কৰে। চাকৰি নিয়মীয়াকৰণৰ দাবীত প্ৰতিবাৰৰ দৰে এইবাৰো প্ৰতিবাদ কৰিবলৈ আহিছিল। কিন্তু চৰকাৰৰ বিৰুদ্ধে কৰা শিক্ষকৰ প্ৰতিবাদ মষিমূৰ কৰিবলৈ পূৰ্বে সষ্টম হৈ আছিল আৰক্ষীৰ বৃহৎ দল। প্ৰতিবাদ আৰম্ভ কৰাৰ পিছতে আৰক্ষী সক্ৰিয় হয়। উপ-আৰক্ষী আয়ুক্ত মৃনাল ডেকাৰ নেতৃত্বত বৃহৎ আৰক্ষীৰ দলে শিক্ষক-শিক্ষয়িত্ৰীসকলক জোৰ-জুলুম কৰা পৰিলক্ষিত হয়। পুৱাৰ ভাগৰে পৰা হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে কাহিলীপাৰাৰ শিক্ষা বিভাগৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা দিছিল। সেই সময়তে আৰক্ষীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক চোচোৰাই-বগৰাই আতৰাবলৈ প্ৰয়াস কৰে। একাংশ শিক্ষকে পথত বহি শ্ল'গান দিছিল যদিও আৰক্ষীয়ে চোচোৰাই পথৰ পৰা আতৰাই আৰক্ষীৰ বাহনত তুলি আটক কৰে। একাংশ প্ৰতিবাদ শিক্ষকে প্ৰতিবাদৰ সময়ত দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নাই চিকিৎসক! বন্ধ হ'ল লালুকৰ

অসমৰ ডিঙিৰ শিৰ ফুলাই কেৱল উন্নয়নৰ কথা কয়। মুখ্যমন্ত্ৰী, মন্ত্ৰী, বিধায়কক ধৰি বিজেপিৰ নেতাসকলে ২০১৪ চনৰ পিছতে অসমৰ অৱস্থা নদন-বদন হৈছে বুলি দাবী কৰে। কথাবোৰ এনেদৰে কয় যে অসমত আজি একোৱেই সমস্যা নাই। কিন্তু বিজেপিৰ নেতাৰ দাবীৰ বিপৰীত অসমৰ স্বাস্থ্য, শিক্ষা আদি খণ্ডৰ অৱস্থা। শেহতীয়াকৈ বিজেপি নেতাই কৰা দাবীৰ বিপৰীত দৃশ্য দেখা গৈছে লখিমপুৰৰ লালুকত। লখিমপুৰৰ লালুকৰ পৰা স্বাস্থ্য খণ্ডৰ পয়া-লগা স্বৰূপ ওলাই পৰিছে। চিকিৎসকৰ অভাৱত চিকিৎসালয়ৰ জৰুৰীকালীন সেৱা বন্ধ কৰিবলৈ বাধ্য হৈছে। এই সন্দৰ্ভৰ এখন জাননীয়ে এতিয়া হাহাঁকাৰ লগাইছে লালুকত। জাননীখন আঁৰি দিয়াৰ পিছতেই সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। লালুক আদৰ্শ চিকিৎসালয়ত আজি এখন জাননী আঁৰি দিয়া হয়। জাননীত কোৱা হৈছে পৰ্যাপ্ত চিকিৎসক নথকাৰ বাবে জৰুৰীকালী সেৱা বন্ধ কৰা হৈছে। লালুক আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষকে আঁৰি দিছিল জাননীখন। এই জাননী আঁৰি দিয়াৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। চিকিৎসকৰ অভাৱত লখিমপুৰৰ লালুক আদৰ্শ চিকিৎসালয়ত জৰুৰী সেৱা বন্ধ কৰি দিয়া কাৰ্যক ৰাইজে সহজে ল'ব পৰা নাই। কিয়নো তেনে হ'লে পুৱা ৮.৩০ বজাৰ পৰা দুপৰীয়া ১.৩০ বজালৈ হাস্পতালখনত চিকিৎসক পোৱা যাব। লখিমপুৰৰ নামনি অংশৰ লক্ষাধিক দৰিদ্ৰ লোকৰ ভৰষা লালুক আদৰ্শ চিকিৎসালয়। জৰুৰী পৰিস্থিতিত ৰোগীক অনা হয় চিকিৎসালয়খনলৈ। দুৰ্ঘটনাত পতিত লোককো দিনে-নিশা অনা হয় চিকিৎসালয়খনলৈ। কিন্তু এতিয়াৰে পৰা জৰুৰীকালীন সেৱা নাপাব বুলি কোৱাত চিন্তিত হয় ৰাইজ। যাত লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। চিকিৎসালয়খনত পূৰ্বে ৫ গৰাকী চিকিৎসক আছিল যদিও এগৰাকী ছুটীত আছে। বিপৰীতে দুগৰাকী চিকিৎসকক অন্য জিলালৈ বদলি কৰিছে বিভাগে। সেয়ে পৰ্যাপ্ত চিকিৎসকৰ অভাৱত বন্ধ কৰিবলগীয়া হ'ল জৰুৰী সেৱা। স্বাস্থ্য বিভাগ আৰু চৰকাৰৰ বিৰুদ্ধে দল-সংগঠনে তীব্ৰ ক্ষোভ ব্যক্ত কৰাত স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে স্পষ্টীকৰণ দিবলৈ বাধ্য হয়। চিকিৎসক কম থকাৰ কথা অস্বীকাৰ কৰে অশোক সিংহলে। সিংহলে কয় যে দুজন চিকিৎসকক বদলি কৰা হৈছিল যদিও দুজন নতুন চিকিৎসক নিযুক্তি দিয়া হৈছে। লালুক আদৰ্শ চিকিৎসালয় সম্পৰ্কীয় একাংশ অপপ্ৰচাৰ খণ্ডন কৰি ৰাইজৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে চিকিৎসালয়খনত বৰ্তমানে ৬ জন চিকিৎসকে সেৱা আগবঢ়াই আছে। শেহতীয়াকৈ দুজন চিকিৎসকক বদলি কৰা হৈছিল যদিও আন দুজন নতুন চিকিৎসকে যোগদান কৰিছে। চিকিৎসালয়খনত নিযুক্তিপ্ৰাপ্ত চিকিৎসকসকল ডাঃ ভাৰতী বৰা, শিশু ৰোগ বিশেষজ্ঞ ডাঃ পি কে দেউৰী, ডাঃ মৃদুল বৰা, এনাষ্টেচিঅ'লজিষ্ট ডাঃ উৎপল বৰা, ডাঃ অভিৰঞ্জন ফুকন, ডাঃ গীতিস্মিতা বৰা আৰু ছুটীত আছে ডাঃ স্মৃতিৰেখা গগৈ। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে মই দোহাৰিছো যে চিকিৎসালয়খন সুচাৰুৰূপে চলি আছে। য'ত বিনামূলীয়া ৰোগ নিৰ্ণয়, এক্স-ৰে আৰু ডায়েলাইচিছৰ দৰে সেৱাসমূহ ৰাইজৰ বাবে উপলব্ধ। লগতে, চিকিৎসালয়খনত পৰ্যাপ্ত সংখ্যক ঔষধো মজুত ৰখা হৈছে। ইপিনে অসম প্ৰদেশ যুৱ কংগ্ৰেছে চৰকাৰৰ এনে সিদ্ধান্তক তীব্ৰ বিৰোধ কৰে। বিজেপি মিত্ৰজোঁটে কেৱল ক্ষমতাৰ বাবেই মন্ত্ৰীক নামমাত্ৰ দায়িত্ব পালন কৰিবলৈ দি স্বাস্থ্য বিভাগক এতিয়া ধোঁৱাচাংত উঠালে বুলি কয়। এনে অভিযোগে এতিয়া সমগ্ৰ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিলচৰৰ এইউত ইফটাৰ পাৰ্টি নহ'ব!

ছাত্ৰ সমাজক ইফটাৰ পাৰ্টীৰ অনুমতি প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। বিশ্ববিদ্যালয়ে ভাৰতৰ সংবিধানে ধৰ্ম নিৰপেক্ষতা বজাই ৰাখে বুলি কোৱাৰ বিপৰীতে বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে এই সিদ্ধান্তটো পক্ষপাতমূলক বুলি উল্লেখ কৰি এটা ধৰ্মৰ সৈতে অন্যায় বুলি কয়। জানিব পৰা মতে, স্নাতক, স্নাতকোত্তৰ, গৱেষণাৰ ছাত্ৰই 'দাৱাত-এ-ইফতৰ ২০২৫'ৰ পৰিকল্পনা কৰিছিল। অনুষ্ঠান ১৯ মাৰ্চত অনুষ্ঠিত কৰিবলৈ ১০ মাৰ্চতে প্ৰশাসনৰ অনুমতি বিচাৰিছিল। কিন্তু বিশ্ববিদ্যালয় প্ৰশাসনে অনুমতি প্ৰদান নকৰিলে। ৰেজিষ্ট্ৰাৰে অনুমতি দিবলৈ অস্বীকাৰ কৰে। বিশ্ববিদ্যালয়ত অধ্যয়নৰত ৰেজাউল কাৰিম আজাদ চৌধুৰী কয় যে বিগত দুই বছৰৰ পৰা এই ধৰণৰ অনুষ্ঠান অনুষ্ঠিত হৈ আছিল। য'ত বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী, ৰেজিষ্ট্ৰাৰো অন্তৰ্ভুক্ত আছিল। এই বছৰৰ বাবে ১০ মাৰ্চত প্ৰশাসনৰ পৰা অনুমতি বিচৰা হৈছিল। প্ৰথমে প্ৰশাসনে কয় যে উপাচাৰ্য আৰু ৰেজিষ্ট্ৰাৰ দুয়োজনে একেলগে বিশ্ববিদ্যালয়ত উপস্থিত নাই। কিয়নো উপাচাৰ্য শিলচৰৰ বাহিৰত আছে। উপাচাৰ্য উভতি অহালৈ অপেক্ষা কৰিব লাগিব। উপাচাৰ্য পৰৱৰ্তী সপ্তাহতহে উভতি আহিব। সেয়ে অনুমতি প্ৰদানৰ প্ৰক্ৰিয়া পলম হ'ব। সেয়েহে ইফটাৰ পাৰ্টী বাতিল কৰা হয়। জানিব পৰা মতে, ইফটাৰৰ বাবে ছাত্ৰসকলে নিজে টকা সংগ্ৰহ কৰে। একাংশ ছাত্ৰই কয় যে এয়া অন্যায়। কাৰণ অন্যান্য ধৰ্মীয় কাৰ্যসূচীৰ অনুমতি প্ৰদান কৰা হয়। বিগত দুবছৰ ধৰি এই কাৰ্যসূচী শান্তিৰ সৈতে পালন কৰা হৈছে। সকলো ধৰ্মৰ ছাত্ৰসকলে অংশগ্ৰহণ কৰি আহিছে। অসমৰ বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ প্ৰদোষ কিৰণ নাথ কয় আমি ধৰ্মীয় বিষয়সমূহত জড়িত নহওঁ। সেয়ে আমি কাৰ্যকৰীভাৱে যিকোনো ধৰ্মীয় কাৰ্যকলাপৰ বাবে অনুমতি প্ৰদান কৰিব নোৱাৰো। ছাত্ৰসকলক অনুষ্ঠান কৰিব পাৰে, কিন্তু কেৱল অনুমতি প্ৰদান কৰা হোৱা নাই। যাতে নিয়মবোৰ মানি চলা যায়। মই তেওঁলোকক কৈছিলো যে তেওঁলোকে নিজৰ দায়িত্বত আয়োজন কৰিব পাৰে। কিন্তু আইন-শৃংখলাৰ দায়িত্ব নিজেই ল'ব লাগিব।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# পত্নীক হত্যা কৰি নৈত উটুৱাই দিলে

বীণা কোঁৱৰ দিহিঙীয়া ৰহস্যজনকভাৱে নিৰুদ্দেশ হোৱা সাতদিন অতিক্ৰম কৰাৰ পিছত ডিমৌ স্মাৰ্ট আৰক্ষীৰ চূড়ান্ত ব্যৰ্থতাকে প্ৰতিপন্ন কৰাৰ অন্তত আজি ঘটনাই নতুন মূৰ লৈছে। ডিমৌ কোঁৱৰ দিহিঙীয়া গাঁৱৰ লগতে কাষৰীয়া প্ৰায় ছখনৰো অধিক গাঁৱৰ শতাধিক পুৰুষ-মহিলাই কালি দুপৰীয়া ১১.৩০ বজাৰপৰা সন্ধিয়া পৰ্যন্ত ডিমৌৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি ডিমৌ সম জিলা অচল কৰি তোলাৰ পিচতে বীণা কোঁৱৰ দিহিঙীয়াৰ স্বামী তথা হত্যাকাৰী বসন্ত দিহিঙীয়াই পত্নীক প্ৰথমে মৰিয়াই তেজেৰে তুমুৰুলি কৰি পিছত চাদৰেৰে ডিঙি চেপি হত্যা কৰাৰ কথা ডিমৌ আৰক্ষীৰ আগত স্বীকাৰ কৰে। হত্যাকাৰীৰ বিস্ফোৰক স্বীকাৰোক্তিৰ পিছত নিশায়ে ডিমৌ আৰক্ষীয়ে পত্নীহন্তা, কুলাংগাৰ স্বামী বসন্ত দিহিঙীয়াক লগত লৈ বীণা কোঁৱৰ দিহিঙীয়াৰ মৃতদেহ বিচাৰি বিভিন্ন স্থানত অভিযান চলায়। আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি হত্যাকাৰীয়ে প্ৰথমে ডিমৌ নদীৰ বৰডুবিৰ এক স্থানত মৃতদেহ পেলাই দিয়া বুলি প্ৰথমে আৰক্ষীক জানিবলৈ দিছিল যদিও পিছত হত্যাকাৰীয়ে ভাষ্য বদলি কৰি ঘৰৰ কাষত থকা খেৰৰ ঘৰত লুকুৱাই থৈছিল। কিন্তু ডিমৌ আৰক্ষীয়ে পুৱাই খেৰ ঘৰত অভিযান চলাই চলাথ কৰে যদিও তাতো মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। পিছত পুনৰ হত্যাকাৰীক লগত লৈ ঘৰৰ চৌদিশে অভিযান চলোৱাৰ পিছত ঘৰৰ কাষতে থকা ডিমৌ নদীত পেলাই দিয়া হ'ল বুলি আন এক ভাষ্য প্ৰদান কৰে। কিন্তু ডিমৌ আৰক্ষীয়ে বীণা কোঁৱৰ দিহিঙীয়াৰ মৃতদেহ উদ্ধাৰৰ সন্ধানত শিৱসাগৰৰপৰা এছ ডি আৰ এফ বাহিনী আনি পুৱাৰেপৰা ডিমৌ নদীত অভিযান চলাই চলাথ কৰে যদিও মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। ইফালে, ক্ষোভিত ডিমৌ কোঁৱৰ দিহিঙীয়া গাঁৱৰ লগতে কাষৰীয়া গাঁৱৰপৰা অহা পুৰুষ-মহিলাসকলে পুনৰ ডিমৌ আৰক্ষী থানাত সমৱেত হৈ নৰহত্যাকাৰী বসন্ত দিহিঙীয়াক ফাঁচীৰ দাবী তুলি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বীণা কোঁৱৰ দিহিঙীয়াৰ মৃতদেহ উলিয়াই দিবলৈ দাবী জনায়। এঘণ্টাৰো অধিক সময় প্ৰতিবাদ কৰাৰ পিছত প্ৰতিবাদকাৰীৰ দলটোৰ সৈতে আৰক্ষীৰ এক আলোচনতা মিলিত হৈ চাৰিদিনৰ সময় সীমা বিচাৰে। প্ৰতিবাদী পুৰুষ-মহিলাসকলে আৰক্ষী প্ৰশাসনৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই চাৰিদিনৰ বাবে প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু ডিমৌ আৰক্ষীয়ে চাৰিদিনৰ ভিতৰত বীণা কোঁৱৰ দিহিঙীয়াৰ মৃতদেহ উলিয়াই দিব নোৱাৰিলে প্ৰতিবাদকাৰীসকলে অনাগত দিনত ভয়ংকৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীক সকীয়াই দিয়ে। উল্লেখ্যৰ প্ৰয়োজন যে হত্যাকাৰী বসন্ত দিহিঙীয়াই চৈধ্য মাৰ্চৰ নিশা পত্নীৰ সৈতে কাজিয়া লগা বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰাৰ লগতে উক্ত নিশাৰেপৰা নিৰুদ্দেশ হৈ আছিল বুলি নাটক ৰটনা কৰিছিল। হত্যাকাৰীৰ মিঠাসুৰীয়া কথাত ডিমৌ আৰক্ষী পতিয়ন গৈ প্ৰকৃত ঘটনা উদ্‌ঘাটন কৰাৰ পৰা ফালৰি কাটি যোৱা এটা সপ্তাহে বীণা কোঁৱৰ দিহিঙীয়াৰ সন্ধেদ চলোৱাৰ পৰা একপক্ষীয়ভাৱে আঁতৰি আছিল বুলি প্ৰতিবাদকাৰীসকলে ক্ষোভেৰে প্ৰকাশ কৰে। প্ৰতিবাদকাৰীৰ একাংশ মহিলাই অভিযোগ কৰা অনুসৰি দীৰ্ঘদিন ধৰি স্বামী বসন্ত দিহিঙীয়াই বীণা কোঁৱৰ দিহিঙীয়াক শাৰিৰীক আৰু মানসিকভাৱে অকথ্য নিযাৰ্তন চলাই গৈছিল আৰু উক্তদিনা পত্নীহন্তা, দুই সন্তানৰ পিতৃ বসন্ত দিহিঙীয়াই বীণা কোঁৱৰ দিহিঙীয়াক নৃশংসভাৱে হত্যা কৰি পুৱতি নিশা নিজৰ ইক'ভানত তুলি মৃতদেহটো কোনো অচিনাক্ত স্থানত পেলাই থৈ অহাৰ সন্দেহ ঘনিভূত হোৱা আশংকা প্ৰকাশ কৰাৰ লগতে যোৱা সোতৰ মাৰ্চত বসন্ত দিহিঙীয়াৰ বাসগৃহৰপৰা গাঁওখনৰ মহিলাসকলে আৰক্ষীৰ উপস্থিতিত এটা তেজলগা বস্তা উদ্ধাৰ কৰাৰ লগতে বিচনাৰ তুলিত তেজৰ চেকুৰা লগা প্ৰত্যক্ষ কৰা বুলিও উল্লেখ কৰে। ইমানখিনি প্ৰমাণ পোৱাৰ পিছতো ডিমৌ আৰক্ষীয়ে কুলাংগাৰ বসন্ত দিহিঙীয়াক ৰক্ষণাবেক্ষণ দি অহাৰ আঁৰত কি ৰহস্য অন্তৰ্নিৰ্হিত হৈ আছে বুলি প্ৰতিবাদী মহিলাসকলে মুকলিকৈ প্ৰশ্ন উত্থাপন কৰিছে। অৱশ্যে ডিমৌ আৰক্ষীয়ে উক্তদিনাই বসন্ত দিহিঙীয়াৰ মাতৃ জ্যোতি দিহিঙীয়া, ভাই বোৱাৰী মণিকা দিহিঙীয়াক গ্ৰেপ্তাৰ কৰি পিছদিনা শিৱসাগৰ ন্যায়িক আদালতত হাজিৰ কৰি জে'ললৈ প্ৰেৰণ কৰাৰ বিপৰীতে বসন্ত দিহিঙীয়াক সাতদিনৰ বাবে নিজৰ জিম্মাত লয়। কিন্তু ডিমৌ আৰক্ষীৰ ৰহস্যজনক ভূমিকাৰ বাবেই নৰপিশাচ বসন্ত দিহিঙীয়াই হত্যাকাণ্ড সংঘটিত কৰাৰ কথা স্বীকাৰ কৰা নাছিল। ইফালে, আজি উত্তেজিত মহিলাসকলে ডিমৌ থানা ঘেৰাও কৰি থকাৰ সময়তে ডিমৌ আৰক্ষীয়ে আটক কৰা বসন্ত দিহিঙীয়াৰ ভাতৃ নিৰ্মল দিহিঙীয়াক শিৱসাগৰ আদালতত হাজিৰ কৰাৰ পিছত জে'ললৈ প্ৰেৰণ কৰে। আনহাতে, আজি পুৱা বসন্ত দিহিঙীয়াই পত্নী বীণা কোঁৱৰ দিহিঙীয়াক হত্যা কৰাৰ কথা স্বীকাৰ কৰাৰ লগে লগে অঞ্চলটোৰ শতাধিক পুৰুষ-মহিলাই বসন্ত দিহিঙীয়াৰ ঘৰৰ সন্মুখত ভিৰ কৰা পৰিলক্ষিত হয়। অৱশ্যে ডিমৌ আৰক্ষী প্ৰশাসনে কালি সন্ধিয়াৰেপৰা বসন্ত দিহিঙীয়াৰ ঘৰৰ চাৰিওফালে বৃহৎ আৰক্ষীৰ দল মোতায়ন কৰি ৰাখিছিল। এই হত্যাকাণ্ডই তীব্ৰ চাঞ্চল্য অব্যাহত ৰাখিছে।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# চৰকাৰৰ বিৰুদ্ধে ধেমাজি কঁপালে যুৱ

ৰূপ দেখা যায়। ধেমাজিত কংগ্ৰেছ নেতা-কৰ্মীক গুণ্ডাৰ দলে আক্ৰমণ কৰাৰ ঘটনাৰ বিৰুদ্ধে আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে অসম প্ৰদেশ যুৱ কংগ্ৰেছে। কংগ্ৰেছৰ নেতা-কৰ্মীক সুৰক্ষা দিয়া, কংগ্ৰেছ নেতা-কৰ্মীক আক্ৰমণ কৰা দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰাৰ দাবীত আজি যুৱ কংগ্ৰেছৰ কেইবা শতাধিক নেতা-কৰ্মীয়ে প্ৰতিবাদ কৰিবলৈ ওলাই অহাত ধেমাজিৰ ৰাজপথত উত্তপ্ত হৈ পৰে। আৰক্ষীয়ে কংগ্ৰেছৰ নেতা-কৰ্মীয়ে কৰি অহা ৰেলীক বাধা দিয়াত আৰক্ষী আৰু কংগ্ৰেছ নেতা-কৰ্মীৰ মাজত হতাহতি লাগে। হতাহতিত কেইবাজনো কংগ্ৰেছ নেতা-কৰ্মী গুৰুতৰভাৱে আহত হয়। চিচিবৰগাঁও সমষ্টি যুৱ কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক ৰমেন কোঁচে বুকুত আঘাত পায় হাস্পতালত ভৰ্তি হ'বলগীয়া হয়। ৰমেন কোঁচৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। আজি অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ ৰাজ্যিক কমিটী আৰু ধেমাজি জিলা যুৱ কংগ্ৰেছৰ উদ্যোগত ধেমাজিৰ কংগ্ৰেছ কাৰ্যালয় ইন্দিৰা ভৱনত কেইবা শতাধিক যুৱ কংগ্ৰেছৰ নেতা-কৰ্মী সমৱেত হয়। ইন্দিৰা ভৱনৰ পৰা হাতে হাতে চৰকাৰ বিৰোধী বেনাৰ-পোষ্টাৰ লৈ বিভিন্ন শ্ল'গানাৰে আকাশ-বতাহ কপাই তোলে। আৰক্ষীয়ে ৰেলী বিফল কৰিবলৈ তৎপৰ হৈ বৃহৎ সংখ্যক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰে। কংগ্ৰেছৰ নেতা-কৰ্মীয়ে চৰকাৰ বিৰোধী শ্ল'গান দি আগবঢ়াৰ সময়তে আৰক্ষীয়ে বাধা দিয়াত পৰিস্থিতি উত্তপ্ত হৈ পৰে। আৰক্ষীৰ বেহু ফালি আগুৱাই যায় প্ৰতিবাদকাৰী। আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। ফলত কেইবাজনো প্ৰতিবাদীকাৰী আহত হোৱা বুলি জানিব পৰা গৈছে। ৰমেন কোঁচৰ নামৰ স্থানীয় যুৱ কংগ্ৰেছৰ নেতাজনে বুকুত আঘাত পোৱাত ততাতৈয়াকৈ হাস্পতালত ভৰ্তি কৰিবলগীয়া হয়। অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ আনমো প্ৰতিবাদী ৰেলীত উপস্থিত থাকে। জুবেৰ আনমে কংগ্ৰেছ দলৰ নেতা-কৰ্মীক বাৰ-বাৰ আক্ৰমণ কৰাৰ পিছতো চৰকাৰ তথা প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰা অভিযোগ আনে। জিলা যুৱ কংগ্ৰেছৰ সভাপতিসহ বহুকেইগৰাকী কংগ্ৰেছৰ বিষয়-ববীয়াক ৰাজপথত বাহন ৰাখি দুৰ্বৃত্তই আক্ৰমণ কৰিছে। লগতে বাহনসমূহ ক্ষতিগ্ৰস্ত কৰিছে। সঘনাই কংগ্ৰেছ কৰ্মীক এনেদৰে আক্ৰমণ কৰি থকাৰ পিছতো চৰকাৰ, গৃহবিভাগ, মুখ্যমন্ত্ৰী আৰু প্ৰশাসনে কোনো তৎপৰতা কিম্বা আক্ৰমণকাৰীক কৰায়ত্ত কৰাৰ কোনো ব্যৱস্থা কৰা নাই। ৰাজপথতে দিনৰ পোহৰতে মুক্ত হত্যাৰ দৰে ভয়াৱহ ঘটনাই ঘটনাৰ পিছতো ৰাজ্যৰ মুখ্যমন্ত্ৰী, প্ৰশাসন যন্ত্ৰৰ এনে মৌনতা এতিয়া ৰাজ্যৰ সাধাৰণ নাগৰিক তথা বিৰোধী শংকিত হৈ দিন পাৰ কৰিছে বুলি কয় জুবেৰ আনমে। উল্লেখ্য যে, মঙলবাৰে জোনাই সমষ্টিৰ চিমেন চাপৰিলৈ এলেকাত পঞ্চায়তৰ প্ৰস্তুতি সভাত অংশগ্ৰহণ কৰিবলৈ গৈ থকাৰ সময়তে বগৰী চাপৰিত এটা বৃহৎ দুৰ্বৃত্তৰ দলে কংগ্ৰেছৰ নেতা-কৰ্মীক আক্ৰমণ কৰিছিল। দুৰ্বৃত্তৰ দলটোক আছিল প্ৰায় ২০ জনকৈ লোক। কংগ্ৰেছ নেতাসকল এআৰ-০১-এইচ-৯৩৫১ নম্বৰৰ যিখন স্কৰপিঅ' গাড়ী লৈ গৈছিল সেই গাড়ীখন ভাঙি চুৰমাৰ কৰি পেলায়। দুৰ্বৃত্তৰ দলটোত দা-কুঠাৰ, টাঙোন আদি আছিল। দিনৰ পোহৰতক দিনৰ প্ৰায় ১১ বজাত এই ঘটনা সংঘটিত হয়। ধেমাজি জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰহিম পেগুসহ বহু কংগ্ৰেছ কৰ্মী আক্ৰমণত আহত হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ পেপাৰ

বিফল হোৱা বুলি অভিযোগ উত্থাপন হৈ অহাৰ সময়তে এইবাৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ গণিতৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগৰ পিছতে গণিত বিষয়ৰ পৰীক্ষা স্থগিত ঘোষণা কৰিছে সংশ্লিষ্ট কৰ্তৃপক্ষই। অসম চৰকাৰৰ শিক্ষা বিভাগে কাইলৈ অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ গণিত বিষয়ৰ পৰীক্ষা স্থগিত ঘোষণা কৰাত ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পৰীক্ষাত বহিবলৈ সাজু হৈ থকা পৰীক্ষাৰ্থীক বিপদত পেলাই হঠাতে পৰীক্ষাত স্থগিত ঘোষণা কৰিছে শিক্ষামন্ত্ৰী ৰণোজ পেগু আৰু ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে। অভিযোগ মতে, পৰীক্ষা অনুষ্ঠিত হোৱাৰ ২৪ ঘণ্টাৰ পূৰ্বেই প্ৰশ্নকাকত ফাদিল হৈছিল। উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাত কাইলৈ অনুষ্ঠিত হ'বলগীয়া প্ৰথম বাৰ্ষিকৰ গণিতৰ পৰীক্ষা স্থগিত কৰিবলৈ বাধ্য হয়। পৰীক্ষা স্থগিত কৰাৰ পিছতে পৰিক্ষাৰ্থীৰ প্ৰতি মানসিকক অত্যাচাৰ বুলি অভিযোগ উঠিছে। বিয়াগোম এটা শিক্ষা বিভাগ থাকোতে তথা বিয়াগোম প্ৰশাসন থকাৰ পিছতো এটা পৰীক্ষা সুস্থিৰিভাৱে পৰিচালনা কৰিব নোৱাৰাত বিভিন্ন পক্ষই চৰকাৰক সমালোচনা কৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, বামুনীমৈদামস্থিত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ পৰীক্ষা নিয়ন্ত্ৰকে এক বিবৃতি যোগে পৰীক্ষা স্থগিত কৰাৰ কথা প্ৰকাশ কৰিছে। আনহাতে, শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সামাজিক মাধ্যম যোগে জৰুৰী জাননী দি পৰীক্ষা স্থগিত ৰখাৰ কথা ৰাজহুৱা কৰিছে। শিক্ষামন্ত্ৰী পেগুৱে কয় যে কাইলৈ, ২১ মাৰ্চ, ২০২৫ (বিয়লিৰ সময়সূচী)ত অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ গণিত বিষয়ৰ পৰীক্ষা অনিবাৰ্য কাৰণবশতঃ পিছুৱাই দিয়া হৈছে। পৰীক্ষাৰ নতুন তাৰিখ তথা বিস্তৃত তথ্য অতি সোনকালে অৱগত কৰা হ'ব। কিন্তু শিক্ষামন্ত্ৰী আৰু অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ এনে ঘোষণাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিৰোধী দল কংগ্ৰেছে চৰকাৰে এটা পৰীক্ষা সুচাৰুৰূপে পালন কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই হঠাতে পৰীক্ষা স্থগিত কৰাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যতক লৈ ইমান ল'ৰা ধেমালিৰ কিয় বুলি প্ৰশ্ন কৰে বৰাই। আন এক অভিযোগ মতে, ইতিমধ্যে ছপা হৈ থকা গণিত বিষয়ৰ প্ৰশ্নকাকতত ভুল ধৰা পৰিছে। যাৰ বাবে পৰীক্ষা স্থগিত কৰাৰ সিদ্ধান্ত লয় সিদ্ধান্ত ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে। কিন্তু পৰীক্ষা স্থগিত কিয় কৰিলে সেই কথা এতিয়ালৈ ৰাজহুৱা কৰা নাই চৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লজ্জাজনক! ফাদিল প্ৰশ্নকাকত, বাতিল

ফাদিল হোৱাৰ ঘটনাক লৈ অসম প্ৰদেশ কংগ্ৰেছে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনাৰ বিৰোধ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই শিক্ষামন্ত্ৰী ৰনোজ পেগুৰ পদত্যাগ দাবী কৰিছে। এক বিবৃতি যোগে ভূপেন কুমাৰ বৰাই কয় যে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ অংকৰ পৰীক্ষা হঠাতে কোনো কাৰণ নোহোৱাকৈ পিছুৱাই দিছে পৰীক্ষা নিয়ন্ত্ৰকে। একেদৰে শেহতীয়াকৈ গম পোৱা মতে, বৰপেটা জিলাৰ নৱম শ্ৰেণীৰ অংকৰ পৰীক্ষাৰ প্ৰশ্নকাকত আগতীয়াকৈ প্ৰকাশ হৈছে। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ চৰকাৰৰ এই ধৰণৰ হেতালি খেলিছে কিয়? চৰকাৰখনে ছাত্ৰ-ছাত্ৰীৰ বছৰটোৰ কষ্টৰ ফচলক লৈ ল'ৰা-ধেমালি খেলাত নিন্দনীয়ই নহয় ই অক্ষমনীয় অপৰাধ। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ বাৰে বাৰে এনেধৰণৰ হেতালি খেলি অহা কথাটোৱে ছাত্ৰ-ছাত্ৰীক মানসিকভাৱে হাৰাশাস্তি অভিযোগ উত্থাপন কৰি বৰাই কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আমোলত অসমৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত একেবাৰে সুৰক্ষিত নহয়। বাৰে বাৰে প্ৰশ্নকাকত আগতীয়াকৈ ফাদিল হৈছে। নিযুক্তি পৰীক্ষাৰ কাকতসমূহো আগতীয়াকৈ প্ৰকাশ হৈছে। এইখন চৰকাৰে বিদ্যায়তনিক পৰিৱেশ গঢ়াৰ পৰিৱৰ্তে এক হৈ-চৈ আৰু ৰং-ৰইছৰ পৰিৱেশৰ মাজত শিক্ষাৰ মূল বিষয়কসমূহক পাতল কৰাৰ অভিযোগ আনিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। শেহতীয়াকৈ মুখ্যমন্ত্ৰীয়ে মেট্ৰিক পৰীক্ষাৰ সমাজ অধ্যয়ন বিষয়ত ১০ নম্বৰকৈ বঢ়াই দিয়াৰ যি ঘোষণা কৰিছে সেয়াও বিজ্ঞানসন্মত নহয় বুলি বৰাই উল্লেখ কৰে। সমগ্ৰ ঘটনাৰ বাবে নৈতিক দায়িত্ব স্বীকাৰ কৰা অসমৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱা পদত্যাগ কৰা উচিত বুলিও মন্তব্য কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰপেটাত ফাদিল বছৰেকীয়াৰ

হৈছে এইখন অসমত। নামনি অসমৰ বৰপেটা জিলাত নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাত পৰীক্ষা বাতিল কৰিবলৈ বাধ্য হয় প্ৰশাসন। স্কুলৰ বছৰেকীয়া পৰীক্ষাৰো এতিয়া প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে সমগ্ৰ ৰাজ্যত। বছৰেকীয়া পৰীক্ষাৰ ইংৰাজী বিষয়ৰ প্ৰশ্ন ভাইৰেল হৈ পৰাৰ পিছতেই পৰীক্ষা বাতিলৰ নিৰ্দেশ দিয়ে প্ৰশাসনে। জানিব পৰা মতে, আজি আছিল নৱম শ্ৰেণীৰ ইংৰাজী বিষয়ৰ পৰীক্ষা। বৰপেটা জিলা পৰীক্ষা বৰ্ডৰ অধীনত অনুষ্ঠিত ইংৰাজী পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰী সাজু হোৱাৰ সময়তে নিশাই পৰীক্ষাত বাতিল ঘোষণা কৰাত ছাত্ৰ-ছাত্ৰী চিন্তাত পৰে। সমানে উদ্বেগ প্ৰকাশ কৰে অভিভাৱকে। অভিযোগ মতে, নিশা ইংৰাজী পৰীক্ষাৰ প্ৰশ্ন কাকত ভাইৰেল হোৱা বুলি জিলা পৰীক্ষা বৰ্ডে অৱগত হৈছিল। ইয়াৰ পিছতেই পৰীক্ষা বাতিলৰ সিদ্ধান্ত লয় কৰ্তৃপক্ষই। নিশাই বিদ্যালয়সমূহৰ পৰিদৰ্শকে এখন জাননী যোগে নৱম শ্ৰেণীৰ ইংৰাজী বিষয়ৰ পৰীক্ষা বাতিলৰ নিৰ্দেশ দিয়ে। বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিল ঘটনা সন্দৰ্ভত বৰপেটা আৰক্ষী থানাত পৰীক্ষা বৰ্ডে এজাহাৰ দাখিল কৰিছে। প্ৰশ্নকাকত বাতিলৰ ঘটনাক তীব্ৰ গৰিহণা দিছে বৰপেটা জিলা কংগ্ৰেছে। কংগ্ৰেছে বৰপেটা টাউনত প্ৰতিবাদ সাব্যস্ত কৰি শিক্ষামন্ত্ৰীৰ পুত্তলিকা দাহ কৰে। নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ ইংৰাজী প্ৰশ্নকাকত ফাদিল হোৱা ঘটনাৰ বিৰুদ্ধে জিলা কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। ৰাজ্য চৰকাৰ বিয়াগোম শিক্ষা বিভাগ আৰু প্ৰশাসনে ব্যৱস্থাটোৱে এটা পৰীক্ষা সুস্থিৰতাৰে অনুষ্ঠিত কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন হৈছে।

# মটেৰঝাৰৰ ৰায়পুৰত ডাম্পাৰৰ দৌৰাত্ম্যত অতিষ্ঠ ৰাইজ

**ই-সংবাদ, গোলকগঞ্জ, ২০ মাৰ্চঃ** ধুবুৰী বন সংমণ্ডলৰ মটেৰঝাৰ বীটৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ দ্বিতীয় খণ্ড, গড়েৰ পাৰ, লটকা, মটেৰঝাৰৰ বৰুণডাঙা আদি অঞ্চলত মাটি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্যত গ্ৰামাঞ্চলৰ ৰাইজ অতিষ্ঠ হৈ পৰিছে। আজি উত্তৰ ৰায়পুৰ দ্বিতীয় খণ্ড গাঁৱত একাংশ পুৰুষ-মহিলাই মাটি কঢ়িওৱা ডাম্পাৰৰ চলাচলত বাধা প্ৰদান কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বন বিভাগৰ লগত গোপন বুজাবুজি কৰি ভূ-মাফিয়াই গাঁওসমূহৰ কৃষি ভূমিত অবৈধ খনন কাৰ্য অব্যাহত ৰাখিছে। কৃষকক কিঞ্চিত ধন প্ৰদান কৰি খেতিৰ উপযোগী মাটি খনন কৰি খাল বিলত পৰিণত কৰিছে। অকল বন বিভাগৰ একাংশ বিষয়াক মেনেজ কৰি বিভাগীয় কৰ ফাঁকিৰে চলাইছে খনন কাৰ্য। যাৰ বাবে নিতৌ লাখ লাখ টকাৰ কৰ হেৰাই আছে চৰকাৰ। মাটিসমূহ জেচিবিৰে কাটি ডাম্পাৰেৰে যোগান ধৰা হৈ আছে বিভিন্ন ইটা ভাটাত। বিশেষকৈ দিনে নিশাই ডাম্পাৰৰ দৌৰাত্ম্যই নিদ্ৰা হৰিছে স্থানীয় ৰাইজৰ। ধূলিৰ কাৰণে ঘৰত থকা অসম্ভৱ হৈ পৰিছে। সাধাৰণ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয় অহা-যোৱা কৰাৰ ক্ষেত্ৰতো চৰম সমস্যাৰ সন্মুখীন হৈছে। মুঠতে ডাম্পাৰসমূহে সাধাৰণ ৰাইজৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। উপায়ন্তৰ হৈ উত্তৰ ৰায়পুৰ দ্বিতীয় খণ্ড গাঁৱৰ একাংশ পুৰুষ-মহিলা ঘৰৰ পৰা ওলাই আহি ডাম্পাৰসমূহ চলাচলত বাধা প্ৰদান কৰে। আজি চলাচল বন্ধ হৈ পৰে যদিও পথ সলনি কৰি খনন কাৰ্য অব্যাহত ৰাখিছে।



আৰক্ষীৰ বাধা, কংগ্ৰেছী নাচোৰবান্দা... ধেমাজিত প্ৰতিবাদৰ নেতৃত্বত জুবেৰ আনম, ফটোঃ সংগৃহীত

## গণতান্ত্ৰিক প্ৰতিবাদী সমদল উলিওৱাতো বাধা আৰক্ষীৰ

# যুৱ-কংগ্ৰেছৰ প্ৰতিবাদত কঁপিল ধেমাজি

**ই-সংবাদ, ধেমাজি, ২০ মাৰ্চঃ** জোনাইত বিজেপি বিধায়ক ভুবন পেগুৰ একছত্ৰী সম্ৰাট নেকি? বিজেপি বিৰুদ্ধে মাত মাতিলেই যেন বিপদৰ সন্মুখীন হ'ব লাগিব জোনাইত। গণতান্ত্ৰিকভাৱে সভা-সমিতিলৈ যোৱা দল-সংগঠনকো আগভেটি ধৰি প্ৰহাৰ কৰাৰ বহু অভিযোগ আছে ভুবন পেগুৰ বিৰুদ্ধে। মঙ্গলবাৰে জোনাই বিধান সমষ্টিত জাতীয় কংগ্ৰেছ দলৰ হৈ যুৱ কংগ্ৰেছ আৰু মহিলা শেষাংশ ৭ পৃষ্ঠাত

# জালুকবাৰী সমষ্টিত মাফিয়াৰ দখলত ভূমিহীনলৈ আৱণ্টিত মাটি

## তাঁতবাতি কৰিও মুখ্যমন্ত্ৰীৰ সাক্ষাৎ পোৱা নাই ভুক্তভোগীয়ে

**ই-সংবাদ, শুৱালকুছি, ২০ মাৰ্চঃ** মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত শুৱালকুছিৰ এগৰাকী দুৰ্ভগীয়া ভূমিহীন পৰিয়ালৰ কৰুণ কাহিনী। ভূমিহীন পৰিয়ালটোলৈ চৰকাৰে আৱন্টন দিয়া এবিঘা ভূমি এতিয়া ভূ-মাফিয়াৰ দখলত। আৱণ্টিত ভূমি বিচাৰি গাঁঠিৰ ধনভাঙি ইটোৰ পিছত সিটো চৰকাৰী কাৰ্য্যালয়ৰ পদূলিয়ে পদূলিয়ে ঘূৰি ফুৰিছে যদিও শুৱালকুছি ন-পাৱাৰ মিনু বৈশ্যৰ পৰিয়ালে চৰকাৰে আৱন্টন দিয়া ভূমি আজিলৈকে ঘূৰাই পোৱা নাই বুলি অভিযোগ মিনু বৈশ্য আৰু পৰিয়ালৰ। শেষাংশ ৮ পৃষ্ঠাত

# বিহুৰ মঞ্চত নচলিব হিন্দী গীতৰ পয়োভৰ শিল্পীলৈ আন্তৰিক আহ্বান আলফা(স্বা)ৰ

**ই-সংবাদ, ২০ মাৰ্চঃ** সাত বিহুৰ দিনকেইটাত বিহু মঞ্চত হিন্দী গীত পৰিৱেশন নকৰিবলৈ শিল্পীসকলক আহ্বান জনাইছে আলফা স্বাধীন সংগঠনটোৱে। সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা এটা প্ৰেছ বিবৃতিত নিষিদ্ধ ঘোষিত সংগঠনটোৱে এই আহ্বান জনাইছে। শেষাংশ ৮ পৃষ্ঠাত

# তামুলপুৰত কংগ্ৰেছী বিধায়কৰ সক্ৰিয়তাৰ খতিয়ান দিলে বিধায়ক ৰেকিবুদ্দিনে

**ই-সংবাদ, তামুলপুৰ, ২০ মাৰ্চঃ** তামুলপুৰৰ ৰাজীৱ ভৱনত আজি কংগ্ৰেছৰ ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেল সম্বোধন কৰি কংগ্ৰেছী বিধায়কগৰাকীয়ে কয় যে পঞ্চদশ অসম বিধানসভাৰ অন্তিমখন পূৰ্ণাংগ বাজেট অধিৱেশনত কংগ্ৰেছ বিধায়িনী দলৰ সদস্যসকলে ৰাজ্যখনৰ শেষাংশ ৯ পৃষ্ঠাত

# গুৱাহাটীত ন্যায়িক দণ্ডাধীশৰ গাড়ীৰ খুন্দাত এজন ব্যক্তি মৃত্যুমুখত

**ই-সংবাদ, ২০ মাৰ্চঃ** গুৱাহাটীৰ পাণবজাৰ এলেকাত আজি পুৱা ন্যায়িক দণ্ডাধীশৰ গাড়ীৰ খুন্দাত এজন ব্যক্তিৰ মৃত্যু হৈছে। নিহত লোকজন মৃগেন গোস্বামী বুলি পৰিচয় পোৱা গৈছে। শেষাংশ ৭ পৃষ্ঠাত

# গেলেকীত আৰম্ভ বছৰজোৰা পঠন-লিখন কৰ্মশালা

**ই-সংবাদ, গেলেকী, ২০ মাৰ্চঃ** শিৱসাগৰ জিলাৰ গেলেকীৰ ন-পুখুৰী শাখা সাহিত্য সভাৰ উদ্যোগত আৰু নাহৰগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনত 'ক' শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৰ্ষজোৰা পঠন শেষাংশ ৮ পৃষ্ঠাত

# কাহিলীপাৰাত আৰক্ষী জোৱানৰ শেষ সিদ্ধান্ত

**ই-সংবাদ, ২০ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ কাহিলীপাৰাস্থিত ১০ম আৰক্ষী বেটেলিয়নত এজন আৰক্ষী জোৱানৰ আত্মহত্যা। দশম অসম আৰক্ষী বেটেলিয়নত কৰ্মৰত জোৱান ৰুবুল আলীৰ আত্মহননৰ ঘটনাই যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিছে। কিন্তু কিয় জোৱানজনে এনে শেষাংশ ৮ পৃষ্ঠাত

## অন্ত পৰিল তিনি বছৰীয়া যাত্ৰা

# চহলৰ বিবাহ বিচ্ছেদত অৱশেষত আইনী মোহৰ

**ই-সংবাদ, ২০ মাৰ্চঃ** অৱশেষত অন্ত পৰিল ক্ৰিকেটাৰ যুজবেন্দ্ৰ চহল আৰু নৃত্য পৰিচালিকা ধনশ্ৰী বাৰ্মাৰ বিবাহ। মুম্বাইৰ বান্দ্ৰাৰ এখন পৰিয়াল আদালতে বৃহস্পতিবাৰে তেওঁলোকৰ পাৰস্পৰিক সন্মতিৰে বিবাহ বিচ্ছেদ শেষাংশ ৭ পৃষ্ঠাত

# বিতৰ্কিত ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ ঋতু কলিতাক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২০ মাৰ্চঃ** দিছপুৰ আৰক্ষীয়ে বিতৰ্কিত ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ ঋতু কলিতাক গ্ৰেপ্তাৰ কৰিছে। ফেচবুকত অসমৰ শিল্পীসমাজৰ বিৰুদ্ধে অশালীন মন্তব্যৰ অভিযোগত তেওঁৰ বিৰুদ্ধে শিল্পী সমাজে গোচৰ ৰুজু কৰিছিল। বুধবাৰে দিছপুৰ থানাত এই সম্পৰ্কে এজাহাৰ দাখিল কৰা হয়। শিল্পী সমাজৰ প্ৰতিবাদকাৰী গোটৰ উপৰিও সদৌ অসম একত্ৰিত যুৱ পৰিষদেও একে অভিযোগত পৃথক গোচৰ ৰুজু



কৰে। দিছপুৰ আৰক্ষী থানাত ২৬১/২৫ নম্বৰত ন্যায় সংহিতাৰ ২৯৬, ৩৫২, ৩৫৬(২), ৩৫১ আৰু তথ্য প্ৰযুক্তি আইনৰ ধাৰা ৬৬ ধাৰাত গোচৰ ৰুজু কৰা হয়। উল্লেখযোগ্য যে, ঋতু কলিতাই ফেচবুকত শেষাংশ ৮ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# যুৱ-কংগ্ৰেছৰ প্ৰতিবাদত কঁপিল ধেমাজি

কংগ্ৰেছ এক সজাতি দলে মেচাকি চাপৰি অঞ্চললৈ দলীয় এক সভালৈ যোৱাৰ সময়ত ভূৱন পেগুৰ ভেৰোনীয়া গুণ্ডা বাহিনীয়ে বাটত আগচি ধৰি মাৰপিট কৰিবলৈ অধিকাৰ ক'ত পালে? মহিলাক অশালীন মন্তব্য কৰিবলৈ উক্ত দুৰ্বৃত্ত দলে কেনেকৈ সাহস পালে এই প্ৰশ্ন কৰে অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ আনমে। আনমে ধেমাজি প্ৰশাসনলৈ প্ৰশ্ন কৰে, ঘটনাটো সংঘটিত হোৱাৰ পিছত, যুৱ কংগ্ৰেছৰ নেতাক মূৰত প্ৰহাৰ কৰি ডিব্ৰুগড় অসম মেডিকেল কলেজত ভৰ্তি হোৱাৰ পাছতো, সমান্তৰালকৈ দুস্কৃতিকাৰীক চিনাক্ত কৰি গোচৰ দিয়াৰ পিছতো অভিযুক্তলৈ দৰদ কিয় ধেমাজি প্ৰশাসনৰ? যুৱ-কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গৰাকীৰ ধেমাজি আৰক্ষীক পুনৰ প্ৰশ্ন, ঘটনাৰ পিছত দুস্কৃতিকাৰীক আৰক্ষীয়ে মাতি কেনেকৈ আধাঘন্টাত জামিনৰ ব্যৱস্থা কৰিলে। তদন্তকাৰী আৰক্ষী বিষয়াজনে কিহৰ ভিত্তিত মাৰধৰ কৰা আৰু প্ৰাণনাশৰ ভাবুকি দিয়া দুস্কৃতিকাৰী দলটোক বুজাপৰাত এৰি দিলে ইয়াক লৈ সাঁথৰ বুলি অভিযোগ কৰে আজি ধেমাজি জিলা যুৱ-কংগ্ৰেছৰ উদ্যোগত উলিওৱা প্ৰতিবাদী সভাত। উল্লেখ্য, আজি ধেমাজিত আৰক্ষীয়ে জিলা ইন্দিৰা ভৱনৰপৰা গণতান্ত্ৰিকভাৱে বাহিৰ কৰা কংগ্ৰেছৰ প্ৰতিবাদী দলক প্ৰতিবাদ মষিমূৰ কৰিবলৈ মোতায়েন কৰে হাজাৰ হাজাৰ আৰক্ষী-অৰ্ধ সামৰিক বাহিনী। পুৱাৰে পৰা হালধীয়া প্ৰকাণ্ড ৰছী লৈ ইন্দিৰা ভৱনৰ সন্মুখত লক্ষ্মণৰেখা বান্ধি দিয়ে ধেমাজি প্ৰশাসনে। অৱশ্যে ৰাজ্যিক যুৱ-কংগ্ৰেছৰ নেতৃত্বই গণতান্ত্ৰিক ভাষাৰে আৰু সাহসৰে বেষ্ট ভাঙি নিৰ্দিষ্ট দিশেৰে প্ৰতিবাদী সমদল বাহিৰ কৰে। তাৰ পিছতে পুনৰ ১০০ মিটাৰ প্ৰতিবাদী যাত্ৰাৰ পিছতে তীব্ৰ বাধা প্ৰদান কৰে ধেমাজি প্ৰশাসনে। ফলত আৰক্ষী আৰু যুৱ-কংগ্ৰেছৰ মাজত তীব্ৰ হতাহতি, অৰিয়াঅৰি আৰু হিংসাত্মক ৰূপ ধাৰণ কৰে। শেষত ধেমাজি আৰক্ষী অধীক্ষকে আহি পৰিস্থিতি মোকাবিলা কৰে। প্ৰতিবাদকাৰী ৰাজপথতে বহি পৰে আৰু আৰক্ষী অধীক্ষকলৈ তীব্ৰ বাক্যবান নিক্ষেপ কৰে। প্ৰতিবাদ আৰু অৰিয়া-অৰিৰ মাজতে জিলা আৰক্ষী অধীক্ষকে আশ্বাস দিয়ে শীঘ্ৰে অপৰাধীক কৰায়ত্ত কৰিব ধেমাজি প্ৰশাসনে। উল্লেখ্য,মঙ্গলবাৰে দিনত জোনাই চিমেন চাপৰিত কংগ্ৰেছ দলীয় সভাত অংশগ্ৰহণ কৰিবলৈ যোৱা দলীয় নেতা আৰু মহিলা নেত্ৰীৰ ওপৰত আক্ৰমণ চলাইছিল শাসকীয় দলৰ বিধায়ক ভূৱন পেগুৰ গুণ্ডা বাহিনীয়ে। উপৰিজুপৰি আক্ৰমণ চলাইছিল এক দলীয় সভাত ভাগ ল'বলৈ যোৱা কংগ্ৰেছ দলৰ নেতা কৰ্মীক। ডিব্ৰুগড়ত চিকিৎসাধীন হ'বলগীয়া যুৱ কংগ্ৰেছৰ নেতা-কৰ্মী। ঘটনাত গুৰুতৰ ভাৱে আঘাট পাই ধেমাজি জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰহিম পেগু, প্ৰদেশ কংগ্ৰেছৰ এছটি কোষৰ সাধাৰণ সম্পাদক বিক্ৰম ৰামছিয়াৰী, মুৰ্ককচেলেং ব্লকৰ সভাপতি তুনিৰাম দলে, বাণীকান্ত দলেৰ লগতে মহিলা নেত্ৰী কনকলতা পাটিৰ, ৰশ্মি দলে সহ কেইবাজনো কংগ্ৰেছ কৰ্মী। উক্ত গুণ্ডা বাহিনীয়ে কংগ্ৰেছ নেতাসকলৰ প্ৰাণ লোৱাৰ ভাবুকি দিয়ে। তাৰোপৰি কংগ্ৰেছ কৰ্মীয়ে নিয়া এআৰ-০১-এইচ-৯৩৫১ নম্বৰৰ এখন স্কৰপিঅ' গাড়ী ভাঙি চুৰমাৰ কৰি পেলায়। দুৰ্বৃত্তৰ দলটোত দা-কুঠাৰ, টাঙোন আদি নিয়া বুলি অভিযোগ কৰে। দিনৰ পোহৰত প্ৰায় ১১ বজাত এই ঘটনা সংঘটিত হোৱা বুলি জানিবলৈ দিয়ে কংগ্ৰেছ নেতৃত্বয়ে। এই সংক্ৰান্তত এখন চিমেন চাপৰি থানাত এজাহাৰ দিছিল কংগ্ৰেছ দলৰ ভুক্তভোগী কৰ্মীয়ে। এজাহাৰত ক্ৰমে অভিযুক্ত মনমোহন দলে, হিতেশ পেগু, মেঘা দলে, অনুপ দলে, ভৱেশ মিপুন, হেম পেগু, নৱজ্যোতি আৱাক, ভৱত পাটিৰ সহ প্ৰায় ১০ জনীয়া অচিনাক্ত লোকে আক্ৰমণ কৰা বুলি কংগ্ৰেছ দলে দিয়া এজাহাৰত উল্লেখ কৰা হৈছিল। তিৰ পিছতে অভিযুক্তক গেপ্তাৰৰ পৰিবৰ্তে অপৰাধীৰ লগত আৰক্ষী হাত মিলোৱা বুলি অভিযোগ তোলে। মন কৰিবলগীয়া যে, আজি প্ৰতিবাদী সমদলৰ আগৰে পৰা শ শ আৰক্ষী-চিৰ আৰ.পি মোতায়েন কৰে ধেমাজি প্ৰশাসনে। ধেমাজি ইন্দিৰা ভৱনৰ পৰা প্ৰতিবাদী সমদলটো লৰচৰ কৰিব দিয়া নাছিল যদিও প্ৰায় ঘন্টাৰ পিছত গণতান্ত্ৰিক ভাৱে প্ৰতিবাদ বাহিৰ কৰে। তাৰ পিছতে চলিল আৰক্ষী-যুৱ কংগ্ৰেছৰ প্ৰচন্দ হেচা-ঠেলা, অৰিয়াঅৰি, মাৰপিটৰ দৰে কাণ্ড। ৰাজপথতে বহি পৰিল প্ৰতিবাদী কংগ্ৰেছ দলে। শেষত, ধেমাজি জিলা আৰক্ষী অধীক্ষকে আহি আশ্বাস দিয়াৰ পিছতে প্ৰতিবাদ ক্ষান্ত হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত ন্যায়িক দণ্ডাধীশৰ গাড়ীৰ

ঘটনাস্থলীতেই তেখেতৰ মৃত্যু হয় বুলি নিশ্চিত হৈছে। ঘটনাটোৰ সময়ত গাড়ীখনত ন্যায়িক দণ্ডাধীশ উপস্থিত আছিল বুলি জনা গৈছে। প্ৰথমশ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ বাহন বুলি চিনাক্ত কৰা গাড়ীখন তীব্ৰ গতিত থকাৰ সময়তে ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে। মৃত ব্যক্তিজনক গাড়ীখনে খুন্দা মাৰাৰ পিছত তৎক্ষণাত চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসকে তেখেতক মৃত ঘোষণা কৰে। লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰা হয়। ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয়ৰ ফালৰ পৰা এতিয়ালৈকে কোনো আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰা হোৱা নাই। স্থানীয় বাসিন্দাসকলৰ মতে, পাণবজাৰ এলেকাত আজিকালি প্ৰায়ে পথ দুৰ্ঘটনা সংঘটিত হয়। প্ৰায়ে যান-জঁট সৃষ্টি হয় যদিও প্ৰশাসনে ব্যৱস্থা লোৱা নাই। যান-বাহন নীতি কঠোৰভাৱে প্ৰয়োগ কৰিবলৈও দাবী ৰাইজৰ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চহলৰ বিবাহ বিচ্ছেদত আইনী মোহৰ

আবেদন মঞ্জুৰ কৰে। চাৰে তিনিবছৰীয়া বৈবাহিক জীৱনৰ অন্তত অৱশেষত বিচ্ছেদ ঘটে চহল-ধনশ্ৰীৰ। চহলৰ অধিবক্তাই কয় যে আদালতৰ সিদ্ধান্ত অনুসৰি তেওঁলোকক আৰু স্বামী-স্ত্ৰী হিচাপে গণ্য কৰা নহ'ব। ইয়াৰ এদিন পূৰ্বে চহল আৰু ধনশ্ৰীয়ে যৌথভাৱে বোম্বে' উচ্চ ন্যায়ালয়ত এখন আৱেদন দাখিল কৰি চলি থকা বিবাহ বিচ্ছেদ গোচৰত বাধ্যতামূলক ছমাহৰ 'কুলিং অফ' সময়সীমা ৰেহাই বিচাৰিছিল।ন্যায়াধীশ মাধৱ জামদাৰৰ বিচাৰপীঠে আবেদন মঞ্জুৰ কৰি পৰিয়াল আদালতক বৃহস্পতিবাৰৰ ভিতৰত চূড়ান্ত ৰায়দান কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ কাৰণ হিচাপে চহলৰ আইপিএলৰ সূচীও উল্লেখ কৰা হৈছিল। জানিব পৰা মতে, ১৮ কোটি টকাৰ বিনিময়ত পঞ্জাব কিংছে চাহালক চুক্তিবদ্ধ কৰিছে। ভাৰতীয় আইন অনুসৰি যদি কোনো দম্পতীয়ে এবছৰ বা তাতোকৈ অধিক সময় পৃথকে বসবাস কৰি থকাৰ প্ৰমাণ পোৱা যায় তেন্তে তেওঁলোকে পাৰস্পৰিক সন্মতিৰে বিবাহ বিচ্ছেদৰ বাবে আবেদন কৰিব পাৰে। কিন্তু হিন্দু বিবাহ আইনৰ ১৩বি(২) ধাৰা অনুসৰি আবেদন দাখিল কৰাৰ পিছত কমেও ছমাহ অপেক্ষা কৰিব লাগে, যাতে মিলনৰ সম্ভাৱনা থাকে। কিন্তু ২০১৭ চনত এক ঐতিহাসিক ৰায়দানত উচ্চতম ন্যায়ালয়ে উল্লেখ কৰিছিল যে যদিহে আদালতে মিলন সম্ভৱ নহয় বুলি প্ৰমাণ কৰে তেন্তে আদালতে এই ছমাহৰ চৰ্ত ত্যাগ কৰিব পাৰে। ইফালে ধনশ্ৰী বাৰ্মাৰ সৈতে বিচ্ছেদ হোৱাৰ পিছত চহলৰ ব্যক্তিগত জীৱনক লৈ বিভিন্ন উৰাবাতৰি বিয়পি পৰিছে। শেহতীয়াকৈ চহলক কেইবাবাৰো আৰ জে মাহৱাছ নামৰ ছ'চিয়েল মিডিয়া তাৰকা এগৰাকীৰ সৈতে দেখা পোৱা গৈছিল, যাৰ ফলত জল্পনা-কল্পনাৰ সৃষ্টি হৈছিল। বৰদিনৰ উদযাপনৰ এখন ফটোও যোৱা ডিচেম্বৰ মাহত ভাইৰেল হৈছিল। অৱশ্যে ইনষ্টাগ্ৰামত মাহৱাছে এই উৰাবাতৰি খাৰিজ কৰি কয়, কেৱল একেলগে দেখাৰ বাবেই সম্পৰ্কৰ উৰাবাতৰি প্ৰচাৰ কৰাটো অনুচিত। মন কৰিবলগীয়া, আইপিএলৰ ইতিহাসত সৰ্বাধিক উইকেট লোৱাৰ অভিলেখ চহলৰ হাতত আছে। ডুৱাইন ব্ৰাভোৰ ১৮৩টা উইকেটৰ অভিলেখ অতিক্ৰমি ১৬০খনতকৈও অধিক মেচত ২০৫টা উইকেট দখল কৰিছে চহলে। ২০২২ চনত ৰাজস্থান ৰয়েলছৰ হৈ ২৭টা উইকেটৰে পাৰ্পল কেপ লাভ কৰিছিল। যোৱা ছিজনত ২০০ উইকেটৰ মাইলৰ খুঁটিত উপনীত হোৱা প্ৰথমজন ক্ৰিকেটাৰ হিচাপে পৰিগণিত হৈছিল চহল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জালুকবাৰী সমষ্টিত ভূমিহীনলৈ

উল্লেখ্য, মধ্য শুৱালকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত ন-পাৰা নিবাসী মিনু বৈশ্যই নিজা ভূমি নথকাত কামৰূপ আয়ুক্তলৈ ভূমি বিচাৰি এখন আবেদন কৰিছিল। সেই আবেদন ভিত্তিতে ২০১৭ চনত ভূমিহীন নীতিৰ অধীনত হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ অধীনত শুৱালকুছিত নতুনকৈ নিৰ্মাণ হৈ থকা শুৱালকুছি অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু শুৱালকুছি উন্নয়ণ খণ্ডৰ সমীপত চৰকাৰী ৭৯০ নং দাগত ১ বিঘা ভূমি অসম চৰকাৰৰ ফালৰপৰা মিনু বৈশ্যৰ নামত আৱণ্টন দিয়া হৈছিল। চৰকাৰী নিয়ম অনুযায়ী হাজো ৰাজহ চক্ৰৰ লাটমণ্ডলসহ চৰকাৰী বিষয়াই জোখমাখ কৰি মিনু বৈশ্যক চমজাই দিছিল ভূমিহীন হিচাপে লাভ কৰা ভূমি। চৰকাৰে আৱণ্টন দিয়াৰ পিছতে সেই মাটি দখল গ্ৰহণ কৰিছিল মিনু বৈশ্যৰ পৰিয়ালটোৱে। কিন্তু ধনৰ অভাৱৰ বাবে দুখীয়া পৰিয়ালটোৱে সেই ভূমিত নিজৰ গৃহ নিৰ্মাণ কৰিব পৰা নাছিল। সেই দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি ৰাজনৈতিকভাৱে অতি শক্তিশালী ঠিকাদাৰ-ব্যৱসায়ীয়ে দখল কৰি লোৱাৰ অভিযোগ মিনু বৈশ্যৰ। বিষয়টো সন্দৰ্ভত মিনু বৈশ্যই হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যলয়ত, কামৰূপ আয়ুক্ত কাৰ্য্যালয় ওচৰত অভিযোগ দাখিল কৰিছে যদিও আজিলৈকে আৱণ্টন পোৱা ভূমি ঘূৰাই নোপোৱাৰ অভিযোগ মিনু বৈশ্যৰ। এই সন্দৰ্ভত স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো সাক্ষাৎ কৰিছিল পৰিয়ালটোৱে। মুখ্যমন্ত্ৰীয়ে মিনু বৈশ্যৰ নামত চৰকাৰে প্ৰদান কৰা ভূমি সন্দৰ্ভত কামৰূপ জিলা প্ৰশাসনক নিৰ্দেশো জাৰি কৰে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাৰ পিছতো কিন্তু আজিলৈকে মিনু বৈশ্যই ঘূৰাই পোৱা নাই ভূমি। মুখ্যমন্ত্ৰীয়ে নিৰ্দেশৰ দিয়াৰ পিছতো কি কাৰণত আৱণ্টিত ভূমি আজিলৈকে নাপালে সেয়া এক ডাঙৰ ৰহস্য! যাৰ বাবে দুৰ্ভগীয়া পৰিয়ালটোৱে লাভ কৰা ভূমি বেদখলকাৰীৰ পৰা মুক্ত কৰি দিয়াৰ লগতে ভূমিখিনি পোৱাৰ ব্যৱস্থা কৰি দিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিতৰ্কিত ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ

অসমৰ কণ্ঠশিল্পীসকলৰ বিহু উদযাপনৰ সৈতে জড়িত সামাজিক আৰু সাংস্কৃতিক প্ৰতিমূলক কথাকেন্দ্ৰিক কৰি সমালোচনা আগবঢ়োৱাৰ সময়ত অশালীন শব্দৰ ব্যৱহাৰ কৰা বুলি অভিযোগ উঠে। এই মন্তব্যই শিল্পী সমাজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, যাৰ ফলত আইনী কাৰ্য্যৰ দিশে অগ্ৰসৰ হয় শিল্পী সমাজ। বৰ্তমান ঋতু কলিতাক জেৰা কৰি থকা বুলি জানিব পৰা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কাহিলীপাৰাত আৰক্ষী জোৱানৰ শেষ

সিদ্ধান্ত গ্ৰহণ কৰিলে, সেয়া এতিয়াও জানিব পৰা নাযায়। ইতিমধ্যে আৰক্ষীয়ে এই ঘটনাক লৈ তদন্ত আৰম্ভ কৰিছে। জোৱানজনক অপ্ৰকৃতিস্থ ৰূপত দেখাৰ পাছতে তেওঁক উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়া হৈছিল যদিও পৰৱৰ্তী সময়ত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। ইতিমধ্যে ৰুবুল আলীৰ শৰদেহৰ পোষ্টমৰ্টেম কৰা হৈছে। ঘটনাৰ পাছতেই ৰুবুল আলীৰ পৰিয়ালক এই দুৰ্বাৰ্তা জনোৱা হয়। এই অনাকাংক্ষিত ঘটনাই স্বাভাৱিকতে সহকৰ্মীসকলৰ মাজত শোকৰ ছাঁ পেলাইছে। ঘটনা সন্দৰ্ভত আৰক্ষী কৰ্তৃপক্ষই কোনো আনুষ্ঠানিক বিবৃতি বাতৰি লিখা পৰলৈকে জাৰি কৰা নাই। আৰক্ষীৰ তদন্তহে পৰৱৰ্তী সময়ত পোহৰলৈ আহিব ঘটনাৰ প্ৰকৃত কাৰণ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গেলেকীত আৰম্ভ বছৰজোৰা পঠন

আৰু লিখন কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে পুৰা বন্তি প্ৰজ্বলন কৰে ন-পুখুৰী শাখাৰ সভাপতি দিলীপ মহন্তই। ন-পুখুৰী শাখা সাহিত্য সভাৰ সম্পাদক দিপালী দুৱৰাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ পঠন আৰু লিখনৰ দক্ষতা বিকাশৰ উদ্দেশ্যে অনুষ্ঠিত কৰা কৰ্মশালাখনিৰ উদ্বোধন কৰে ন-পুখুৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কুমুদ কলিতাই। কৰ্মশালাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সাধাৰণ সম্পাদক দেৱযানী শইকীয়া গগৈয়ে কয় যে, বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলক পঠন আৰু লিখনৰ কৰ্মশালা দিয়াটো অতীৱ প্ৰয়োজনীয়। প্ৰাথমিক বিদ্যালয়তে ভাষা শুদ্ধকৈ ক'ব আৰু লিখিবলৈ নিশিকিলে ওৰে জীৱনলৈ কেৰোণ থাকি যায়। সেয়েহে বিদ্যালয়তে এই কেৰোণসমূহ ভাঙিবলৈ এনে কৰ্মশালা আয়োজন কৰাটো আদৰণীয় পদক্ষেপ বুলি মন্তব্য কৰে। কৰ্মশালাত শ্ৰৱণ, পঠন, লিখন, কথন, যতি চিহ্ন, জিভাৰ কেঁকুৰি, আখৰৰ শুদ্ধ পাক আদি বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়া হয়। উল্লেখ্য যে এই কৰ্মশালা ন পুখুৰী শাখা সাহিত্য সভাৰ উদ্যোগত বিভিন্ন বিদ্যালয়ত বৰ্ষজুৰি প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে। কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে শিমলুগুৰি শাখা সাহিত্য সভাৰ সভানেত্ৰী ইলা মহন বুঢ়াগোহাঁই আৰু নাজিৰা গ্ৰাম্য মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সংগীতা গগৈয়ে। কৰ্মশালাত শাখাৰ উপ-সভাপতি হেমন্ত গগৈ, পৰিমল মহন আদিয়ে বক্তব্য প্ৰদান কৰে। অমৰ শৰ্মা, দীপক ৰয়, অৰুণ তাছা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থকা কৰ্মশালাত যথেষ্টসংখ্যক প্ৰশিক্ষাৰ্থী উপস্থিত থাকে। ন-পুখুৰী শাখা সাহিত্য সভাৰ এই উদ্যোগক অভিভাৱক-অভিভাৱিকা তথা স্থানীয় ৰাইজে শলাগ লয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিহুৰ মঞ্চত নচলিব হিন্দী গীতৰ

সংগঠনটোৰ সহকাৰী প্ৰচাৰ সম্পাদক ঈশান অসমৰ স্বাক্ষৰ সম্বলিত প্ৰেছ বিবৃতিটোত উল্লেখ কৰা হৈছে যে, হিন্দী গীত বিহুৰ স'তে কোনো ফালৰ পৰাই সংপৃক্ত নহয়। বিবৃতিটোত লিখা হৈছে, ব'হাগ বিহুৰ তাৎপৰ্য আৰু স্বকীয়তা আমি মনত ৰখা ভাল, যিয়ে থলগিৰি জাতীয় জীৱনক প্ৰতিনিধিত্ব কৰি আহিছে। কিন্তু শেহতীয়াকৈ বিহু সন্মিলন আয়োজনৰ নামত একাংশ বিহু সমিতিয়ে বিহুৰ স্বকীয়তাক বিসৰ্জন দি হিন্দী গীতৰ প্ৰয়োভৰ ঘটোৱাৰ যো-জা চলাইছে ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। ইয়াৰ বিৰুদ্ধে "সংযুক্ত মুক্তি বাহিনী, অসম [স্বাধীন]" সংগঠনে পূৰ্বতেও কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে । কিয়নো হিন্দী গীত বিহুৰ স'তে কোনো ফালৰ পৰাই সংপৃক্ত নহয়। পশ্চিমীয়া বিজতৰীয়া সংস্কৃতিৰ আগ্ৰাসনে ক্ৰমান্বয়ে সংকুচিত কৰি অনা থলগিৰি আয়ুস স্বৰূপ বিহুটিৰ মাজতো যদি হিন্দী গীতক প্ৰাধান্য দিব লগা হয় তেনেহ'লে বিহুটি আৰু অসমৰ থলগিৰিৰ জাতীয় উৎসৱ হৈ নাথাকিব; আৰু "সংযুক্ত মুক্তি বাহিনী, অসম [স্বাধীন]" সংগঠনে তেনে হ'বলৈ দিব নোৱাৰে। পাহৰি যোৱা অনুচিত যে একোটা জাতি আৰু জাতীয় সংস্কৃতিৰ ঊৰ্দ্ধত কোনো বিহু সমিতিৰ বিষয়ববীয়া অথবা কোনো কণ্ঠশিল্পী/গায়ক-গায়িকা হ'ব নোৱাৰে। সেয়েহে বৃহত্তৰ গুৱাহাটী বিহু সমিতিৰ লগতে অন্যান্য বিহু সমিতি সমূহে ব'হাগৰ প্ৰথম সাত দিন [সাত বিহু] ত হিন্দী গীত পৰিৱেশনৰ অনুমতি বাতিল কৰক। একে সময়তে জুবিন গাৰ্গ, অংগৰাগ মহন্ত লগতে অন্যান্য কণ্ঠ শিল্পী, গায়ক-গায়িকা সকলক সাত-বিহুৰ সময়চোৱাত বিহু মঞ্চত হিন্দী গীত পৰিৱেশনৰ পৰা বিৰত থাকিবলৈ "সংযুক্ত মুক্তি বাহিনী, অসম [স্বাধীন]" সংগঠনৰ তৰফৰ পৰা আন্তৰিকতাৰে আহ্বান জনোৱা হ'ল। আলফা স্বাধীনে প্ৰেছ বিবৃতি যোগেদি জনোৱা এই আন্তৰিক আহ্বানৰ প্ৰতি অসমৰ শিল্পীসমাজে কিদৰে সঁহাৰি আগবঢ়ায়, সেয়া সময়তহে লক্ষণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# তামুলপুৰত কংগ্ৰেছী বিধায়কৰ

জনজীৱনৰ মৌলিক সমস্যাৱলী বিধানসভাৰ মজিয়াত তুলি ধৰাৰ ক্ষেত্ৰত সৰ্বাত্মক আত্মনিয়োগ কৰিছে। গণতান্ত্ৰিক ব্যৱস্থাত শাসক-বিৰোধী দুয়োটা পক্ষৰেই নিৰ্বাচিত জনপ্ৰতিনিধিসকলক ৰাইজে তেওঁলোকৰ মৌলিক সমস্যাৱলী তুলি ধৰিবলৈ আইন সভালৈ নিৰ্বাচিত কৰে। শাসকীয় পক্ষৰ দায়িত্ব হ'ল জনগণৰ সমস্যা সমাধান কৰা আৰু বিৰোধীৰ দায়িত্ব হ'ল জনগণৰ মৌলিক তথা মৌলিক সমস্যৱলী শাসকীয় পক্ষৰ দৃষ্টিগোচৰ কৰা। তদুপলক্ষে আমি বিৰোধী দল হিচাপে পঞ্চদশ অসম বিধানসভাৰ অন্তিম খন পূৰ্ণাংগ বাজেট অধিৱেশনৰ ১৭ ফেব্ৰুৱাৰী ২০২৫ ইং তাৰিখে কোকৰাঝাৰত এদিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ হোৱা বাজেটত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অসমৰ জনজাতীয় সমাজৰ আৰ্থ-সামাজিক, ভাষিক আৰু সাংস্কৃতিক ঐতিহ্য ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আমাৰ সংবিধান সভ্যই কি প্ৰেক্ষাপটত শান্ত্য অনুসূচীভুক্ত শায়ত্তশাসিত পৰিষধীয় ব্যৱস্থাটো গঢ়ি তুলিছিল তাৰ ইতিহাস দাঙি ধৰে। ২০২৩ চনত বিটিচি চুক্তিৰ জৰিয়তে ভৈয়াম অঞ্চললৈ ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসিত ব্যৱস্থাটো সম্প্ৰসাৰিত হোৱাৰ ফলত উদ্ভৱ হোৱা নতুন পৰিস্থিতি বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ ঐক্য, সমন্বয়, উন্নয়ন আৰু সাংবিধানিক অধিকাৰসমূহ ৰক্ষা সম্পৰ্কীয় বিভিন্ন দিশ চৰকাৰৰ দৃষ্টিগোচৰ কৰে। বিৰোধীৰ যুক্তিপূৰ্ণ বক্তব্য খণ্ডন কৰিবলৈ মুখ্যমন্ত্ৰীৰ ষষ্ঠ অনুসূচীভুক্ত এলেকালৈ কেন্দ্ৰীয় চৰকাৰে কোনো পুঁজিৰ যোগান নধৰা বুলি এক অসত্য বক্তব্য দাঙি ধৰে। বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই বিষয়ে পিছলৈ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিশেষ অধিকাৰ ভংগৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ এক জাননী দাখিল কৰি প্ৰস্তাৱটো বিধানসভাত গৃহীত কৰাবলৈ জোৰ দিয়ে যদিও অসম বিধানসভাৰ অধ্যক্ষই প্ৰস্তাৱটো আগ্ৰাহ্য কৰে। ইয়াৰ পিছত ২০ ফেব্ৰুৱাৰীত কংগ্ৰেছৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে বিধানসভাৰ শূন্যকালীন ঘণ্টাত চৰকাৰী চিকিৎসালয়সমূহত ঔষধৰ অভাৱৰ লগতে ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ বিভিন্ন সমস্যাৱলী তুলি ধৰে। কংগ্ৰেছ বিধায়িনী দলৰ নেতা দেৱব্ৰত শইকীয়াই অসম চৰকাৰৰ চৰকাৰী ভাষ্য আইন ১৯৫৯ কাৰ্যকৰী নকৰাত ক্ষোভ প্ৰকাশ কৰি এই আইন কাৰ্যকৰী কৰিবলৈ অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলীৰ ৩০১ৰ অধীনত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। সিদিনা অনুষ্ঠিত ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি কংগ্ৰেছ বিধায়ক ক্ৰমে জাকিৰ হুছেইন শিকদাৰ আৰু শিৱামণি বৰাই চৰকাৰৰ জন বিৰোধী কাৰ্যকলাপসমূহ উদঙাই দিয়ে। সিদিনাই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত অনুষ্ঠিত বিতৰ্কত মুখ্যমন্ত্ৰীৰ উত্তৰদান কালত কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত ৰূপহীহাটত সংঘটিত আক্ৰমণৰ প্ৰতিবাদ জনাই বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, বিধায়ক নুৰুল হুদা আৰু অন্যান্য কংগ্ৰেছ বিধায়কসকলে সৰৱ হৈ আইন শৃংখলা ৰক্ষাত চৰকাৰৰ ব্যৰ্থতা উদঙাই দিয়ে। ঠিক তেনেদৰে ৩ মাৰ্চৰ কাৰ্যসূচীত কংগ্ৰেছ বিধায়ক জাকিৰ হুছেইন শিকদাৰে অসম বিধানসভাৰ কাৰ্য পৰিচালনা নিয়মাৱলীৰ ৩০১ৰ অধীনত ৰাজ্যজুৰি কৃষকলৈ শস্য বীজ যোগানৰ ক্ষেত্ৰত চলি থকা অনিয়মৰ বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে আৰু এপিএছচি কেলেংকাৰী সন্দৰ্ভত সদনত দাখিল কৰা ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ এজনীয়া আয়োগৰ প্ৰতিবেদন সন্দৰ্ভত সিদিনা অনুষ্ঠিত আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই চৰকাৰে এই আয়োগৰ মূল পৰামৰ্শ কাৰ্যকৰী নকৰাকৈ অগণ্য ৰাজনীতি কৰা চৰিত্ৰ উদঙাই দিয়ে। ৪ মাৰ্চত বিৰোধী নেতা দেৱব্ৰত শইকীয়াই ১৯৯৬ চনত গঠন হোৱা সংসদীয় সমিতিয়ে আগবঢ়োৱা পৰামৰ্শৰ প্ৰতি দৃষ্টি ৰাখি অসমৰ বৰ্তমান জনজাতীয় লোকসকলৰ কোনো ক্ষতি নকৰাকৈ মৰাণ, মটক, তাই আহোম, চুতীয়া, চাহ-জনগোষ্ঠী আৰু কোচ-ৰাজবংশীসকলক জনজাতীয় মৰ্যাদা প্ৰদানৰ দাবীত এক প্ৰস্তাৱ উত্থাপন কৰে। বিষয়টোৰ ওপৰত সুদীৰ্ঘ আলোচনাৰ অন্তত বিভাগীয় মন্ত্ৰীয়ে বিৰোধী নেতাগৰাকীৰ প্ৰস্তাৱৰ ক্ষেত্ৰত সহমত ব্যক্ত কৰি এইক্ষেত্ৰত ক্ষীপ্ৰতাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ আশ্বাস দিয়ে। একেদিনাই বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ অৱসৰকালীন সামাজিক আৰু অৰ্থনৈতিক নিৰাপত্তা সুনিশ্চিত কৰিবলৈ পুৰণি পেঞ্চন আঁচনি ৰাজ্যখনত কাৰ্যকৰী কৰিবলৈ দাবী জনায়। কংগ্ৰেছ বিধায়ক জাকিৰ হুছেইন শিকদাৰে বৰপেটাত এখন বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ সজোৰে দাবী উত্থাপন কৰে। কংগ্ৰেছৰ বিধায়ক নন্দিতা দাস, ৰেকিবুদ্দিন আহমেদ, জাকিৰ হুছেইন শিকদাৰে বৰপেটা আৰু কামৰূপ জিলা সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰিবলৈ দাবী উত্থাপন কৰে। ৬ মাৰ্চত কংগ্ৰেছ বিধায়িনী দলে ৰাজ্যখনৰ দুটা জ্বলন্ত বিষয় বিধানসভাৰ শূন্যকালীন ঘণ্টাত আলোচনাৰ বাবে জাননী জাৰী কৰিছিল যদিও বিধানসভাৰ অধ্যক্ষই বিষয় দুটা আলোচনাৰ অনুমতি প্ৰদান নকৰিলে। ইয়াৰে এটা বিষয় আছিল কেন্দ্ৰীয় চৰকাৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তিৰ বাবে অসমত অনুষ্ঠিত কৰা নিয়োগৰ কাৰ্যসূচীত বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে অধিকাংশ নিযুক্তি লাভ কৰাৰ পৰিপ্ৰেক্ষিতত ৮০% পদ থলুৱা যুৱক-যুৱতীৰ বাবে সংৰক্ষিত কৰা। আনটো জৰুৰী বিষয় আছিল ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত কৰ্মৰত কাৰিকৰী আৰু অকাৰিকৰী কৰ্মচাৰীৰ সমস্যাৱলীৰ সমাধান। এনে জৰুৰী বিষয়ত অধ্যক্ষৰ অনুমতি লাভ নকৰাত কংগ্ৰেছ বিধায়িনী দলে বিধানসভাৰ শূন্যকালীন ঘণ্টাৰ জাননীসমূহৰ ক্ষেত্ৰতো লটাৰী অনুষ্ঠিত কৰাৰ দাবীত বিধানসভাত সৰৱ হৈ পৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু বিধায়ক দিগন্ত বৰ্মনে একেটা দিনত অনুষ্ঠিত জিএছটি সংশোধনী বিধেয়ক তথা কংগ্ৰেছ বিধায়ক আব্দুৰ ৰচিদ মণ্ডলে পৌৰনিগম সংশোধনী বিধেয়কৰ ওপৰত আলোচনাত অংশগ্ৰহণ কৰি চৰকাৰী জনবিৰোধী নীতিৰ কঠোৰ সমালোচনা কৰে। ৭ মাৰ্চত কংগ্ৰেছ বিধায়ক আব্দুল বাতেন খণ্ডকাৰে চৰ অঞ্চলৰ জনগণৰ উন্নয়নৰ ক্ষেত্ৰত বৈষম্য দূৰ কৰাৰ দাবী উত্থাপন কৰে। এই আলোচনাত কংগ্ৰেছৰ বিধায়কসকল ক্ৰমে ৰেকিবুদ্দিন আহমেদ, জাকিৰ হুছেইন শিকদাৰ, আব্দুৰ ৰচিদ মণ্ডল আৰু আব্দুৰ ৰহিম আহমেদে চৰ অঞ্চলৰ সমস্যাৱলী চৰকাৰৰ দৃষ্টিগোচৰ কৰে। ৭ মাৰ্চৰ দিনটোতেই কংগ্ৰেছ বিধায়ক ক্ৰমে আব্দুৰ ৰহিম আহমেদ, আব্দুল বাতেন খন্দকাৰ আৰু ডাঃ আশ্বিফ মহম্মদ নাজাৰে এক আলোচনাত অংশ গ্ৰহণ কৰি ভয়াৱহ নিবনুৱা সমস্যাৰ পৰা ৰাজ্যখনৰ যুৱক-যুৱতীসকলক পৰিত্ৰাণ দিয়াৰ স্বাৰ্থত বিশেষকৈ স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী শিক্ষিত নিবনুৱাসকলক আত্মসংস্থাপনৰ বাট প্ৰশস্ত কৰিবলৈ তেনে নিবনুৱাসকলক কমেও ৫ লাখ টকাকৈ এককালীন সাহায্য দিবলৈ এক নীতি প্ৰস্তুত কৰিবলৈ দাবী উত্থাপন কৰে। একেদৰে ১১ মাৰ্চত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই শূন্যকালীন ঘণ্টাত গৃহ বিভাগৰ অধীনস্থ গৃহৰক্ষী জোৱান আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ কৰ্মীসকলৰ সমস্যাৱলী বিধানসভাৰ মজিয়াত উত্থাপন কৰি ইয়াৰ ক্ষীপ্ৰ সমাধানৰ দাবী উত্থাপন কৰে। ১২ মাৰ্চৰ দিনটোত প্ৰশ্নকালীন ঘণ্টাৰ পিছতেই বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ৭ বছৰ ধৰি অস্থায়ী পদত কৰ্মৰত অৱস্থাত থকা তথা ৰাজ্য চৰকাৰে বৰ্খাস্ত কৰা অসমৰ পলিটেকনিক শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষকসকলৰ সমস্যাৰ প্ৰসংগ আলোচনাৰ বাবে এক সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অধ্যক্ষই ৰাজ্যখনৰ জ্বলন্ত সমস্যাটো আলোচনাৰ বাবে উত্থাপন কৰা সভাস্থগিত প্ৰস্তাৱটো অগ্ৰাহ্য কৰাত কংগ্ৰেছ বিধায়িনী দলৰ সদস্যসকল প্ৰতিবাদত সৰৱ হৈ পৰে। চলিত অধিৱেশনত প্ৰশ্নোত্তৰ কালসহ বিভিন্ন নিয়মীয়া কাৰ্যসূচীত কংগ্ৰেছ বিধায়কসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ উপৰি ডি ভোটাৰ, ডিটেনচন কেম্পৰ সমস্যা সমাধানৰ দাবীত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদা, বিধায়ক আব্দুৰ ৰহিম আহমেদ আৰু এ কে ৰশ্মিদ আলমে চিণ্ডিকেট ৰাজৰ ফলত ৰাজ্যখনত সৃষ্টি হোৱা ভয়াৱহ সমস্যা আৰু চৰকাৰী লুণ্ঠনৰ ভয়াৱহতাৰ বিষয়ে বিধানসভাত বলিষ্ঠভাৱে উত্থাপন কৰে। একেদৰে কংগ্ৰেছৰ বিধায়কসকলে খাদ্য সুৰক্ষা আঁচনিত চলি থকা বৈষম্য আৰু অনিয়ম, জলমিত্ৰসকলৰ সমস্যা, নাৰী সুৰক্ষা, শিক্ষা, উদ্যোগ, কৃষিখণ্ডৰ বিভিন্ন সমস্যা সংক্ৰান্তীয় বিষয়বোৰো বিধানসভাত বলিষ্ঠভাৱে উত্থাপন কৰে। ইপিনে, সংবাদমেলৰ পূৰ্বে অখিল ভাৰতীয় কংগ্ৰেছ কমিটীৰ সচিব তথা অসমৰ সহপ্ৰভাৰী পৃথ্বীৰাজ স্বাঠীয়ে কয় যে বিটিআৰৰ প্ৰতিটো বুথ, মণ্ডল আৰু ভিচিডিচি পৰ্যায়ত তেওঁ পৰিভ্ৰমণ কৰি কংগ্ৰেছৰ ভেটি শক্তিশালী কৰিব। বিটিআৰত বিজেপি আৰু ইউপিপিএল চৰকাৰৰ কুশাসনত ৰাইজ অতিষ্ঠ হোৱাৰ সমান্তৰালভাৱে বিটিআৰত বৰ্তমান দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু চিণ্ডিকেটৰাজ চলিছে যদিও ৰজাঘৰীয়া সম্পূৰ্ণ সুখী বুলি উল্লেখ কৰি তেওঁ শাসকীয় দলক কটাক্ষ কৰে।

## ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধিঃ দক্ষিণপাট পাৰঘাটৰ ৰেম্প বুৰ যোৱাত স্তব্ধ যাতায়াত

# মাজুলীৰ পুৰণি কমলাবাৰী ঘাটলৈ পুনৰ পাৰঘাট স্থানান্তৰৰ যো-জা জলপৰিবহণ বিভাগৰ

**ই-সংবাদ, মধ্য মাজুলী, ২০ মাৰ্চঃ** শেহতীয়াকৈ ৰাজ্যত হোৱা ধাৰাসাৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ কিছু বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত দক্ষিণপাট-নিমাতি পাৰঘাটৰ ৰেম্পসমূহ বুৰাই পেলোৱাত আজিৰেপৰা ঘাটটোৰে যাতায়াত স্তব্ধ হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিক হাৰত হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত যোৱা বৰ্ষৰ নৱেম্বৰ মাহত কমলাবাৰী পাৰঘাট দক্ষিণপাটৰ যোৰহাট-মাজুলী সংযোগী দলং নিৰ্মাণস্থলীৰ নদীৰ মাজ অংশলৈ স্থানান্তৰকৰণেৰে কমলাবাৰী পাৰঘাটটোৰ সকলোধৰণৰ জলযাতায়ত অব্যাহত ৰাখিছিল যদিও কালি ঘাটটোৰ দুই নম্বৰ ৰেম্পটো সম্পূৰ্ণৰূপে পানীত ডুব যোৱাৰ ফলত এটা ৰেম্পেৰে ফেৰীৰ চলাচল অব্যাহত ৰাখিছিল। কিন্তু আজি দুয়োটা ৰেম্পেই পানীত ডুব যোৱাৰ পৰিপ্ৰেক্ষিতত ঘাটটোৰে সম্পূৰ্ণৰূপে ফেৰী চলাচল বন্ধ হৈ পৰিছে। এই সন্দৰ্ভত আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ পৰা যাত্ৰীৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি বিকল্প কিধৰণৰ ব্যৱস্থা বিভাগে গ্ৰহণ কৰিছে বুলি সোধাত বিভাগীয় সূত্ৰই জানিবলৈ দিয়া অনুসৰি ইতিমধ্যে পুৰণি কমলাবাৰী ঘাটলৈ পুনৰ ঘাটটো স্থানান্তৰিত কৰিবলৈ বিভাগে ছাৰ্ভে অব্যাহত ৰাখিছে আৰু সকলো ঠিকেই থাকিলে দক্ষিণপাটৰপৰা ঘাটটো কমলাবাৰী ঘাটলৈ পুনৰ স্থানান্তৰ হোৱাৰ সম্ভাৱনা আছে আৰু কাইলৈৰপৰা সম্ভৱ হ'লে



পুৰণি কমলাবাৰী ঘাটৰপৰাই পুনৰ ফেৰীৰ চলাচল আৰম্ভ কৰিবলৈ বিভাগে চেষ্টা অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে। ইফালে, কোনোদিনেই স্থায়ী ৰেম্প নিৰ্মাণৰ কথা চিন্তা নকৰা আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়াই ব্ৰহ্মপুত্ৰত পানী বঢ়াৰ লগে লগে বাঢ়নী পানীয়ে ফেৰী ঘাটৰ ৰেম্প বুৰালেই উৰ্ধ্বতন কৰ্তৃপক্ষলৈ প্ৰতিবেদন প্ৰেৰণ কৰিয়েই পূৰ্বৰপৰা ফেৰী সেৱা বন্ধ ৰাখি দায়িত্ব সামৰি আহিছে আৰু ইয়াৰ ফল সাধাৰণ ৰাইজে ভোগ কৰি আহিছে। গতিকে এইবাৰ যাতে তেনেধৰণৰ পৰিস্থিতিৰ ৰাইজ সন্মুখীন হ'বলগীয়া নহয় তাৰ আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক ৰাইজে দাবী তুলিছে। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কমলাবাৰী ঘাটেৰে চাৰিচকীয়া বাহন পাৰাপাৰত সমস্যাৰ সন্মুখীন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি যোৱা বৰ্ষৰ ১২ নৱেম্বৰৰপৰা মাজুলী যোৰহাট সংযোগী দলংৰ প্ৰকল্পস্থলীৰ কাষেৰে দক্ষিণপাটলৈ কমলাবাৰী পাৰঘাট স্থানান্তৰিত কৰিছিল আৰু তেতিয়াৰ পৰাই দক্ষিণপাটৰ পৰাই ঘাটটোৰ ফেৰীসমূহৰ চলাচল অব্যাহত আছিল। সম্প্ৰতি, ক্ৰমে বাৰিষাৰ আগমন হোৱাৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি উক্ত দক্ষিণপাট ঘাটৰ পৰা ফেৰী চলাচলৰ উক্ত অচলাৱস্থা সঘনাই বৃদ্ধি পোৱাৰ সম্ভাৱনাই অধিক।

# চেঙাৰ চৰাঞ্চলত ইউৰিয়াৰ নাটনি

## পৰ্যাপ্ত সাৰ যোগান নধৰাত বিমোৰত ব্যৱসায়ী

**ই-সংবাদ, শিমলীতোলা, ২০ মাৰ্চঃ** বৰপেটা জিলাৰ বৰ্তমান মন্দিয়া আৰু চেঙা সমষ্টিৰ খেতিয়কৰ চাহিদা অনুপাতে পৰ্যাপ্ত সাৰ যোগান ধৰিব নোৱাৰাত বিমোৰত পৰিছে চৰকাৰী অনুজ্ঞা-পত্ৰ থকা দোকানীসকল। দক্ষিণ বৰপেটাৰ কৃষিপ্ৰধান বৃহত্তৰ চৰাঞ্চলৰ প্ৰায় ৯০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। লক্ষাধিক কৃষকে মাকৈ, ইৰিধান আদি বিভিন্ন খেতি কৰোঁতে প্ৰতিদিনে বৃহৎ পৰিমাণৰ ইউৰীয়া সাৰৰ প্ৰয়োজন হয় যদিও চৰাঞ্চলত প্ৰয়োজনীয় ইউৰীয়া সাৰৰ যোগান ধৰিবলৈ নাই পৰ্যাপ্ত ৰিটেইল ডিলাৰ। জিলা মাৰ্কেটিং বোৰ্ডৰ ফালৰপৰা প্ৰতি অনুজ্ঞা-পত্ৰৰ বিপৰীতে মাহে মাত্ৰ ২০ৰপৰা ৩০ বস্তা ইউৰিয়া সাৰৰ যোগান ধৰে যদিও কৃষকৰ চাহিদা অনুপাতে পৰ্যাপ্ত সাৰ যোগান ধৰিব নোৱাৰাত বৃহৎ ক্ষতিৰ সন্মুখীন হ'ব লগা হৈ মূৰে-কপালে হাত দিবলগীয়া হৈছে কৃষকসকলে। চৰাঞ্চলৰ কৃষকসকলে উপায়হীন হৈ উত্তৰ পাৰৰ বজাৰবোৰৰ পৰা ইউৰীয়া সাৰ ক্ৰয় কৰি নদী পথেৰে পাৰ কৰি আনোতে বহু সময়ত কৃষকসকলৰ লগতে সাংবাদিকসকলে ভুল বুজি ইউৰীয়া সাৰৰ ক'লা বেহা কৰা বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপন কৰা দেখা যায় বুলি কোৱাৰ লগতে বৰপেটা জিলাৰ বাঘবৰ আৰু চেঙাৰ বৃহৎ অঞ্চল দক্ষিণ পাৰত হোৱা হেতুকে বিভিন্ন সময়ত অভিযোগ উত্থাপন হোৱাৰ বা বাধাৰ সন্মুখীন হোৱা বিষয়টো কৃষকসকলৰ লগতে সাংবাদিকসকলৰ সহযোগিতা বিচাৰৰ উপৰি বিষয়টোত জিলা কৃষি বিষয়াৰ হস্তক্ষেপ দাবী কৰিছে অনুজ্ঞা-পত্ৰ থকা চৰাঞ্চলৰ দোকানীসকলে। লগতে দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ অনুজ্ঞা-পত্ৰ থকা সাৰৰ দোকানীসকলৰ আৰু ভুক্তভোগী কৃষক ৰাইজে অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰী আৰু জিলা মাৰ্কেটিং বোৰ্ডক কৃষকৰ চাহিদা অনুপাতে ইউৰীয়া সাৰৰ যোগান ধৰাৰ দাবী উত্থাপন কৰে।

# ফেইট মিনিষ্ট্ৰিৰ দৰিদ্ৰক টিনপাত বিতৰণ



**ই-সংবাদ, গুৱাহাটী, ২০ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ এক চিনাকি প্ৰতিষ্ঠান ফেইট মিনিষ্ট্ৰি। চৰকাৰী পঞ্জীয়নভুক্ত প্ৰতিষ্ঠানটোৱে দীৰ্ঘদিন ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত সাহায্য বিতৰণ। গ্ৰীষ্ম কালৰ আগমন হোৱাৰ সময়ত বৰষুণৰ পৰা ৰক্ষা পাবলৈ দুখীয়া লোকক প্ৰদান কৰিছে টিনপাত। বুধবাৰে সংস্থাটোৱে শিৱসাগৰ জিলাৰ বদ্ৰীজানত বিতৰণ কৰে ৩০ বাণ্ডল টিনপাত। প্ৰতিঘৰ লোকক ৩৫ এম এমৰ এটাকৈ টিনপানৰ বাণ্ডল প্ৰদানত আনন্দ প্ৰকাশ কৰিছে অঞ্চলবাসীয়ে।

# তিনিচুকীয়াত পুনৰ খিলঞ্জীয়া নিবনুৱাৰ দোকান ভাঙিলে পৌৰসভাই

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া, ২০ মাৰ্চঃ** তিনিচুকীয়াৰ বৰদলৈ নগৰৰ বাসিন্দা ভাস্কৰজ্যোতি হাজৰিকা নামৰ নিবনুৱা যুৱকজনে যোৱা দুবছৰ ধৰি বৰদলৈ নগৰস্থিত তিনিচুকীয়া আয়কৰ ভৱনৰ ওচৰত বাঁহৰ এখন সৰু মাংসৰ দোকান দি পৰিয়াল পোহপাল দি আহিছিল। ভাস্কৰজ্যোতি হাজৰিকাৰ উক্ত দোকানখন আজি দিনৰ ভাগত তিনিচুকীয়া পৌৰসভাই কোনো জাননী নিদিয়াকৈ জেচিবি লগাই ভাঙি পেলায়। উপাৰ্জনৰ একমাত্ৰ উৎসস্বৰূপ উক্ত দোকানখন হঠাতে ভাঙি পেলোৱাত যুৱকজনৰ মূৰত এতিয়া সৰগ ভাগি পৰিছে। তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া আৰু পৌৰসভাত কৰ্মৰত দাস উপাধিৰ এজন ব্যক্তিৰ পৰিচালনাত উক্ত উচ্ছেদৰ ঘটনাটি সংঘটিত হোৱা বুলি যুৱকজনে মন্তব্য কৰিছে। সূত্ৰ অনুসৰি, ৮ নং ৱাৰ্ডৰ পৌৰ সদস্যগৰাকীও এই উচ্ছেদৰ বিষয়ে অৱগত নহয়। এটা জাতীয় সংগঠনৰ পৰা আহি পৌৰসভাৰ সভাপতিৰ আসনত বহা পুলক চেতিয়াই বাৰে বাৰে অসমীয়া খিলঞ্জীয়া নিবনুৱা যুৱকৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ ওপৰত আক্ৰমণৰ লক্ষ্য কৰি লোৱা ঘটনাক লৈ তিনিচুকীয়াৰ সচেতন মহলত ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। উল্লেখ্য যে সুদীৰ্ঘ ২৪ টা বছৰ দেশৰ অন্যতম ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাক নেতৃত্ব দি উপ-সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হোৱা পুলক চেতিয়াই জাতি-মাটি আৰু ভাষাৰ স্বাৰ্থত ছাত্ৰ সংগঠনটোত এক আপোচবিহীন তথা এক দৃঢ়মনা সংগ্ৰামী সত্তা হিচাপে পৰিচিতি লাভ কৰিছিল। তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাত ১৯৯২ চনতে সমাজসেৱা বিভাগৰ সম্পাদকৰ পদত অধিষ্ঠিত হোৱাৰ পুলক চেতিয়াই ১৯৯৫ চনত আছুৰ তিনিচুকীয়া গোটৰ সম্পাদক, ১৯৯৯ চনত সভাপতি, ২০০৫ চনত তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি, ২০০৭ চনত কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক আৰু ২০১৪ চনত দুধনৈ অধিৱেশনত উপ-সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। একালৰ জনপ্ৰিয় ছাত্ৰনেতাগৰাকী আজি পৌৰসভাৰ সভাপতিৰ দায়িত্বত থকাৰ পাছতো এগৰাকী অসমীয়া নিবনুৱা যুৱকৰ দোকান কোনোধৰণৰ জাননী নিদিয়াকৈ ভাঙি দিয়াক লৈ সকলোৰে দুখ প্ৰকাশ কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও এগৰাকী অসমীয়া নিবনুৱা যুৱকৰ ফাষ্ট ফুডৰ দোকান তিনিচুকীয়া পৌৰসভাই ভাঙি দিয়াক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। তিনিচুকীয়া চহৰৰ পদ পথসমূহ বহিৰাগত লোকৰ দোকান-পোহাৰে ভৰি পৰাৰ স্বত্বেও পৌৰসভা নিমাতী কন্যা হৈ আছে, কিন্তু এজন খিলঞ্জীয়া তথা নিবনুৱা যুৱকৰ এখন সৰু মাংসৰ দোকান এনেদৰে উচ্ছেদ কৰা কাৰ্য্যক লৈ একাংশ দল-সংগঠনেও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

# নীলবাগানৰ ব্যৱসায়ী নিজাম উদ্দিন মল্লিকৰ আকস্মিক মৃত্যু

**ই-সংবাদ, মোৰাঝাৰ, ২০ মাৰ্চঃ** হোজাই জিলাৰ অন্তৰ্গত নীলবাগানৰ প্ৰতিষ্ঠিত ব্যৱসায়ী নিজাম উদ্দিন মল্লিক (৫২)ৰ কালি আকস্মিক মৃত্যু হয়। তেখেতৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সকলো শোকত ভাগি পৰে। মল্লিক অত্যন্ত দয়ালু, অমায়িক আৰু পৰোপকাৰী ব্যক্তি আছিল। উল্লেখ্য যে কলকতাৰ হুগলি জিলাৰ গল দীঘৰি গাঁৱৰ এটি সম্ভ্ৰান্ত পৰিয়ালত জন্মগ্ৰহণ কৰা নিজাম উদ্দিন মল্লিক 2000 চনত অসমত ব্যৱসায় সংক্ৰান্তত আহিছিল আৰু পৰৱৰ্তী সময়ত তেখেত হোজাই জিলাৰ নীলবাগানত আহি বেকাৰী বিস্কুটৰ ব্যৱসায় আৰম্ভ কৰে। লগতে নীলবাগানৰ জয়ন্তীয়া বস্তি কিচামত মাটি কিনি ঘৰ সাজি স্থায়ীভাৱে বসতি স্থাপন কৰে। বিগত প্ৰায় ২৪ বছৰ ধৰি নিজাম উদ্দিন মল্লিকে হোজাই জিলাৰ লগতে হাফলঙতো নিজৰ ব্যৱসায় চলাই গৈছিল। তেখেত এগৰাকী সফল প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপে সকলোৰে মাজত পৰিচিত। ব্যৱসায়ীজনৰ আকস্মিক বিয়োগত হোজাই, ডবকা, নীলবাগানৰ বিভিন্ন ব্যক্তি আৰু দল-সংগঠনে গভীৰ শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। আজি দিনৰ ১.৩০ বজাত নীলবাগান সমূহীয়া ঈদগাহ ময়দানত কেবাহাজাৰ গুণমুগ্ধৰ উপস্থিতিত মৰহুমৰ জানাজা আদায় কৰি নীলবাগান কবৰস্থানত সমাধি কৰা হয়। তেখেতৰ মৃত্যুত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞা, সমাজকৰ্মী ৰেজাউল কৰিম চৌধুৰী, অসম চেম্বাৰ্ছ অফ



কমাৰ্ছৰ নীলবাগান শাখাৰ হৈ লুতফুৰ ৰহমান বৰলস্কৰ, নীলবাগান ব্যৱসায়ী সংস্থা, নীলবাগান ক্ৰীড়া সংস্থাৰ সভাপতি তমিজুৰ ৰহমান, নীলবাগান প্ৰেছ ক্লাবৰ হৈ কফিল উদ্দিন বৰভূঞা, হাৰুন ৰশ্বিদ চৌধুৰী, ডবকা প্ৰেছ ক্লাবৰ হৈ ইছমাইল আলী, জিয়াবুৰ ৰহমান, বাবুল তালুকদাৰ, নীলবাগান শাখা সাহিত্য সভাৰ সম্পাদক বাচিত আলম চৌধুৰী, অগপ নেতা টিপু ওৱাৰিছ, নিউ ষ্টাৰ ক্লাবৰ ৰায়হান চৌধুৰী, আমিৰুল ইছলাম আৰু জোনাকী নিউজ চেন্টাৰৰ মুজিবুৰ ৰহমানে গভীৰ শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ পূৰ্বে তেখেতে পত্নী, এগৰাকী কন্যা আৰু দুই পুত্ৰ সন্তানসহ বহু গুণমুগ্ধক এৰি যায়।

# বদৰপুৰৰ ট্ৰেডিঙৰ মাষ্টাৰক দুলীয়াজানত আটক

**ই-সংবাদ, দুলীয়াজান, ১৯ মাৰ্চঃ** ৰাজ্য জোকাৰি যোৱা অনলাইন ট্ৰেডিং কাণ্ডৰ আন এজন অনলাইন ট্ৰেডিং মাষ্টাৰ মাইণ্ড বদৰপুৰৰ শ্বাকিল আহমেদক দুলীয়াজানত কালি আটক কৰে আৰক্ষীয়ে। বদৰপুৰ আৰক্ষী থানাত পলাতক শ্বাকিলৰ বিৰুদ্ধে 48/25 u/s 61(2)/316(5)/384 BNS,R/W Sec 21(1)(2)(3)BUDS Act আৰু 44/25 u/s 61(2)/316(3)/316(5)384 BNS R/W Sec 21(1)(2)(3)BUDS Act ৰ অধীনত দুটাকৈ গোচৰ ৰুজু কৰা হৈছিল। উক্ত গোচৰৰ ভিত্তিত বদৰপুৰ আৰক্ষীয়ে দীৰ্ঘদিনৰ পৰা অভিযান চলাই আহিছিল যদিও শ্বাকিল আহমেদে আৰক্ষীৰ চকুত ধূলি দি দুলীয়াজানত আত্মগোপন কৰিছিল। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি বদৰপুৰৰপৰা পলাই আহি শ্বাকিল আহমেদে দুলীয়াজান মছজিদৰ সমীপত থকা ভিনিয়েকৰ ঘৰত আত্মগোপন কৰি আছিল। এই তথ্য আৰক্ষীয়ে লাভ কৰাৰ পাছতে দুলীয়াজান আৰক্ষী থানাৰ পৰিদৰ্শক ভাস্কৰ শইকীয়াৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অতি কৌশলেৰে শ্বাকিল আহমেদক আটক কৰিবলৈ সক্ষম হয়। ইতিমধ্যে, দুলীয়াজান আৰক্ষীয়ে আটকাধীন শ্বাকিল আহমেদক শ্ৰীভূমিৰ বদৰপুৰ আৰক্ষীক চমজাই দিয়া বুলি জানিবলৈ দিছে।

## পলিটেকনিকৰপৰা অব্যাহতি দিয়া প্ৰবক্তাৰ চাকৰি বাহাল ৰখাৰ দাবী

# মাজুলীত ছাত্ৰ মুক্তিৰ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট




**ই-সংবাদ, মধ্য মাজুলী, ২০ মাৰ্চঃ** ৰাজ্যৰ প্ৰতিখন জিলা সদৰতে আজি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশত জিলা সমিতিসমূহে অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰে। সমান্তৰালভাৱে মাজুলীটো জিলা সদৰ গড়মূৰত মাজুলী জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে দুঘণ্টীয়া অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰে। শেহতীয়াকৈ ৰাজ্যৰ পলিটেকনিক কলেজসমূহত পূৰ্বে নিযুক্ত অংশকালীন প্ৰবক্তাসকলক চাকৰিৰপৰা অব্যাহতি দিয়া কাৰ্যৰ বিৰোধিতা আৰু চাকৰি নিয়মীয়াকৰণ কৰাৰ দাবীত সংগঠনটোৱে উক্ত অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্মঘট কাৰ্যসূচীৰপৰা সংগঠনটোৰ যুটীয়া সভাপতি মিগম কুলিয়ে অসম চৰকাৰৰ এনে সিদ্ধান্তক কটাক্ষ কৰি কয় শিক্ষিত হোৱাটো দোষ হ'ব নোৱাৰে আৰু প্ৰতিবাদ কৰাটো কেতিয়াও অপৰাধ হ'ব নোৱাৰে। আনহাতে, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক পদত্যাগ কৰিবলৈ দাবী জনাই পেগু সৰ্বকালৰ অদক্ষ শিক্ষামন্ত্ৰী বুলি উল্লেখ কৰে। কাৰ্য্যসূচীত অংশ লৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় ক্ৰীড়া সম্পাদক ৰবীন দাসে পলিটেকনিকৰ অংশকালীন প্ৰবক্তাসকলৰ লগত শিক্ষা বিভাগে চৰম হেতালি খেলা বুলি মন্তব্য কৰি শিক্ষামন্ত্ৰীগৰাকীক নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ দাবী জনায়। পলিটেকনিক সমূহৰপৰা অব্যাহতি দিয়া প্ৰবক্তাসকলক চাকৰিত পুনৰ বাহাল ৰাখি চাকৰি নিয়মীয়াকৰণ নকৰিলে পুনৰ তীব্ৰ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি সংগঠনটোৰ সাধাৰণ সম্পাদক মদন পাতিৰে অসম চৰকাৰ আৰু শিক্ষা বিভাগক কঠোৰ সকীয়নী প্ৰদান কৰে। দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ অন্ততঃ জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বিষয়ববীয়াসকলে দুই পৃষ্ঠাৰ স্মাৰক-পত্ৰ পৃথকে পৃথকে মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীলৈ জিলা আয়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰে।

# ডাকুৱাপাৰাত বকো পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী সুমিত ৰাভাৰ নিৰ্বাচনী কাৰ্যালয় মুকলি



**ই-সংবাদ, বকো, ২০ মাৰ্চঃ** আগন্তুক ২ এপ্ৰিলত অনুষ্ঠিত হ'বলগা ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনক লৈ ইতিমধ্যে ৰাভা হাচং এলেকাত নিৰ্বাচনী বতাহ ক্ৰমাৎ উত্তপ্ত হৈ উঠিছে। নিৰ্বাচনী ৰণত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলে  ইতিমধ্যে নামি পৰিছে নিজৰ প্ৰচাৰ অভিযানত। উল্লেখ্য, কামৰূপ জিলাৰ ৰাভা হাছং এলেকাধীন ২৭ নং সন্মানীয় বকো পৰিষদীয় সমষ্টিত একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰাৰ্থিত্ব লাভ কৰা ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ দ্বাৰা প্ৰক্ষেপিত এন ডি এৰ সমৰ্থিত প্ৰাৰ্থী সুমিত ৰাভাই বকোৰ ডাকুৱাপাৰাত আজি মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। কাৰ্যালয় মুকলি কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ড° সুভাষ ৰাভাই। কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থা, কামৰূপ জিলা ৰাভা মহিলা পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আদিৰ লগতে যৌথ সংগ্ৰাম সমিতিৰ সমৰ্থিত বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দকে ধৰি বকো অঞ্চলৰ কেবাগৰাকী বিশিষ্ট সমাজকৰ্মী আৰু মিত্ৰ দল ভাৰতীয় জনতা পাৰ্টীৰ দক্ষিণ কামৰূপ জিলা আৰু বকো মণ্ডলৰ ভালেসংখ্যক কাৰ্যকৰ্তা উপস্থিত থাকে। কাৰ্যালয় মুকলি অনুষ্ঠানত উপস্থিত থকা এন ডি এৰ সমৰ্থিত প্ৰাৰ্থী সুমিত ৰাভাই আজিৰ কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ৰাইজে জনোৱা সঁহাৰিয়ে তেওঁ যে বৃহৎ ব্যৱধানত জয়লাভ কৰিব সেয়া নিশ্চিত বুলি দোহাৰে। কেৱল মাথোন আনুষ্ঠানিকতা বাকী যদিও ৰাইজক অহা দুই এপ্ৰিলত টিভিৰ চিনত গৈ ভোটদান কৰিবলৈ আহ্বান জনায় প্ৰাৰ্থীগৰাকীয়ে। ভাষণ প্ৰসংগত বিৰোধী কংগ্ৰেছ দলৰ প্ৰাৰ্থী থানেশ্বৰ ৰাভাকো চোকা ভাষাৰে সমালোচনা কৰে সুমিত ৰাভাই।

# আলফাৰ নামত ধন দাবী কৰা এজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, চামতা, ২০ মাৰ্চঃ** আলফা (স্বাধীন)ৰ নামত ধন দাবী কৰি গ্ৰেপ্তাৰ হ'ল তিনিচুকীয়াৰ এজন যুৱক। যোৱা নিশা তিনিচুকীয়াৰ ফিল'বাৰীৰপৰা বেলশৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে যুৱকজনক। ধন দাবী কৰি গ্ৰেপ্তাৰ হোৱা যুৱকজন তিনিচুকীয়াৰ সঞ্জয় ৰায় বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, যোৱা ১৫ মাৰ্চত নলবাৰী জিলাৰ বেলশৰ আৰক্ষী থানাৰ অন্তৰ্গত বনগাঁৱৰ চাইদুল ইছলাম নামৰ যুৱকজনক ধৃত সঞ্জয়ে আলফা (স্বাধীন)ৰ নাম লৈ ধন দাবী কৰিছিল।দুদিন ধৰি ফোন কৰি সঞ্জয়ে ধন দাবী কৰি আহিছিল। আজি চাইদুলে সংবাদ মাধ্যমক জনোৱা মতে তেওঁ দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰি আছে। এনেতে প্ৰথমদিনা যুৱকজনে নিশা ১২ বজাত ফোন কৰি কিছু পৰিমাণৰ ধন বিচাৰে। কিন্তু এই ধন দিবলৈ তেওঁ সক্ষম নহয় বুলি জনোৱাত পিছদিনা নিশা পুনৰ যুৱকজনে ফোন কৰি চাইদুলৰপৰা ব্যৱসায়ী আৰু চাকৰিয়ালৰ ফোন নম্বৰ বিচাৰে। ইয়াৰ পিছত তেওঁ ঘটনা সংক্ৰান্তত বেলশৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰাৰ পিছতে আৰক্ষীয়ে যুৱকজনক তিনিচুকীয়াৰপৰা গ্ৰেপ্তাৰ কৰি আনে। ইপিনে, ধৃত সঞ্জয় ৰায়ক আজি নলবাৰী আদালতত হাজিৰ কৰোৱাত আদালতে যুৱকজনক এদিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে।

# বৰদৌলগুৰি সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন আৰু দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ২০ মাৰ্চঃ** সাহিত্য সৃষ্টি লেখকৰ এক স্বতস্ফূৰ্ত অভিব্যক্তি; সাহিত্যৰ আবেদন চিৰস্থায়ী, স্মৃতি ধৰি ৰখাৰ এক উৎকৃষ্ট প্ৰক্ৰিয়া।- এই মন্তব্য ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি ড০ প্ৰসন্ন কুমাৰ নাথৰ। বৰদৌলগুৰি সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন আৰু দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশ কৰা পত্ৰিকা 'বৰদেউল' উন্মোচন কৰি ছিপাঝাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি ড০ প্ৰসন্ন কুমাৰ নাথে এইদৰে কয়। ১৯৮৭ চনৰ ২৬ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা বৰদৌলগুৰি সাহিত্য সভাৰ ৩৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন আৰু দ্বি-বাৰ্ষিক অধিৱেশনখনিৰ প্ৰথম কাৰ্যসূচী সভাৰ পতাকা উত্তোলন কৰে উপ-সভাপতি চেনিৰাম নাথে। বন্তি-প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰাক্তন সভাপতি- ধৰণীধৰ নাথে। ইয়াৰ পিছতেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ বিদ্যাপীঠত অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতা পৰিচালনা কৰে শৰত চন্দ্ৰ নাথে। মুকলি কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰেণ ডেকা আৰু গান্ধীস্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী অৰ্চনা নন্দিতা শৰ্মাই। কাৰ্যসূচী দুটিৰ সামগ্ৰিক পৰিচালনা দিলীপ শইকীয়াৰ। দিনৰ ১১.০০ বজাত অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে প্ৰাক্তন সভাপতি নাগেশ্বৰ চহৰীয়াই। সভাপতি জগত চন্দ্ৰ বৰুৱাদেৱে আজিৰ সভাতেই নৱ নিৰ্বাচিত সভাপতি হেৰম্ব কুমাৰ নাথক পৰৱৰ্তী কাৰ্যকালৰ বাবে কাৰ্যভাৰ অৰ্পণ কৰে। সম্পাদক ইকবাল ৰছিদ হাজৰিকাই আঁত ধৰা উক্ত সভাত বক্তব্য প্ৰদান কৰে দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ, ৰাষ্ট্ৰীয় উদ্ভাৱনী শিক্ষা বঁটা প্ৰাপক ড০ চন্দ্ৰ প্ৰসাদ শইকীয়া, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে। সভাত উপস্থিত থাকে জ্ঞান ৰত্ন বঁটা প্ৰাপক তথা প্ৰাক্তন সভাপতি ৰামচন্দ্ৰ নাথ, লয়ন চন্দ্ৰ চহৰীয়া, বিষয় শিক্ষক পৱন কলিতা, মোহন চন্দ্ৰ শৰ্মা, যুগল কিশোৰ নাথ, গৰুখুঁটি সাহিত্য সভাৰ নজমল হুছেইন, কবি গিৰীশ নাথ, উমাকান্ত নাথ, ডি কে লাইভৰ তবিবুল্লা হক, গুৰু ব্ৰহ্মা শৈক্ষিক প্ৰতিষ্ঠানৰ বিদীপ ডেকা আৰু ৰঞ্জন ডেকা, নৃপেন্দ্ৰ নাথ বড়া, নীৰেণ চন্দ্ৰ নাথ, ৰিংকুমণি নাথ, জিলা সাহিত্য সভাৰ পুথিভঁৰাল আৰু গৱেষণা বিভাগৰ ইনামুল হক চৌধুৰী আদি। অনুষ্ঠানত প্ৰকাশন বিভাগৰ সভাপতি অৰুণ চন্দ্ৰ নাথ আৰু সম্পাদক ৰণজিত কুমাৰ নাথৰ সম্পাদনাত 'বৰদেউল' উন্মোচন কৰা হয়। প্ৰথম সম্পাদক হৰিন্দ্ৰ মোহন নাথক পাঠশালা অধিৱেশনত দুৰ্গাধৰ বৰকটকী সোঁৱৰণী বঁটা লাভ কৰা বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰী গাৰ্গী প্ৰিয়া নাথক অভিনন্দন জনোৱাৰ লগতে চিত্ৰাংকন প্ৰতিযোগিতাত বঁটা বিজয়ী ১ম যুৱবিকাশ চহৰীয়া, ২য় আশীষ আয়ান চহৰীয়া, ৩য় জিজ্ঞাস কুমাৰ নাথ, চতুৰ্থ ময়ূৰ শিৰম আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰা বিভান জ্যোতি শিৰম আৰু ছায়ান কুমাৰ নাথক যুটীয়াভাৱে পুৰস্কৃত কৰা হয়। কুইজ প্ৰতিযোগিতাত ১ম স্থান লাভ কৰে নেহা কলিতা, জাগৃতি হাজৰিকাৰ দলে, ২য় আশীষ আয়ান চহৰীয়া, ধৃতিৰাজ বৰুৱাৰ দল, ৩য় ভাৰ্গৱ জ্যোতি নাথ, ৰবীন নাথৰ দল তথা শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল হিচাপে জিজ্ঞাস কুমাৰ নাথ আৰু নিবিৰ নাথৰ দলক পুৰস্কৃত কৰা হয়। অনুষ্ঠানত স্নেহলতা অধিকাৰী চহৰীয়াৰ সাংস্কৃতিক গোষ্ঠী, উষাৰাণী দেৱীৰ থিয় নামৰ দল, আকাশ গোষ্ঠী আৰু শিল্পী মীৰা ৰাজবংশীয়ে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে ভৱেন্দ্ৰ নাথ, ভৱানন্দ নাথে কবিতা আবৃত্তি কৰে। অনুষ্ঠানত বৰদৌলগুৰি সাহিত্য সভালৈ বিগত সময়ছোৱাত অৰিহণা যোগোৱাসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# কলিতা জনগোষ্ঠী সন্মিলনী হাজৰিকাপাৰা শাখাৰ অধিৱেশন

**ই-সংবাদ, ছিপাঝাৰ, ২০ মাৰ্চঃ** অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনীৰ অন্তৰ্ভুক্ত হাজৰিকাপাৰা শাখাৰ ১০৬ সংখ্যক বাৰ্ষিক অধিৱেশনখন দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে হাজৰিকাপাৰাৰ ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী শালমাছ উঠা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা সামূহিক চাফাইৰে কাৰ্যসূচীৰ শুভাৰম্ভ হোৱাৰ পিছত হাজৰিকাপাৰা শাখাৰ সভাপতি জিতেন্দ্ৰ বৰুৱাৰ দ্বাৰা পতাকা উত্তোলন, ধৰণী বৰুৱাৰ দ্বাৰা স্মৃতি তৰ্পণ কৰাৰ পিছত চিয়াগীত, ভূপেন্দ্ৰ সংগীত, বিয়ানাম, অসমীয়া আধুনিক গীতৰ আধাৰত আধুনিক নৃত্য আদি ভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি শাখাৰ সভাপতি জিতেন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি মুকলি সভা। শাখাৰ সম্পাদক বিপুল চহৰীয়াই উদ্দেশ্য ব্যাখ্যা তথা আঁত ধৰা সভাখনত উপস্থিত থাকি ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক পৱন কুমাৰ কলিতা, বিশিষ্ট সমাজকৰ্মী শৰৎ চহৰীয়া, কলিতা জনগোষ্ঠী সন্মিলনীৰ জিলা শাখাৰ সহঃ সম্পাদক গোপাল বৰুৱা প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। বিশিষ্ট আই নামৰ শিল্পী সৰলা শইকীয়াৰ দলৰ দ্বাৰা এটি আই নাম পৰিৱেশনেৰে শুভাৰম্ভ হোৱা সভাখন শাখাৰ সম্পাদক বিপুল চহৰীয়াৰ শলাগৰ শৰাইৰে সামৰণি পৰে।

# মৰিগাঁও কৃষি বিভাগৰ উদ্যোগত উন্নত জাতৰ হাঁহৰ পোৱালি বিতৰণ

**ই-সংবাদ, লাহৰীঘাট ২০ মাৰ্চঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (CSS-ATMA)ৰ অধীনত আজি হিতাধিকাৰীৰ মাজত উন্নত প্ৰজাতিৰ হাঁহৰ পোৱালি বিতৰণ কৰা হয়। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ উপস্থিতিত জিলাখনৰ পাঁচটা ব্লক সামৰি ৫০ গৰাকী হিতাধীকাৰী আৰু মহিলা সুৰক্ষা গোটক জিলা কৃষি বিভাগৰ কাৰ্যালয়ত উন্নত প্ৰজাতিৰ খাকী কেম্পেল জাতৰ হাঁহৰ পোৱালিৰ লগতে দানা বিতৰণ কৰা হয়। অনুষ্ঠানৰ অংশ স্বৰূপে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত প্ৰায় ৭০ গৰাকী হিতাধীকাৰীৰ উপস্থিতিত বৈজ্ঞানিক পদ্ধতিৰে হাঁহ পালন সন্দৰ্ভত এটি প্ৰশিক্ষণো আগবঢ়োৱা হয়। অনুষ্ঠানটোত জিলা পশুপালন বিভাগৰ বিষয়া ডাঃ চন্দিকা হাজৰিকা সমল ব্যক্তি হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ আগবঢ়ায়। উক্ত অনুষ্ঠানতে কৃষক পঞ্জীয়ন, ন্যূনতম সমৰ্থিত মূল্যত সৰিয়হ বিক্ৰীৰ প্ৰসংগত কৃষকসকলৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# চতিয়া জ্ঞান বিকাশ একাডেমীত বিধায়ক পদ্ম হাজৰিকাৰ চাইকেল বিতৰণ

**ই-সংবাদ, চতিয়া, ২০ মাৰ্চঃ** অসম চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ক্ষেত্ৰত সহায় কৰিবলৈ বিনামূলীয়া সাজ-পোচাক, বিনামূলীয়া কিতাপ, বিনামূলীয়া চাইকেল আগবঢ়াইছে একমাত্ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নয়নৰ বাবে। ছাত্ৰ-ছাত্ৰীসকলে যাতে অধ্যয়নত মনোনিৱেশ কৰি এগৰাকী সফল নাগৰিক হিচাপে থিয় দিব পাৰে।- এই মন্তব্য ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। আজি বিশ্বনাথ জিলাৰ চতিয়া জ্ঞান বিকাশ একাডেমীত চৰকাৰে ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়োৱা চাইকেল আনুষ্ঠানিকভাৱে প্ৰদান কৰি বিধায়ক পদ্ম হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ বাবে আহ্বান জনায়। বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত আয়োজন কৰা অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে চতিয়া ৩ নং গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি উদয় শংকৰক শইকীয়া, চতিয়া পৌৰসভাৰ পৌৰপতি দীপ শিখা সন্দিকৈ, জামুগুৰি হাট পৌৰসভাৰ পৌৰপতি পল্লৱিতা শৰ্মা মহন্ত।

# কামৰূপৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২০ মাৰ্চঃ** আগন্তুক ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হয়। উল্লেখ্য যে আজি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। কামৰূপ জিলাৰ অন্তৰ্গত মুঠ ১৬ টা পৰিষদীয় সমষ্টিৰ বিপৰীতে মুঠ ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। কিন্তু আজি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিনা ক্ৰমে ২২ নং বোন্দাপাৰা, ২৩ নং খলিহাকোঠ, ২৫ নং হাঁহিম, ২৭ নং বকো, ২৮ নং উত্তৰ বনগাঁও, ৩০ নং বামুণীগাঁও সমষ্টিৰ এগৰাকীকৈ মুঠ ছগৰাকী প্ৰাৰ্থীয়ে নিজ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰে। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তত কেৱল এগৰাকীকৈ প্ৰাৰ্থী থকা ২৩ নং খলিহাকোঠ আৰু ২৫ নং হাঁহিম সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীক ৰিটাৰ্নিং বিষয়াই বিনাপ্ৰতিদ্বন্দ্বিতাৰে বিজয়ী ঘোষণা কৰে।

# পাকাবেতবাৰীত বিজেপিৰ সাংগঠনিক সভা

**ই-সংবাদ, ভৱানীপুৰ, ২০ মাৰ্চঃ** ২৫ নম্বৰ পাকাবেতবাৰী সমষ্টিত আজি ভাৰতীয় জনতা পাৰ্টিৰ পাকা মণ্ডল সমিতিৰ উদ্যোগত এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। খৰমা নতুন বজাৰত আজি পুৱা অনুষ্ঠিত এই সভাখন ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে দলটোৰ পাকা মণ্ডলৰ সভাপতি বনজিৎ মণ্ডলে। বিজেপিৰ পাকা মণ্ডল সমিতিৰ উপ সভাপতি সৈতেন্দ্ৰ পালে উদ্দেশ্য ব্যাখ্যা কৰা সভাত অতিথি হিচাপে উপস্থিত থাকি ভাৰতীয় জনতা পাৰ্টিৰ বজালী জিলা সমিতিৰ সাধাৰণ সম্পাদকদ্বয় ক্ৰমে চম্পক কাকতি আৰু মুকুট কলিতা, উপ-সভাপতিদ্বয় ক্ৰমে নৱ মেধি আৰু গোবিন্দ তালুকদাৰে উদাত্ত ভাষণ দাঙি ধৰি আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বজায়। শেষত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

# বি এইচ বি মহাবিদ্যালয়ত লক্ষহীৰা দাসৰ আধাৰত নিৰ্মিত তথ্যচিত্ৰ প্ৰদৰ্শন

**ই-সংবাদ, ভৱানীপুৰ, ২০ মাৰ্চঃ** আজি বি এইচ বি মহাবিদ্যালয়ত লক্ষহীৰা দাসৰ আধাৰত নিৰ্মিত তথ্যচিত্ৰ 'Lakshahira : Women of Substances' প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়খনৰ গৱেষণা উদ্ভাৱন আৰু সম্প্ৰসাৰণ কোষৰ দ্বাৰা আয়োজিত এই অনুষ্ঠানটোত উপস্থিত আছিল তথ্যচিত্ৰখনৰ পৰিচালক নম্ৰতা দত্ত আৰু চলচিত্ৰ সমালোচক উৎপল দত্ত। আৰম্ভণিতে অধ্যাপিকা তথা কোষৰ সদস্য হিৰণ্ময়ী কলিতাই আঁত ধৰা অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ নয়নজ্যোতি দাসে। ড০ দাসে এনে অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰিব বুলি মন্তব্য কৰি দুয়োগৰাকী সমল ব্যক্তিকে মহাবিদ্যালয়লৈ আদৰণি জনায়। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড০ দীপ্তি কলিতাই সভাপতিত্ব কৰা অনুষ্ঠানটোত বিশিষ্ট চলচ্চিত্ৰ সমালোচক উৎপল দত্তই এনেধৰণৰ তথ্যচিত্ৰই নৱপ্ৰজন্মক শিপা বিচ্ছিন্ন নোহোৱাকৈ ৰখাত সহায় কৰে বুলি মন্তব্য আগবঢ়ায়। অসমীয়া বিভাগৰ অধ্যাপক ড০ প্ৰীতিৰেখা দত্তই দুয়োগৰাকী সমল ব্যক্তিক মহাবিদ্যালয়ৰ সদ্যপ্ৰকাশিত আলোচনী 'আলোক' উপহাৰ হিচাপে প্ৰদান কৰে। অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড০ প্ৰীতি দেৱীৰ শলাগৰ শৰাইৰে সামৰণি পৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দিপুল তালুকদাৰকে আদি কৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# ঠিকাদাৰৰ হেমাহি! দুবছৰে সম্পূৰ্ণ নহ'ল দুনী কলেজ-জয়পুৰ পথ

**ই-সংবাদ, দুনী, ২০ মাৰ্চঃ** ঠিকাদাৰৰ হেমাহিৰ বাবে দুবছৰেও সম্পূৰ্ণ হোৱা নাই এটা পথ। দুনী কলেজ-জয়পুৰ নিৰ্মীয়মান পথছোৱাই এতিয়া জলা-কলা খুৱাইছে স্থানীয় ৰাইজক। চাৰিচকীয়া অথবা দুচকীয়া এখন বাহন পাৰ হোৱাৰ পিছতে ধূলি-বালিয়ে পথৰ কাষৰ পৰিয়ালসমূহক বিপৰ্যস্ত কৰি তুলিছে। তদুপৰি শিল-বালিৰ বাবে পথছোৱাৰে খোজকাঢ়িযোৱাত কষ্টসাধ্য হৈ পৰিছে। দুবছৰ ধৰি গুৰুত্বপূৰ্ণ গ্ৰাম্য পথছোৱা অৰ্ধনিৰ্মিত অৱস্থাত পেলাই থোৱাৰ পিছতো গুৰুত্ব নাই দৰঙৰ লোক নিৰ্মাণ বিভাগৰ। উল্লেখ্য যে২০২২-২৩ বৰ্ষৰ মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিত অন্তৰ্ভুক্ত হৈছিল গুৰুত্বপূৰ্ণ এই পথটো। পথটোৰ নিৰ্মাণৰ বাবে ১১,২,৩৯ লাখ টকা আবণ্টন দিয়ে লোক নিৰ্মাণ বিভাগে। ২০২৩ চনৰ ৩ মে'ত ছিপাঝাৰৰ বিধায়কপৰমানন্দ ৰাজবংশীয়ে নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছিল। মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিত হোৱা হেমাহিত ক্ষুব্ধ হৈ পৰিছে ৰাইজ। শীঘ্ৰে পথছোৱাৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে ৰাইজে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# সদৌ অসম ভিত্তিত প্ৰাইজমানি কুইজ, চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, সোণাৰি, ২০ মাৰ্চঃ** চৰাইদেউ জিলাৰ সোণাৰিৰ পৰা পৰিচালিত কুইজ আৰু সাহিত্য চৰ্চাৰ গোট জাগৰণ দ্য ৰাইজিং ছান, শিশু আৰু কিশোৰৰ সাহিত্য চৰ্চাৰ মঞ্চ জনপ্ৰিয় ত্ৰিমাসিক ই-পত্ৰিকা 'বালাৰ্ক' আৰু আটাছুৰ সোণাৰি আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত অহা ৬ এপ্ৰিল, দেওবাৰে চৰাইদেউ জিলাৰ সোণাৰিৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনত সদৌ অসম ভিত্তিত SAPIENTIA 1.0 শীৰ্ষক প্ৰাইজমানি কুইজ আৰু ইন্দ্ৰধনু ২.০ শীৰ্ষক প্ৰাইজমানি চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সৰ্বমুঠ ৩২ হাজাৰ টকা প্ৰাইজমানিৰ কুইজ প্ৰতিযোগিতাত সপ্তম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব পাৰিব। আনহাতে, সৰ্বমুঠ ৪,৫০০ টকা প্ৰাইজমানিৰ চিত্ৰাংকন প্ৰতিযোগিতাত তৃতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ অধ্যয়নৰত শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব পাৰিব।কুইজ প্ৰতিযোগিতাৰ ক্ষেত্ৰত দূৰৈৰ প্ৰতিযোগীক আয়োজক সমিতিৰ তৰফৰ পৰা বিনামূলীয়াকৈ থকাৰ ব্যৱস্থা কৰি দিয়া হ'ব। ৬ তাৰিখে পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া কুইজ প্ৰতিযোগিতাৰ যোগদান মাচুল ১০০ টকা হোৱাৰ বিপৰীতে চিত্ৰাংকন প্ৰতিযোগিতাৰ যোগদান মাচুল ৫০ টকা। কুইজ প্ৰতিযোগিতাত দলীয় বা এককভাৱে অংশগ্ৰহণ কৰিব পাৰিব। কুইজ প্ৰতিযোগিতাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ ৮ টা দলক নগদ ধন, স্মাৰক আৰু মানপত্ৰ আগবঢ়োৱাৰ লগতে চিত্ৰাংকন প্ৰতিযোগিতাত শ্ৰেষ্ঠ পাঁচজনক পুৰস্কৃত কৰা হ'ব। ইয়াৰ সমান্তৰালভাৱে সোণাৰি নগৰ আঞ্চলিক ভিত্তিত ষষ্ঠ শ্ৰেণী পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি লিখিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। অধিক তথ্যৰ বাবে ৯৯৫৭৬৬৫৯৫০/৮৪০৩৯১১৯০১/৮৬৩৮২৯৩১৩১/৯৮৬৪২২৮৫৪২ নম্বৰত যোগাযোগ কৰিব বুলি আয়োজকসকলে জানিবলৈ দিয়ে।

# কেএচিৰে কোচ ৰাজবংশী সাহিত্য সভাৰ সৌজন্যমূলক বৈঠক

**ই-সংবাদ, অভয়াপুৰী, ২০ মাৰ্চঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সচিবালয়ত আজি কোচ ৰাজবংশী সাহিত্য সভাৰ সৈতে কেএচিৰ এক সৌজন্যমূলক বৈঠক অনুষ্ঠিত হয়। জাতিটোৰ ভাষা-সাহিত্যকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত মত বিনিময় অনুষ্ঠানত ভাগ লৈ কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অতুল ৰায়ে জানিবলৈ দিয়া মতে, জাতিটোৰ ভাষা-সাহিত্যৰ বিকাশৰ বাবে কোচ ৰাজবংশী সাহিত্য সভাক পৰিষদৰ তৰফৰ পৰা ইতিমধ্যে আৰ্থিক অনুদান প্ৰদান কৰা বিষয়ে উল্লেখ কৰে। বৈঠকত কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড০ দ্বিজেন ভকত, কোচ ৰাজবংশী সাহিত্য সভাৰ সম্পাদক কমল বৰ্মন, কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, মুখ্য সচিব, কাৰ্যবাহী সদস্যসকলৰ লগতে সাহিত্য সভাৰ বিষয়ববীয়াসকল, কেএচিৰ সাধাৰণ সদস্য, কোচ ৰাজবংশী সাহিত্য সভাৰ ভগ্নী সংগঠন কোচ ৰাজবংশী লেখিকা সংগঠনৰ সভানেত্ৰী-সম্পাদিকা, কোচ ৰাজবংশী জনগোষ্ঠীৰ সংগঠনৰ বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# টাপাট্টাৰী-সৃজনগ্ৰামত অৰুণোদয় আঁচনিৰ পৰা নাম কৰ্তনক লৈ উত্তাল প্ৰতিবাদ

**ই-সংবাদ, অভয়াপুৰী, ২০ মাৰ্চঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম আৰু টাপাট্টাৰী উন্নয়ন খণ্ড কাৰ্যালয়ত অৰুণোদয় আঁচনিৰ পৰা যোগ্য হিতাধিকাৰীৰ নাম কৰ্তনক লৈ আজি এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। জানিব পৰা মতে, টাপাট্টাৰী উন্নয়ন খণ্ডৰ বহু পঞ্চায়তত বঞ্চিত হিতাধিকাৰীসকলৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰোঁতে স্বজন-তোষণৰ আশ্ৰয় লোৱাৰ লগতে একাংশ দালালে ধনৰ বিনিময়ত একাংশ হিতাধিকাৰীৰ নাম আঁচনিত অন্তৰ্ভুক্ত কৰা বুলি অভিযোগ কৰে। তদুপৰি চাৰিচকীয়া বাহন থকা, আঢ্যৱন্ত লোক তালিকাত অন্তৰ্ভুক্ত হোৱাৰ উপৰি একেটা পৰিয়ালৰ কেবাজন লোকে হিতাধিকাৰী বাছনি হোৱা বুলি অভিযোগ উত্থাপন কৰে। এনে পৰিস্থিতিত যোগ্য ব্যক্তি হিতাধিকাৰীৰ তালিকাৰ পৰা বঞ্চিত হোৱা বুলি একাংশই ক্ষোভ প্ৰকাশ কৰে। তেনেদৰে সৃজনগ্ৰামৰ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ সমুখতো আজি বঞ্চিত একাংশ লোকে প্ৰতিবাদ সাব্যস্ত কৰি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে পূৰ্বে অৰুণোদয় আঁচনি লাভ কৰা বিধৱা মহিলা বা শাৰীৰিকভাৱে বিশেষ সক্ষম ব্যক্তিও আঁচনিৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ তোলে। উন্নয়ন খণ্ডটোৰ কাছাৰীপেটী, কীৰ্তনপাৰা, চক্ৰভৌম পঞ্চায়তৰ পৰা অৰুণোদয় ৩.০ আঁচনিৰ পৰা বঞ্চিত হোৱাৰ লগতে হিতাধিকাৰী বাছনিৰ নামত একাংশ লোকে ধন সংগ্ৰহ কৰা বুলি অভিযোগ কৰে।

# মিৰ্জাত হাস্য-ব্যংগ নাট 'যমপুৰীত পাপী আত্মা' মঞ্চস্থ

**ই-সংবাদ, মিৰ্জা, ২০ মাৰ্চঃ** মিৰ্জা নাট্য গোষ্ঠীৰ উদ্যোগত 'যমপুৰীত পাপী আত্মা' শীৰ্ষক এখন হাস্য-ব্যংগ নাট বুধবাৰে মিৰ্জা দুৰ্গা মন্দিৰ প্ৰাংগণত সন্ধিয়া ৮ বজাত মঞ্চস্থ কৰা হয়। নাট মঞ্চস্থ হোৱাৰ আগতে মঞ্চ মুকলি কৰি ভাষণ ৰাখে বিজেপিৰ যুৱনেতা অনুপ কুমাৰ মেধিয়ে। অনুষ্ঠানত মিৰ্জা নাট্য গোষ্ঠীৰ লগত জড়িত স্বৰ্গগামী হোৱা শিল্পী, কলা-কুশলীসকলক সমূহীয়া শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। নাটখন ৰচনা কৰিছে অমূল্য চন্দ্ৰ পালে। নাট পৰিচালনা তপন কুমাৰ দাসৰ, সামগ্ৰিক পৰিচালনা, পৰিকল্পনা গোপাল কলিতাৰ। সংগীত পৰিচালনা ড০ জীতেন দাস, নৃপেন কুমাৰ আৰু সুমন কলিতাৰ। নাটখনত অভিনয় কৰে ক্ৰমে পৰেশ শৰ্মা, তপন কুমাৰ দাস, অমূল্য চন্দ্ৰ পাল, সোণটি শৰ্মা, বলেন্দ্ৰ চন্দ্ৰ কুমাৰ, বীৰেণ কুমাৰ, ৰবীন কুমাৰ দাস, প্ৰবীণ চন্দ্ৰ দাস, প্ৰবীণ কুমাৰ দাস, জয়ন্ত কুমাৰ বৈশ্য, প্ৰদীপ দাস, তপন দাস, ড০ নৰেন দাস, ৰত্নেশ্বৰ কুমাৰ, শচীন কুমাৰ আৰু গোপাল কলিতাই। উল্লেখ্য যে হাস্য-ব্যংগ নাট 'যমপুৰীত পাপী আত্মা'ৰ জৰিয়তে উদ্যোক্তাসকলে সমাজ, ৰাজনীতি, শিক্ষকৰ চৰিত্ৰ, ভুৱা ডক্টৰ, লাট মণ্ডল, চৰকাৰী কাৰ্যালয়ৰ বিষয়ববীয়া, ট্ৰেডিং কেলেংকাৰী, নাৰী নিৰ্যাতন, পুৰুষ নিৰ্যাতন, ভুৱা আদৰ্শ খেতিয়ক আদিৰ নামত চলি থকা দুৰ্নীতি আৰু লুণ্ঠনৰ কথা নাটখনৰ মাজেৰে উপস্থাপন কৰিবলৈ সক্ষম হৈছে। কেবাশতাধিক দৰ্শকৰ উপস্থিতিত নাটখন মঞ্চস্থ হোৱাত উৎফুল্লিত হৈ পৰে উদ্যোক্তাসকল।

# নগাঁৱৰ কচুৱাত ড্ৰাগছসহ আৰক্ষীৰ জালত এজন

**ই-সংবাদ, কামপুৰ, ২০ মাৰ্চঃ** আজি বিয়লি নগাঁও জিলাৰ কচুৱাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জাহ্নৱ হাজৰিকাৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে কচুৱা বজাৰৰ পৰা ২৪ টা ড্ৰাগছ ভৰ্তি কন্টেইনাৰসহ এটা কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো ১ নং কচুৱাৰ সঞ্জু আহমেদ। পূৰ্বেও কেইবাবাৰো ড্ৰাগছ সৰবাহত জড়িত হৈ জে'ললৈ গৈছিল ধৃত সঞ্জু। বৰ্তমান কচুৱা আৰক্ষীয়ে সৰবৰাহকাৰীটোক অধিক তথ্য উদঘাটনৰ বাবে জেৰা অব্যাহত ৰাখিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# তিনিচুকীয়াত প্ৰয়াত ভৃগু ফুকনৰ ১৮ সংখ্যক মৃত্যু বাৰ্ষিকী পালন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২০ মাৰ্চঃ** তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক কেন্দ্ৰত ভৃগু ফুকন ফাউণ্ডেচনৰ উদ্যোগত আৰু অসম টি-লেবাৰ ইউনিয়নৰ সহযোগত আজি প্ৰয়াত ভৃগু ফুকনৰ ১৮ সংখ্যক মৃত্যু বাৰ্ষিকী পালন কৰা হয়। মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি এখন সভাৰো আয়োজন কৰা হয়। সভাত সভাপতিত্ব কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তনসম্পাদক তৰংগ মল্লবৰুৱাই। সভাৰ পূৰ্বে প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি মাল্যাৰ্পণ কৰা হয়। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলক এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত বিশিষ্ট ব্যক্তিসকলে ভৃগু ফুকনৰ বিষয়ে তেখেতৰজীৱনৰ বহু কথাই দাঙি ধৰে। আজিৰ সভাত 'দৈনিক অসম' কাকতৰ মুখ্য সম্পাদক হিতেশ ডেকা, ভৃগু ফুকন ফাউণ্ডেচন, তিনিচুকীয়াৰ সভাপতি ইজৰাইল নন্দ, জ্যোতি প্ৰসাদ চলিহা, অলকানন্দ কাকতিকে প্ৰমুখ্যে কৰি গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে।

# মটক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত বিহু নাচ কৰ্মশালাৰ সামৰণি

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২০ মাৰ্চঃ** সদৌ অসম মটক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু দিহিংগীয়া গাঁও যুৱক সংঘৰ সহযোগত যোৱা ১১ মাৰ্চৰ পৰা দিহিংগীয়া গাঁও যুৱক সংঘৰ প্ৰক্ষাগৃহত অনুষ্ঠিত হোৱা বিহু নাৰ্চ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। এই কৰ্মশালাত প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে বৰ বিহুৱতী নিজৰা বৈশ্য। ঢুলীয়া হিচাপে উপস্থিত থাকে ৰণজিৎ দুৱৰা আৰু অভয়ব ৰায়। আজিৰ সামৰণি অনুষ্ঠানৰ আঁত ধৰে মটক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুলভজ্যোতি শইকীয়াই। মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি সঞ্জয় হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত শিক্ষক অমৃত ৰাজখোৱা, লেখক-সাংবাদিক ৰূপম কাকতি, সাংবাদিক বিপ্লৱ চেতিয়া, মটক ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক মানস শইকীয়া, কাৰ্যনিৰ্বাহক দীপক বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত মটক ছাত্ৰ সন্থা আৰু যুৱক সংঘই বিহু নাচৰ প্ৰশিক্ষক কেইগৰাকীক সম্বৰ্ধনা পত্ৰ আৰু চেলেং চাদৰেৰে সম্বৰ্ধনা জনায়। প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ মান পত্ৰ প্ৰদান কৰা হয়।

# ১২৮ বছৰত ভৰি দিয়া ঐতিহ্যমণ্ডিত তিনিচুকীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

**ই সংবাদ ব্যুৰ', তিনিচুকীয়া, ২০ মাৰ্চঃ** ১৮৯৭ চনত স্থাপিত তথা ১২৮ বছৰত ভৰি দিয়া তিনিচুকীয়াৰ তুলসীৰাম পথস্থিত ঐতিহ্যমণ্ডিত তিনিচুকীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণেৰে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত বিদ্যালয়খনৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য, গীতকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। আজিৰ অনুষ্ঠানতেই বিদ্যালয়খনৰ তিনিগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সকলো ক্ষেত্ৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ বাবে বঁটা প্ৰদান কৰা হয়। বিদ্যালয়খনৰ প্ৰয়াত আদৰ্শ শিক্ষক গণেশ শৰ্মাৰ সোঁৱৰণত প্ৰদান কৰা চলন্ত শ্বিল্ড লাভ কৰে পঞ্চম শ্ৰেণীৰ ছাত্ৰ অংকুৰ গাৰ্গে। বিগত ২৮ বছৰ ধৰি চলি অহা এই চলন্ত শ্বিল্ড কৃতী ছাত্ৰগৰাকীক প্ৰদান কৰে প্ৰয়াত গণেশ শৰ্মাৰ পুত্ৰ চিন্ময় শৰ্মাই।আনহাতে, দক্ষ প্ৰসাদ লহকৰৰ সোঁৱৰণত প্ৰদান কৰা ট্ৰফী লাভ কৰে তৃতীয় শ্ৰেণীৰ আন এগৰাকী কৃতী ছাত্ৰী সুমেৰা বেগমে। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী প্ৰয়াত প্লাবিতা দেৱীৰ সোঁৱৰণত আগবঢ়োৱা ট্ৰফী লাভ কৰে পঞ্চম শ্ৰেণীৰ কৃতী ছাত্ৰ মায়ংক গোস্বামীয়ে। কেউটা বঁটাৰ সৈতে ট্ৰফী আৰু মানপত্ৰৰ লগতে ক্ৰমে ৩,০০০, ২,০৫০ আৰু ১,৫০০ টকাৰ জলপানি আগবঢ়োৱা হয়। ইয়াৰ পাছত অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহত বহুসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইয়াতেই চিন্ময় শৰ্মাক সভাপতি, ৰূপম দত্তক সাধাৰণ সম্পাদক, চেলু হুছেইনক উপ-সভাপতি আৰু বিশ্বজিৎ দত্তক সহকাৰী সাধাৰণ সম্পাদক হিচাপে লৈ আগন্তুক বৰ্ষৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমিতিখন গঠন কৰা হয়। বিদ্যালয় খনৰ প্ৰধান শিক্ষক তথা প্ৰাক্তন ছাত্ৰ হোমেন বৰুৱাই আঁত ধৰা অনুষ্ঠানত বিদ্যালয়খনৰ বৰ্তমানৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি বহুসংখ্যক অভিভাৱকো উপস্থিত থাকে।

# গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ দিন সলনি

**ই-সংবাদ, গোৰেশ্বৰ, ২০ মাৰ্চঃ** অবিভক্ত কামৰূপ জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ দিন অনিবাৰ্য কাৰণত পিছুৱাই দিয়া হৈছে বুলি উদযাপন সমিতিৰ সভাপতি কৰুণা কান্ত ডেকা, কাৰ্যকৰী সভাপতি মহীধৰ বড়ো আৰু সম্পাদক ড০ প্ৰমোদ মেধিয়ে আজি সন্ধিয়া এক বিবৃতিযোগে জনাইছে। পৰৱৰ্তী তাৰিখ সোনকালে ঘোষণা কৰা হ'ব বুলি বিবৃতিটোত উল্লেখ কৰে। উল্লেখ্য যে উক্ত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ২১, ২২ আৰু ২৩ মাৰ্চত উদযাপন কৰা হ'ব বুলি উল্লেখ কৰি গোৰেশ্বৰৰ কেইবাস্থানত তোৰণ দিয়া হৈছিল। সোণালী জয়ন্তীৰ প্ৰস্তুতি সম্পৰ্কে কৰ্ণধাৰ সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য, উপ-সমিতি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী ৰাইজৰ দৃষ্টিগোচৰ নোহোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। জানিব পৰা মতে, এই প্ৰতিক্ৰিয়াৰ পিছতেই খৰধৰকৈ আজি দুপৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সোণালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদকে কৰ্ণধাৰ সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা আহবান কৰে। সভাত কৰ্ণধাৰ সমিতিৰ কেইবাগৰাকী সদস্যই সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি আৰু সম্পাদকৰ কাৰ্যক তীব্ৰ সমালোচনা কৰি কৰ্কথনা কৰে। কাৰ্যনিৰ্বাহক সদস্যৰ তীব্ৰ বাক্যবাণৰ কোনো সদুত্তৰ দিব নোৱাৰি উদযাপন সমিতিৰ মূল কাণ্ডাৰীকেইগৰাকীয়ে ভুল স্বীকাৰ কৰি ক্ষমা-প্ৰাৰ্থনা বিচাৰে। পিছত উক্ত সভাতেই সোণালী জয়ন্তী উদযাপনৰ দিন সলনি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# নামখলা সহায়ক স্বাস্থ্য কেন্দ্ৰৰ কাৰ্যালয় সহায়িকাৰ বিৰুদ্ধে ৰাজহুৱা সভা

**ই-সংবাদ, দুনী, ২০ মাৰ্চঃ** দৰঙৰ নামখলা সহায়ক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকক দুৰ্ব্যৱহাৰ কৰা এগৰাকী কৰ্মচাৰীৰ বিৰুদ্ধে এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। জানিব পৰা মতে, দৰঙৰ পশ্চিম প্ৰান্তত অৱস্থিত নামখলাত ১৯৫৮ চনতে স্থাপন কৰা হৈছিল নামখলা সহায়ক স্বাস্থ্য কেন্দ্ৰটি। বৃহত্তৰ নামখলা অঞ্চলৰ ৰাইজৰ স্বাস্থ্য আৰু চিকিৎসা সেৱাৰ উদ্দেশ্যে স্থাপন হোৱা স্বাস্থ্য কেন্দ্ৰটিত সম্প্ৰতি নাই কোনো স্থায়ী চিকিৎসক। কৰ্মৰত চিকিৎসকগৰাকীক কাৰ্যালয় সহায়িকা শেৱালী ডেকাই চিকিৎসালয় পৰিচালনা সমিতিৰ সভাপতি আৰু ৰোগীৰ সন্মুখতে দুৰ্ব্যৱহাৰ কৰা বিষয়টিয়ে বহুল চৰ্চা লাভ কৰাৰ পিছৰে পৰা চিকিৎসকগৰাকী স্বাস্থ্য কেন্দ্ৰত অনুপস্থিত বুলি জানিব পৰা গৈছে। যাৰ বাবে বুধবাৰে নামখলা পঞ্চায়তৰ সভাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়।

# স্পেচ-এক্সৰে জড়িত ছিপাঝাৰৰ যুৱকে সুনীতাৰ ওভতনি যাত্ৰাত ল'লে অংশ



**ই-সংবাদ, দুনী, ২০ মাৰ্চঃ** মহাকাশ কেন্দ্ৰত সুদীৰ্ঘ ৯ মাহ পাৰ কৰিবলগীয়া হোৱা মহাকাশচাৰী সুনীতা উইলিয়ামছৰ পৃথিৱীলৈ ওভতনি যাত্ৰাত দৰঙৰ এগৰাকী যুৱকে কৰিলে অংশগ্ৰহণ। চৰ্চালৈ অহা অসমীয়া যুৱকগৰাকী মূলতঃ স্পেচ-এক্সৰে জড়িত থকাৰ সূত্ৰেই বিৰল সৌভাগ্য অৰ্জন কৰে। পেছাত কম্পিউটাৰ অভিযন্তা দৰঙৰ হাজৰিকাপাৰাৰ ভৱানী শৰ্মা আমেৰিকালৈ গৈ কোম্পানী এটাত যোগদান কৰিছিল। পাছলৈ নিজাববীয়া কনচাল্টেন্সী প্ৰতিষ্ঠান মুকলি কৰা শৰ্মাই স্পেচ-এক্সত ৮ মাহ পূৰ্বে যোগদান কৰি অভিযানৰ কেবাটাও পদক্ষেপত সহযোগ কৰে। বিশেষকৈ ছফটৱেৰ যোগান ধৰি কৰ্ম-কুশলতাৰ পৰিচয় দিছে। মন কৰিবলগীয়া যে, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা কম্পিউটাৰ ছায়েন্স শাখাত স্নাতক সন্মান অৰ্জন কৰা ভৱানী শৰ্মা আছিল এগৰাকী অসম আন্দোলনকাৰী। শৰ্মা হাজৰিকাপাৰাৰ গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অষ্টম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে স্বেচ্ছাসেৱক হিচাপে অসম আন্দোলনত জড়িত হৈছিল। আনকি স্বেচ্ছাসেৱক হিচাপে সেই সময়ত ভৱানী শৰ্মাই আৰক্ষীৰ পৰা পলায়ন কৰিব লগাও হৈছিল। হাজৰিকাপাৰাৰ প্ৰয়াত সুৰেন শৰ্মাৰ পুত্ৰ ভৱানী শৰ্মাৰ আন্দোলন কালৰ বহু ইতিহাস আজি অসম আন্দোলনকাৰী তথা ভৱানী শৰ্মা পৰম বন্ধু নৰ ডেকাই সোঁৱৰণ কৰি ভৱানীয়ে আমেৰিকাৰ ফ্লৰিডাত থাকি লাভ কৰা বিৰল সৌভাগ্যত উৎসাহিত হৈ পৰে। জাতি আৰু মাতৃভূমিৰ প্ৰতি থকা গভীৰ অনুৰাগৰ বাবে ভৱানীৰ প্ৰতি অধিক উৎসাহী হৈ পৰা বুলি ভৱানী শৰ্মাৰ ঘনিষ্ঠ বন্ধু তথা অভিযন্তা বিনয় কুমাৰ শৰ্মাবৰুৱা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ তপন কুমাৰ শৰ্মাই আনন্দ প্ৰকাশ কৰে। ভৱানী শৰ্মাৰ দুই ভাতৃ ক্ৰমে প্ৰশান্ত আৰু নৰ শৰ্মা পিতৃ গৃহতে আছে আৰু ককায়েকৰ এই বিৰল অংশগ্ৰহণ সন্দৰ্ভত মিডিয়াযোগে বাৰ্তা লাভ কৰি আনন্দিত হৈছে। তাৎপৰ্যপূৰ্ণ যে, মহাকাশত ৮ দিন কটাবলৈ গৈ সুদীৰ্ঘ ৯ মাহ পাৰ কৰিবলগীয়া ভাৰতীয় মূলৰ সুনীতা উইলিয়ামছৰ ওভতনি যাত্ৰাই সমগ্ৰ বিশ্বতে খলকনি তুলিছে। এক প্ৰকাৰ সুনীতাৰ ওভতনি যাত্ৰাত পূৰ্বৰ মাৰ্কিন ৰাষ্ট্ৰপতি জ'বাইডেনে কোনো তৎপৰতা অৱলম্বন নকৰাত আক্ষেপ কৰি নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু স্পেচ-এক্সৰ গৰাকী এলন মাস্কক দৰঙৰ ৰাইজে প্ৰশংসা কৰিছে। উল্লেখ্য যে, দৰঙৰ ভৱানী শৰ্মা সুনীতা উইলিয়ামছৰ ওভতনি যাত্ৰাৰ বিশাল দলটোৰ অন্যতম অংশীদাৰ হোৱাৰ আঁৰৰ সৌভাগ্য এলন মাস্কেই মুকলি কৰি দিছিল।

# টীয়ক সন্মিলিত যুৱ সংঘৰ বিহু কৰ্মশালাৰ আয়োজন

**ই-সংবাদ, টীয়ক, ২০ মাৰ্চঃ** বিগত বছৰবোৰৰ দৰে এইবাৰো টীয়কৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান টীয়ক সন্মিলিত যুৱ সংঘৰ উদ্যোগত ২৬ মাৰ্চৰ পৰা ৮ এপ্ৰিললৈকে টীয়ক হাইস্কুল খেলপথাৰত আয়োজন কৰিবলৈ লৈছে বিহু নাচ, ঢোলবাদন আৰু হুঁচৰি বিহুৰ কৰ্মশালা। প্ৰখ্যাত লোক-সংস্কৃতিৰ সাধক দিগন্ত শইকীয়া, বিশিষ্ট বিহুৱা ৰাজু চাংমাই, বৰ বিহুৱতী জোৎস্না ৰাণী শইকীয়া, অংকিতা দাস, বৰষা বৰা, বিহুৱা পাৰ্থ প্ৰতীম কলিতা, শতকৃষ্ণ দাস প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব বুলি টীয়ক সন্মিলিত যুৱ সংঘৰ সভাপতি অঞ্জন প্ৰকাশ বৰুৱা, কাৰ্যকৰী সভাপতি বিকাশ বৰা, সাধাৰণ সম্পাদক ৰণ্টু ভূঞা, যুটীয়া সম্পাদক ভাস্কৰজ্যোতি বৰা আৰু ঋতম দত্তই এক বিবৃতিৰ জৰিয়তে জানিবলৈ দিছে। আনহাতে,কৰ্মশালাৰ পঞ্জীয়ন মাচুল চাৰিশ পঞ্চাশ টকাআৰু পঞ্জীয়ন ফৰ্মসমূহ টীয়কৰ চেলেংহাট পথৰ নিয়ৰ প্ৰকাশন, পুৰণা বেংক তিনিআলিৰ ববি বুক ষ্টল, টীয়ক থানাৰ সন্মুখৰ জোনাক প্ৰিণ্ট তথা জগদুৱাৰৰ শইকীয়া এণ্টাৰপ্ৰাইজত উপলব্ধ বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। কৰ্মশালাৰ সময় বিয়লি ৩ বজাৰ পৰা বুলি জানিবলৈ দিছে। যোগাযোগৰ বাবে দিয়া নম্বৰ হৈছে৭০০২৪০২৮২০, ৮৬৩৮৩০৩৩৪৩, ৯৮৬৪৪৪৩৩৮। বিহু নাচ, ঢোলবাদন আৰু হুঁচৰি বিহু কৰ্মশালাত ৰাইজৰ সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে। আনহাতে, কৰ্মশালাত অংশগ্ৰহণকাৰীসকলৰ টীয়কৰ প্ৰতিষ্ঠিত নৃত্য প্ৰতিষ্ঠান নৃত্যাঞ্জলি একাডেমীত সম্পূৰ্ণ বিনামূলীয়াকৈ নামভৰ্তিৰ সুবিধা পাব বুলি জনাইছে টীয়ক সন্মিলিত যুৱ সংঘৰ সভাপতি আৰু সাধাৰণ সম্পাদকে।

# শিৱসাগৰ জিলা ভিত্তিক বিকশিত ভাৰত যুৱ সংসদ প্ৰতিযোগিতা

**ই-সংবাদ, আমগুৰি, ২০ মাৰ্চঃ** ভাৰত চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত সমগ্ৰ ভাৰতবৰ্ষতে ৩০০ খন জিলাক ন'ডেল জিলা হিচাপে নিৰ্বাচিত কৰি ১৮ৰ পৰা ২৫ বছৰৰ যুৱক-যুৱতীসকলৰ মাজত 'যুৱ-সংসদ' প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সমান্তৰালভাৱে আজিৰে পৰা অৰ্থাৎ ২০ আৰু ২১ মাৰ্চত নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ উদ্যোগত শিৱসাগৰ নেহেৰু যুৱ কেন্দ্ৰৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শিৱসাগৰ জিলা ভিত্তিত যুৱ সংসদ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। সংসদৰ বিষয়- 'এক দেশ, এক নিৰ্বাচন'। শিৱসাগৰ জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ ডেৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা যুৱ সংসদ প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে জিলাখনৰ দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জিত কুমাৰ বৰুৱাই। অনুষ্ঠানটো উদ্বোধন কৰি ভাষণত ড০ ৰঞ্জিত কুমাৰ বৰুৱাই যুৱ প্ৰজন্মক উদগনি দিয়াৰ উদ্দেশ্যে এনে অনুষ্ঠান আয়োজন কৰা বাবে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ক ধন্যবাদ জ্ঞাপন কৰে আৰু নিজেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই সুখী হোৱা বুলি মন্তব্য কৰে। তদুপৰি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ধ্ৰুৱজ্যোতি নাথে অনুষ্ঠানৰ আৰম্ভণিতে প্ৰতিযোগীসকলক আদৰণী জনাই বহুমূলীয়া ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত শিৱসাগৰ জিলাৰ নেহেৰু যুৱ কেন্দ্ৰৰ যুৱ বিষয়া পাপাই দাস, গাণনিক বিষয়া ৰামেন্দ্ৰ ভট্টাচাৰ্য, যুৱ নায়ক পংকজ দত্ত উপস্থিত থাকে। ইংৰাজী বিভাগৰ অংশকালীন প্ৰবক্তা ৰিজুস্মৃতা কলিতাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত জুৰিৰ সদস্য হিচাপে অংশগ্ৰহণ কৰে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড০ ৰেখা বৰঠাকুৰ, শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহযোগী অধ্যাপক শ্বাহীউজ জামান আহমেদ, ডিমৌ পৌৰসভাৰ কাৰ্যবাহী বিষয়া মৃত্যুঞ্জয় ভৰালী আৰু যুৱ বিষয়া ডম্বীধৰ টায়ে।

# পৰ্বতঝোৰাত হিতাধিকাৰীৰ পৰিয়ালক অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী

**ই-সংবাদ, পৰ্বতঝোৰা, ২০ মাৰ্চঃ** সকলোৰে বাবে আৱাস যোজনাৰ গৃহ, কেৱল পৰিকল্পনা নহয়, সেৱা বাস্তৱ ৰূপ দিয়াৰ স'ততে সপোন দেখি থকা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৩,৮৮,৩৫৮ টি দৰিদ্ৰ হিতাধিকাৰী পৰিয়ালক গৃহ নিৰ্মাণৰ অনুমোদন পত্ৰ বিতৰণ কৰে। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা পৰিষদীয় সমষ্টিৰ কাজিগাঁও মহাকুমাধিপতি কাৰ্যালয় চৌহদতো প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ২,২১৪ গৰাকী দৰিদ্ৰ পৰিয়ালক অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে পৰ্বতঝোৰা মহকুমাধিপতি দেৱ জ্যোতি গগৈৰ সৌজন্যত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী সমষ্টিত ভাৰ্চুৱেলী অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ পিছতেই পৰ্বতঝোৰা পৰিষদীয় সমষ্টিৰ মুঠ ২,২১৪ গৰাকী হিতাধিকাৰীৰ ভিতৰত ২০ গৰাকী হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰা হয়।

# আজিৰেপৰা গোৰেশ্বৰৰ শিমলিবাৰীত চানজাখৌলা আঞ্চলিক বাথৌ গৌথুমৰ ৰূপালী জয়ন্তী সমাৰোহ আৰম্ভ

**ই-সংবাদ, গোৰেশ্বৰ, ২০ মাৰ্চঃ** বাথৌ মহাসভাৰ অধীনৰ চানজাখৌলা বাথৌ আঞ্চলিক গৌথুমৰ ৰূপালী জয়ন্তী আজিৰেপৰা চাৰিদিনীয়া কাৰ্যসূচীৰে গোৰেশ্বৰৰ শিমলিবাৰীৰ বৈৰাথী বাথৌ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হৈছে। পুৱা ৬ বজাত বাথৌ বেৰ বনোৱা কাৰ্যসূচীৰে হিতেশ্বৰ নাৰ্জাৰীয়ে ৰূপালী জয়ন্তীৰ কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছতে ৮ বজাত সিজু আদৰি অনা পৰ্ব অনুষ্ঠিত হয়। সন্ধিয়া ৬ বজাত শনিৰাম দৈমাৰী আৰু পুলেন বড়ো সোঁৱৰণী কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰে গোৰেশ্বৰ পায়োনিয়াৰ একাডেমিৰ সচিব দৈমু বড়োৱে। ৬.৩০ বজাত ধাতুৰাম বড়ো আৰু কাতিৰাম নাৰ্জাৰী সোঁৱৰণী ভোজনালয়ৰ দ্বাৰ মুকলি কৰে যুৱ ব্যৱসায়ী চক্ৰধৰ বড়োৱে। ৭ বজাত গৰ্গৰাম বড়ো আৰু খগেন বড়ো সোঁৱৰণী প্ৰদৰ্শনী মেলাৰ দ্বাৰ মুকলি কৰে বি টি আৰৰ ই এম ৰনেন্দ্ৰ নাৰ্জাৰীয়ে। কাইলৈ অৰ্থাৎ ২১ মাৰ্চৰ পুৱা ৫.৩০ত স্বচ্ছ অভিযান, ৬ বজাত বন্তি প্ৰজ্বলন। ৬.৩০ বজাত উপেন নাৰ্জাৰী আৰু ৰাইমল বড়ো সোঁৱৰণী তোৰণ মুকলি কৰিব গোপচাৰ ভি চি ডি চিৰ অধ্যক্ষ লৈথুমা বড়োৱে। ৭ বজাত মনেশ্বৰী বড়ো আৰু লাৱণ্য বড়ো সোঁৱৰণী প্ৰাৰ্থনা গৃহ উন্মোচন কৰিব বিশিষ্ট ব্যৱসায়ী গিৰেণ বড়োৱে। ৭.৩০ বজাত আৰজ (প্ৰাৰ্থনা)। ৮.৪৫ বজাত গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰিব বন বিষয়া কৃতি চন্দ্ৰ দৈমাৰীয়ে। ৯ বজাত তুফান বড়ো সোঁৱৰণী আই মাতৃৰ গৃহ মকুলি কৰিব বনাঞ্চলিক বিষয়া কামেশ্বৰ বড়োৱে। ৯.৩০ বজাত গোলোক চন্দ্ৰ বড়ো সোঁৱৰণী মঞ্চ মুকলি কৰিব জিনাৰাম বড়োৱে। ১০ বজাত বিলাইশ্ৰী ব্ৰহ্ম আৰু বিমলা বড়ো সোঁৱৰণী প্ৰেক্ষাগৃহ মুকলি কৰিব এন আৰ ডি এছৰ সচিব দেৰহাচাং নাৰ্জাৰীয়ে। ১০.৩০ পানেশ্বৰ বড়ো আৰু বীৰেণ বড়ো সোঁৱৰণী অতিথিশালা মুকলি কৰিব শিক্ষক দ্বিপেন নাৰ্জাৰীয়ে। ১১ বজাত মণিৰাম বড়ো আৰু ভুৱন বড়ো সোঁৱৰণী স্বেছাসেৱক বাহিনীৰ কাৰ্যালয় মুকলি কৰিব কমেন বড়ো আৰু প্ৰদীপ ৰায়ে। ১১.৪৫ গাজিৰাম বড়ো সোঁৱৰণী চিকিৎসা শিবিৰ মুকিল কৰিব ডাঃ ঘনকান্ত বসুমতাৰীয়ে। ১২.৩০ বজাত দৌৰী আফাডৰ মুকলি সভা উদ্বোধন কৰিব প্ৰাক্তন ই এম মহেশ্বৰ বসুমতাৰীয়ে। ৩ বজাত ধৰ্মমূলক কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব হাংগামা নাৰ্জাৰীয়ে। ৬ বজাত সন্ধিয়াৰ প্ৰাৰ্থনা(আৰজ) আৰু ৭.১৫ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব আৰক্ষী বিষয়া দ্বীপজ্যোতি মজুমদাৰে।

---

## ৰঙিয়াত পথ দুৰ্ঘটনা, নিহত এজন

**ই-সংবাদ, ৰঙিয়া, ২০ মাৰ্চঃ** ৰঙিয়াৰ বটাকুছিত আজি দিনৰভাগত সংঘটিত এটা পথ দুৰ্ঘটনাত চালক এজন থিতাতে নিহত হয়। স্থানীয় জৱাহৰ নৱোদয় বিদ্যালয়ৰ সমীপত সংঘটিত হয় ভয়ংকৰ দুৰ্ঘটনাটো। পথৰপৰা চলন্ত ট্ৰেক্টৰ এখন পথৰ সংলগ্ন খাৰৈত বাগৰি পৰাৰ পাছতে গাড়ীৰ তলত সোমাই পৰে চালকজন। প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া অনুসৰি চালকজনে উক্ত ঘটনাত মৃত্যুক সাবটি লয়। নিহত চালকজন বিজনীৰ মাজিদুল আলী বুলি চিনাক্ত কৰা হৈছে। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষীৰ উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্ত ট্ৰেক্টৰখন উদ্ধাৰ কৰে। অঞ্চলটো এনেকৈ ট্ৰেক্টৰৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ পৰিছে সৰ্বাসাধাৰণ ৰাইজ।

## মৰিয়নিৰ তিৰুহিল্ছ বনাঞ্চলত নগাৰ অগ্নিসংযোগ, বন বিভাগৰ তদন্ত



**ই-সংবাদ, মৰিয়নি, ২০ মাৰ্চঃ** মৰিয়নিৰ তিৰুহিলছ সংৰক্ষিত বনাঞ্চলত সংঘটিত হৈছে অগ্নিকাণ্ড। মৰিয়নি আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত মৰঙিয়াল খণ্ড বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত বনাঞ্চলখনৰ লখিমীজান পাহাৰত সংঘটিত হৈছে এই ঘটনা। তিৰুহিলছ সংৰক্ষিত বনাঞ্চলৰ ভূমি বেদখলৰ বাবে নগা দুৰ্বৃত্তই এনেদৰে অগ্নিসংযোগ কৰাৰ ফলত বনাঞ্চলখনৰ সেউজ বনভূমি জুইত জাহ যায়। এই ঘটনাৰ পিছতে সীমান্তত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। অগ্নিকাণ্ডস্থলীত বন বিভাগৰ লোক উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

---

## বেতবাৰীৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ সামৰণি

**ই-সংবাদ, শিৱসাগৰ, ২০ মাৰ্চঃ** শিৱসাগৰ বেতবাৰীৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ আজি অন্ত পৰে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ আজি অন্তিম দিনা পুৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শিক্ষক-শিক্ষয়িত্ৰী, বৰ্তমান আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ অংশগ্ৰহণেৰে উলিওৱা হয় এই শোভাযাত্ৰা। অসমীয়া সংস্কৃতিৰ প্ৰতিচ্ছবি তুলিধৰা এই শোভাযাত্ৰা উদ্বোধন কৰে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ বিষয়ববীয়া নিত্যানন্দ শইকীয়াই। ইয়াৰ প্ৰাকক্ষণত বন্তি প্ৰজ্বলন কৰে সাৰৰমল আগৰৱালাই। মুকলি সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী ঘন গগৈয়ে। ঘন গগৈয়ে ভাষণ প্ৰদান কৰি শংকৰদেৱ শিশু নিকেতন, বেতবাৰীয়ে মৌজাটোত শিক্ষাৰ পোহৰ বিলোৱাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে বুলি মন্তব্য কৰে। লগতে শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ কামনা কৰে। এইক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভূমিকাকো শলাগে তেওঁ। মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে উত্তৰ লক্ষীমপুৰ চক্ৰৰ জনস্বাস্থ্য কাৰীকৰি বিভাগৰ অধীক্ষক কুমুদ ৰঞ্জন হাজৰিকাই। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী দিলীপ চাংমাই। ৰূপালী জয়ন্তীত ভাষণ প্ৰদান কৰি প্ৰধান আচাৰ্য জগত শ্যামে নিকেতনৰ ২৫ বছৰীয়া বৰ্ণিল যাত্ৰাৰ বিষয়ে অৱগত কৰে। নিকেতনৰ প্ৰতিষ্ঠা কালৰপৰা বৰ্তমানলৈকে প্ৰত্যক্ষ অথবা পৰোক্ষ যিকোনো প্ৰকাৰে জড়িত সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে। লগতে অনাগত দিনটো সকলোৰে সহযোগিতা কামনা কৰে।

# বালাজানত অৰুণোদয় আঁচনিৰ নামত ধন সংগ্ৰহ কৰা এজন জালত

**ই-সংবাদ, আগমনি, ২০ মাৰ্চঃ** ধুবুৰী জিলাৰ বালাজান গাঁও পঞ্চায়তৰ বতুৰাতলি গাঁৱত অৰুণোদয় ৩.০ আঁচনিত তালিকাভুক্ত কৰাৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগত আজি এজন অভিযুক্তক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আটকাধীন লোকজন গাঁওখনৰ এ আই ইউ ডি এফৰ নেতা আবুল কালাম সৰকাৰ। অভিযোগ মতে, আবুল কালাম সৰকাৰ, হাসানুৰ আলম আৰু ৰূপালী খাতুনে গাঁওখনৰ মহিলাক মুখ্যমন্ত্ৰীৰ অভিলাসী আঁচনি অৰুণোদয় ৩.০ত তালিকাভুক্ত কৰাৰ নামত দুই তিনি হাজাৰ কৈ টকা সংগ্ৰহ কৰিছিল। কিন্তু কালি দৰিদ্ৰ বিধৱা মহিলাসকলে ধন দিয়াৰ পিছতো তালিকাত অন্তৰ্ভুক্ত নোহোৱাত ক্ষোভত ফাটি পৰে। বঞ্চিত মহিলাসকলে গাঁও পঞ্চায়তৰ কাৰ্যালয়ত গৈ আবুলক লগ কৰি তালিকাভুক্ত নোৱাৰাৰ কাৰণ জানিব বিচাৰে। আবুলে ওলোটাই মহিলাসকলক অশ্লীল ভাষাত গালি-শপনি দিয়াৰ লগতে শাৰীৰিকভাৱে আক্ৰমণ কৰিবলৈও উদ্যত হয়। উপায়ন্তৰ হৈ বঞ্চিত যাঠিগৰাকী মহিলাই কালি গোলকগঞ্জ থানাত এজাহাৰ তৰিছিল। আজি এই সন্দৰ্ভত নিউজ নেক্সট ওৱানত বাতৰি প্ৰকাশ হোৱাৰ পাছতেই গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাই অতৰ্কিতে গাঁওখনত অভিযান চলাই মূল অভিযুক্ত আবুল কালাম সৰকাৰক আটক কৰে। আনহাতে, হাসানুৰ আলম আৰু ৰূপালী খাতুন পলাতক হৈ আছে যদিও আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

# দক্ষিণ গুণিয়ালগুৰিত মৰণ-ফান্দত পৰিণত বিদ্যুতৰ তাঁৰ

**ই-সংবাদ, কলগাছিয়া, ২০ মাৰ্চঃ** বৰপেটা জিলাৰ সৰভোগ বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত কলগাছিয়াৰ দক্ষিণ গুণিয়ালগুৰি গাঁৱত প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ৰাস্তাৰ কাষত বাঁহৰ খুঁটাত ভয়ংকৰভাৱে সংযোগ কৰা হৈছে বিদ্যুতৰ হাইভল্টেজ তাঁৰ। পুৰণা তাঁৰসমূহ জোৰা-টাপলি মাৰি এনেদৰে লগাই থোৱাত বিপদ মাতি আনিছে গাঁওবাসীলৈ। স্থানীয় ৰাইজে বাৰে বাৰে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাৰ পিছতো সুফল পোৱা নাই বুলি অভিযোগ উত্থাপন হৈছে। গাঁওখনত প্ৰায় কুৰি বছৰ পূৰ্বেই বিদ্যুৎ সংযোগ কৰা হৈছে যদিও আজিলৈকে তাঁৰসমূহ পৰিৱৰ্তন কৰা হোৱা নাই। ফলত হাইভল্টেজ বিদ্যুৎ পৰিবাহী তাঁৰসমূহ জহি-খহি গৈছে। তদুপৰি, ৰাস্তাৰ কাষত উন্মুক্ত অৱস্থাত আছে



বিদ্যুতৰ ট্ৰান্সফৰ্মাৰ। কাষতে আছে ১২৯২ নং দক্ষিণ গুণিয়ালগুৰি প্ৰাথমিক বিদ্যালয়খন। কোনো আঁৰ-বেৰ নথকা ট্ৰান্সফৰ্মাৰটোত যিকোনো মুহূৰ্তত সংঘটিত হ'ব পাৰে ভয়ংকৰ দুৰ্ঘটনা। ইফালে, ঘৰে ঘৰে বিদ্যুৎ বিভাগে স্মাৰ্ট মিটাৰ সংযোগ কৰি আছে যদিও এই সন্দৰ্ভত কোনো কাণসাৰ দিয়া নাই। সেয়ে শীঘ্ৰে বিদ্যুতৰ নতুন খুঁটা আৰু তাঁৰ সংযোগ কৰি ৰাইজক বিপদৰ পৰা ৰক্ষা কৰিবলৈ দাবী জনাইছে ভুক্তভোগী লোকে।

# তিতাবৰত ১৯০৩ গৰাকী হিতাধিকাৰীক প্ৰধান মন্ত্ৰী আৱাস গৃহৰ অনুমোদন পত্ৰ প্ৰদান

**ই-সংবাদ, তিতাবৰ, ২০ মাৰ্চঃ** তিতাবৰ সমজিলা প্ৰশাসনৰ উদ্যোগত আৰু তিতাবৰ উন্নয়ন খণ্ডৰ সহযোগত আজি সমজিলাখনৰ হিতাধিকাৰীসকলক প্ৰধান মন্ত্ৰী আৱাস গৃহ যোজনাৰ(গ্ৰামীণ) অনুমোদন পত্ৰ প্ৰদান কৰা হয়। তিতাবৰৰ দেৱ কুমাৰ বৰা ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত সমষ্টিটোৰ ২৬ খন পঞ্চায়তৰ ১৯০৩ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস গৃহ যোজনাৰ (গ্ৰামীণ) অনুমোদন পত্ৰ প্ৰদান কৰা হয়। গৃহৰ অনুমোদন পত্ৰ লাভ কৰি হিতাধিকাৰীসকল উৎফুল্লিত হৈ পৰে। চৰকাৰী পকী ঘৰ লাভ কৰি বহু দৰিদ্ৰ পৰিয়ালৰ পকী ঘৰত থকাৰ দীৰ্ঘদিনীয়া সপোন পূৰ হোৱাৰ কথা প্ৰকাশ কৰাৰ লগতে বিজেপি চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। আজি অনুমোদন পত্ৰ লাভ কৰাৰ পিছতে গৃহ নিৰ্মাণৰ বাবে প্ৰথম কিস্তীৰ ধন বেংক একাউণ্টত সোমাব বুলি জানিব পৰা গৈছে। অনুষ্ঠানত তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱা, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ চন্দ্ৰ কছাৰীৰ লগতে তিতাবৰৰ পৌৰপতি ৰশ্মি ভট্টাচাৰ্য, বিজেপি নেতা ৰঞ্জন শইকীয়া, সমজিলা প্ৰশাসনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ দিন সলনি

**ই-সংবাদ, গোৰেশ্বৰ, ২০ মাৰ্চঃ** অবিভক্ত কামৰূপ জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ দিন অনিবাৰ্য কাৰণত পিছুৱাই দিয়া হৈছে বুলি উদযাপন সমিতিৰ সভাপতি কৰুণা কান্ত ডেকা, কাৰ্যকৰী সভাপতি মহীধৰ বড়ো আৰু সম্পাদক ডঃ প্ৰমোদ মেধিয়ে আজি সন্ধিয়া এক বিবৃতি যোগে জনাইছে। পৰৱৰ্তী তাৰিখ সোনকালে ঘোষণা কৰা হ'ব বুলি বিবৃতিটোত উল্লেখ কৰে। উল্লেখ্য যে উক্ত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ২১, ২২ আৰু ২৩ মাৰ্চত উদযাপন কৰা হ'ব বুলি উল্লেখ কৰি গোৰেশ্বৰৰ কেইবাস্থানত তোৰণ দিয়া হৈছিল। সোণালী জয়ন্তীৰ প্ৰস্তুতি সম্পৰ্কে কৰ্ণধাৰ সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য, উপ-সমিতি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী ৰাইজৰ দৃষ্টিগোচৰ নোহোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। জানিব পৰা মতে, এই প্ৰতিক্ৰিয়াৰ পিছতেই খৰধৰকৈ আজি দুপৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সোণালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদকে কৰ্ণধাৰ সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা আহ্বান কৰে। সভাত কৰ্ণধাৰ সমিতিৰ কেইবাগৰাকী সদস্যই সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি আৰু সম্পাদকৰ কাৰ্যক তীব্ৰ সমালোচনা কৰি কৰ্কথনা কৰে। কাৰ্যনিৰ্বাহক সদস্যৰ তীব্ৰ বাক্যবাণৰ কোনো সদুত্তৰ দিব নোৱাৰি উদযাপন সমিতিৰ মূল কাণ্ডাৰীকেইগৰাকীয়ে ভুল স্বীকাৰ কৰি ক্ষমা প্ৰাৰ্থনা বিচাৰে। পিছত উক্ত সভাতেই সোণালী জয়ন্তী উদযাপনৰ দিন সলনি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

# ভৱানীপুৰত ড্ৰাগছসহ আটক দুজন লোক

**ই-সংবাদ, ভৱানীপুৰ, ২০ মাৰ্চঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰাজাখাটত আজি ড্ৰাগছসহ দুজন লোকক ভৱানীপুৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, আজি বিয়লি ৪.৩০ বজাত পাঠশালাৰ অভিজিৎ দাস আৰু উদ্দীপ্ত তালুকদাৰ নামৰ যুৱক দুজনে ড্ৰাগছসহ ৰাজখাটত উপস্থিত হোৱাত এক গোপন সূত্ৰৰ পম খেদি ভৱানীপুৰ আৰক্ষী চকীৰ আৰক্ষীয়ে তেওঁলোকক আটক কৰে। ভৱানীপুৰ আৰক্ষীয়ে যুৱক দুজনৰপৰা এটা সৰু ড্ৰাগছ কণ্টেনাৰ জব্দ কৰিবলৈ সক্ষম হৈছে।

# বিৰুবালা ৰাভাৰ জীৱনৰ সাংগীতিক বেলাড ‘বালা’ৰ সফল মঞ্চায়ন

■ প্ৰাঞ্জল এ. শৰ্মা

গুৱাহাটীৰ পঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে গুৱাহাটীৰ দৰ্পন নৃত্য একাডেমীয়ে ‘বালা’ নামৰ এক চিন্তা-উদ্দীপক সাংগীতিক বেলাড উপস্থাপন কৰে।

‘বালা’ নামৰ বেলাডখনৰ পৰিকল্পনা আৰু নৃত্য পৰিচালনা কৰিছিল বিখ্যাত ওডিছি আৰু সত্ৰীয়া নৃত্যশিল্পী, নৃত্য পৰিচালক তথা গুৱাহাটীৰ দৰ্পন নৃত্য একাডেমীৰ প্ৰতিষ্ঠাপক ডঃ অঞ্জনাময়ী শইকীয়াই। 'বালা'ৰ চিত্ৰনাট্য, ডিজাইন আৰু পৰিচালনা প্ৰখ্যাত নাট্যকাৰ, পৰিচালক মাণিক ৰয়ৰ। এই বেলাডখনেৰে নাট্যকাৰ হিচাপে মানিক ৰয়ে ৪০খন নাট্যৰচনা আৰু ২৫খন নাটক পৰিচালনা সম্পূৰ্ণ কৰে। পদ্মশ্ৰী বিৰুবালা ৰাভাৰ জীৱনাধাৰিত বালাৰ জৰিয়তে বিৰুবালা ৰাভাৰ অদম্য মনোভাৱক মনোৰম কথনেৰে সজীৱ কৰি তোলা হৈছিল। অতি চিত্তাকৰ্ষকভাৱে পুতলা চৰিত্ৰ ব্যৱহাৰ কৰা হৈছিল বালাত। ইয়াত সূত্ৰধাৰ আছিল ওস্তাদ। আক্ষৰিক অৰ্থত মানুহৰ পুতলা, নট (পুৰুষ পুতলা) জংকি আৰু নটি (মহিলা পুতলা) পানেইৰ জৰিয়তে বালাৰ কাহিনী আগবঢ়াই নিয়া হয়। কাহিনীটোক এটা দৃশ্যৰ পাছত আন এটা দৃশ্য চিত্ৰিত কৰি ওস্তাদ আৰু তেওঁৰ পুৰুষ আৰু মহিলা পুতলা জংকি আৰু পানেইয়ে কাহিনীভাগক হাস্যৰস আৰু বুদ্ধিমত্তাৰে সমৃদ্ধ কৰিছিল। পুতলা প্ৰদৰ্শনেৰে আৰম্ভ কৰি সূত্ৰধাৰ ওস্তাদে নট জংকি আৰু নাটি পাণেইক আজি সন্ধিয়াৰ বাবে



কোনটো কাহিনী বিচাৰিছিল বুলি সোধা আৰু বীৰুবালাৰ কাহিনীৰ প্ৰতি তেওঁলোকৰ দৃঢ়তাৰে অসমৰ ভৌগোলিক মানচিত্ৰ দেখুওৱাৰ জৰিয়তে প্ৰানৱন্ত কৰি বিভিন্ন অঞ্চলৰ লোকনৃত্যৰ জৰিয়তে কাহিনীভাগ দেখুৱাইছিল। কাৰ্বি, বড়ো, মিছিং, তিৱা আৰু ৰাভাক লৈ গঠিত প্ৰতিটো লোকনৃত্যই ভিন্ন সোৱাদ প্ৰদান কৰিছিল নিজস্ব আঞ্চলিক সাজ-পোছাক,গহনা, সংগীত আৰু লোকবাদ্য আদিৰে।

বালাত পৰিচালক মানিক ৰায়ে ‘শ্ৰুতি-নাট পৰম্পৰা’ নামেৰে জনাজাত অসমৰ পুৰণি গল্প কথন পৰম্পৰা, মৌখিক পৰম্পৰা বা বাচিক পৰম্পৰাৰ ব্যৱহাৰ কৰিছিল, য'ত কাহিনীটো কোৱা হয় আৰু তাৰ পাছত সংগীত,নৃত্য,নাট্যৰূপত কাহিনী চিত্ৰিত কৰা হয়।

বিৰুবালা ৰাভাৰ আপোচবিহীন মনোভাৱে সমাজখন সলনি কৰিবলৈ কৰা প্ৰচেষ্টাত সজীৱ কৰি তোলাৰ বাবে সংগীতৰ সেই বেলাডে সফলতাৰে চেষ্টা কৰে।



মনদ্বীপ মহন্তৰ সুন্দৰ সংগীতত সহযোগ কৰে ৰূপজ্যোতি কোঁৱৰ আৰু জয়নাথ ডেকাই। কণ্ঠদান কৰিছিল পাঞ্চুনা ৰাভা, ভিয়লিনা বড়ো, আৰু স্বয়ং মনদ্বীপ মহন্তই। কবিতা ৰচনা কৰে দেৱজ্যোতি শৰ্মাই আৰু গীতি ৰচনা লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা আৰু মাণিক ৰায়ৰ। লাইট ডিজাইনিং তপন বৰুৱাৰ।

ড° অঞ্জনাময়ী শইকীয়াই বালাৰ পৰিকল্পনা আৰু নৃত্য পৰিচালনা কৰাই নহয়, প্ৰত্যাহ্বানমূলক মূল চৰিত্ৰত অভিনয় কৰি বীৰুবালাৰ অদম্য মনোভাৱকো সজীৱ কৰি তোলে। মঞ্চত উপস্থিত থকা আন আন শিল্পীসকল হৈছে অভিজিৎ চুতীয়া, হৰ্ষিতা সত্যজিৎ চৌধুৰী, কৌশিক কিশোৰ হাজৰিকা, কৰ্ণিকা ফুকন, দৰবিয়ান কনভাৰ, ভায়োলিনা বড়ো, দীনেশ গোৱালা, জিৰিজোনা সুভ্ৰা বৰা, হীৰকজ্যোতি হাজং, জুলি পাৰে, ভায়োলিনা হাজৰিকা, ফ্ল'ৰা চিতিয়া আৰু তামাছা চহৰীয়া।

বিৰুবালা ৰাভাৰ সংগ্ৰামী জীৱনটোত অনন্য ধৰণে উপস্থাপন কৰা বালা এক অনবদ্য নাট্য প্ৰযোজনা। এই প্ৰচেষ্টাই পৰৱৰ্তী সময়ত এই মহিয়সী নাৰীগৰাকীৰ জীৱনটোত সমগ্ৰ দেশতে বিয়পাই দিয়াত সহায় কৰিব।

---

# পুনৰ মঞ্চস্থ হ'ব প্ৰজ্ঞাৰ প্ৰযোজনাৰ

## মহানায়ক মহাৰাজ পৃথু



• ইউ পি ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

অহা ২৮ আৰু ৩০ মাৰ্চ, ২০২৫ তাৰিখে ‘প্ৰজ্ঞা’ৰ উদ্যোগত ক্ৰমে গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰৰ শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আৰু বজালীৰ হাইস্কুল খেলপথাৰত "মহানায়ক মহাৰাজ পৃথু" নাটকখন মঞ্চস্থ কৰা হ'ব। বিশিষ্ট নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ ৰচনা আৰু অসীম কৃষ্ণ বৰাৰ পৰিকল্পনা আৰু পৰিচালনাৰে নাটকখন ইতিমধ্যেই গুৱাহাটীৰ লাচিত ঘাটত ভব্যৰূপত পৰিৱেশন কৰা হৈছিল। নাটখনিৰ প্ৰযোজনা নিয়ন্ত্ৰন অভিনেতা মন্মথ বৰুৱাৰ। নাটকখনিৰ মূল চৰিত্ৰ পৃথুৰ চৰিত্ৰত সুন্দৰ অভিনয় কৰিব সুদক্ষ অভিনেতা দিব্যজ্যোতি দাসে।বখতিয়ৰ খিলজীৰ চৰিত্ৰ ৰূপায়ন কৰিব প্ৰানজিত প্ৰীতম কলিতাই। আনহাতে নাটখনৰ আন এক গুৰুত্বপূৰ্ণ চৰিত্ৰ কানাই কাকৰ ৰূপত অভিনয় কৰিব বিজিত দেৱচৌধুৰীয়ে। পৃথুৰ পাৰিষদ ক্ৰমে ৰায়ৰ চৰিত্ৰত পল ফুকন, ভুঞাৰ চৰিত্ৰত অমিতাভ ৰাজখোৱা, মণ্ডলৰ চৰিত্ৰত মনোজ কুমাৰ দাসে আৰু আলীমেচৰ চৰিত্ৰত অভিনয় কৰিব জয়ন্তজিত দাসে। বখতিয়াৰ খিজলীৰ চিপেচালাহৰ চৰিত্ৰত অভিনয় কৰিব কাৰ্দিছৰূপী ভবেশ দাস আৰু চোহাদৰপূৰী জ্যোতিস্মান কাশ্যপে।পুৰোহিতৰ চৰিত্ৰত কবিন্দ্ৰ দাস আৰু পুৰোহিতৰ পত্নীৰ চৰিত্ৰত মালা গোস্বামীয়ো অভিনয় কৰিব। ভৈৰৱীৰ চৰিত্ৰত অভিনয় কৰিব দীপান্বিতা দাসে।বিৰুবালাৰ চৰিত্ৰত অঞ্জু হাজৰিকা,ৰম্ভাৰ চৰিত্ৰত নিজৰা নমামী গগৈ, বাসবীৰ চৰিত্ৰত বনলতা বৈশ্যই ৰতনৰ চৰিত্ৰত হেমাঙ্গ মহন্ত,মদনৰ চৰিত্ৰত হীৰক জ্যোতি শৰ্মা, পুৰোহিতৰ চৰিত্ৰত চন্দন বৰুৱাই অভিনয় কৰাৰ উপৰিও প্ৰায় ৫০ গৰাকী অন্য কলা-কুশলীয়ে নৃত্যাংশ আৰু সমৰ দৃশ্যত অভিনয় কৰিব।



# নগাঁৱত টি-২০ মহিলা ক্ৰিকেটত নগাঁও আৰু গুৱাহাটীৰ জয়

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২০ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আৰু অসম ক্ৰিকেট সন্থাৰ অধীনত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা আমন্ত্ৰণমূলক টি-২০ মহিলা ক্ৰিকেট প্ৰতিযোগিতাত গুৱাহাটী আৰু ঘৰুৱা নগাঁও জিলা দলে দ্বিতীয় জয় সাব্যস্ত কৰিছে। এই প্ৰতিযোগিতাৰ আজিৰ খেলত গুৱাহাটীয়ে হোজাইক আঠ উইকেটত আৰু নগাঁৱে বোকাখাটক ২৩ ৰাণত পৰাজিত কৰে। ইয়াৰে, বিয়লিৰ খেলখনত নগাঁও দলে দিব্যাৰাণী বৰাৰ-৩০, সংগীতা শইকীয়াৰ-৩০ আৰু ববিতা দাসৰ অপৰাজিত-২৪ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ১২২ ৰাণ সংগ্ৰহ কৰে। বলিঙত বোকাখাটৰহৈ পূজা তাঁতীয়ে এটা উইকেট পোৱাৰ বিপৰীতে দুগৰাকীকৈ খেলুৱৈক দলটোৱে ৰাণ কৰে। প্ৰত্যুত্তৰত বোকাখাটে লালা চেত্ৰীৰ-২১ ৰানৰ বৰঙনিৰে ১৯.৫ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ৯৯ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত নগাঁও দলৰহৈ দীশাণী ভৌমিকে তিনিটা, জিনাক্ষী বৰুৱা আৰু দীপশিখা বৰদলৈয়ে দুটাকৈ তথা চয়নিকা শইকীয়াই এটা উইকেট দখল কৰে। আনহাতে, পুৱাবেলাৰ খেলখনত হোজাই দলে পোনতে বেট ধৰি ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ৮৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুৱাহাটীয়ে ১৭.৪ অভাৰত দুটা উইকেটৰ বিনিময়তে ৯০ ৰাণ সংগ্ৰহৰে জয়ৰ লক্ষ্যত উপনীত হয়।

## ৰঙিয়াত টাইকোৱাণ্ডো চেম্পিয়নশ্বিপ

**ই-সংবাদ, ৰঙিয়া, ২০ মাৰ্চঃ** ৰঙিয়া জিলা টাইকোৱাণ্ডো এছ'চিয়েচনৰ উদ্যোগত ২১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ সদৌ অসম ভিত্তিত আমন্ত্ৰণমূলক টাইকোৱাণ্ডো চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰা হ'ব। তদুপলক্ষে কাইলৈ সন্ধিয়া প্ৰতিযোগিতাৰ উদ্বোধন কৰিব স্থানীয় বিধায়ক ভবেশ কলিতাই। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন টাইকোৱাণ্ডো খেলুৱৈ দিলীপ বড়োৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰিব পত্নী অঞ্জনা বড়োৱে।



আইপিএলৰ পূৰ্বে এনেদৰে অনুশীলনত ব্যস্ত টমী ছিমচেকৰ সৈতে চেন্নাই ছুপাৰ কিংছৰ মহেন্দ্ৰ সিং ধোনী

**গুৱাহাটীৰ খেলৰ পূৰ্বে অধিনায়ক সলনি কৰিলে ৰাজস্থান ৰয়েলছে**

# আইপিএলৰ ৩ খন খেলত ৰাজস্থানক নেতৃত্ব দিব অসমৰ ৰিয়ানে

**জয়পুৰ, ২০ মাৰ্চঃ** ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল) ২০২৫ৰ প্ৰথম তিনিখন মেচৰ বাবে ৰাজস্থান ৰয়েলছৰ নেতৃত্ব দিব অসম সন্তান ৰিয়ান পৰাগে। প্ৰথমবাৰৰ বাবে আইপিএলত দলটোৰ অধিনায়কত্ব কৰিব দলটোৰ যুৱ অল ৰাউণ্ডাৰগৰাকীয়ে।ৰাজস্থান ৰয়েলছৰ প্ৰথমখন খেল ২৩ মাৰ্চত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে ২৬ মাৰ্চত গুৱাহাটীত ডিফেণ্ডিং চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে আৰু ৩০ মাৰ্চত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব ৰাজস্থান ৰয়েলছে। ৰাজস্থান ৰয়েলছে আজি প্ৰকাশ কৰা মতে, এই সময়ছোৱাত কেৱল বেটাৰ আৰু উইকেটকীপাৰ হিচাপে খেলিব সঞ্জু ছেমছনে। দলটোৱে কয় যে ঘৰুৱা ক্ৰিকেটত অসমৰ অধিনায়কত্বৰ অভিজ্ঞতা থকাৰ বাবেই ৰিয়ান পৰাগক দলৰ নেতৃত্ব দিয়াৰ দায়িত্ব দিয়া হৈছে। দীৰ্ঘদিন ধৰি ৰয়েলছ শিবিৰৰ গুৰুত্বপূৰ্ণ সদস্য হিচাপে পৰিগণিত হোৱা তেওঁ দলৰ গতিশীলতাক ভালদৰে জানে, যিয়ে তেওঁক অধিনায়ক হিচাপে সহায় কৰিব। অভিজ্ঞতা আৰু যুৱক-যুৱতীৰ মিশ্ৰণেৰে গঢ়ি তুলিছে এক শক্তিশালী দল ৰাজস্থান ৰয়েলছে। নতুন নেতৃত্বৰ অধীনত প্ৰথম ছিজনৰ পৰাই ফ্ৰেঞ্চাইজিটোৱে ভাল প্ৰদৰ্শনৰ লক্ষ্যৰে আগবাঢ়িছে। ইফালে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া দুখনকৈ ৰোমাঞ্চকৰ খেলৰ বাবে ইতিমধ্যে অফলাইন আৰু অনলাইন টিকট বিক্ৰী আৰম্ভ কৰিছে ৰাজস্থান ৰয়েলছে। একে সময়তে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশেষ ৰেহাইৰ ব্যৱস্থা আগবাঢ়িছে আইপিএলৰ ফ্ৰেঞ্চাইজি দলটোৱে। গুৱাহাটীক দ্বিতীয় হোম গ্ৰাউণ্ড হিচাপে বাছনি কৰিছে দলটোৱে

# আইপিএলৰ পূৰ্বে ৰোহিত, বিৰাটলৈ ৫৮ কোটিৰ বিশেষ উপহাৰ ক্ৰিকেট ব'ৰ্ডৰ

**নতুন দিল্লী, ২০ মাৰ্চঃ** চেম্পিয়নছ ট্ৰফী জয়ৰ বাবে ভাৰতীয় ক্ৰিকেট দলে লাভ কৰিছে ৫৮ কোটি টকাৰ পুৰস্কাৰ ধন। বৃহস্পতিবাৰে বিচিচিআইৰ সভাপতি ৰজাৰ বিনিয়ে এক বিবৃতিত এই ঘোষণা কৰে। চেম্পিয়নছ ট্ৰফী জয় কৰাৰ বাবে ভাৰতে আইচিচিৰ পৰা ২০ কোটি টকা পুৰস্কাৰৰ ধন হিচাপে লাভ কৰিছিল যদিও ব'ৰ্ডে সেই ধনৰ প্ৰায় তিনিগুণ ধন আগবঢ়াইছে। খবৰ আহিছে যে এই ধন ক্ৰিকেটাৰ, প্ৰশিক্ষক কৰ্মচাৰী আৰু বাছনি সমিতিৰ সদস্যৰ মাজত ভাগ কৰা হ'ব। ব'ৰ্ডে কয় যে, "ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতে সমগ্ৰ প্ৰতিযোগিতাখনত আধিপত্য প্ৰদৰ্শন কৰিছে।" বাংলাদেশৰ বিৰুদ্ধে ছয় উইকেটত জয়লাভ কৰি দলটোৱে আৰম্ভণিতে পাকিস্তানক একে ব্যৱধানত পৰাস্ত কৰি গতি অক্ষুণ্ণ ৰাখিছিল। ইয়াৰ পিছত দলটোৱে নিউজিলেণ্ডক ৪৪ ৰানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ লগতে অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ৰজাৰ বিনিয়ে কয় যে একেৰাহে দুটা আইচিচি ট্ৰফী জয় কৰাটো এক উল্লেখযোগ্য কৃতিত্ব। ক্ৰিকেটাৰসকলৰ কঠোৰ পৰিশ্ৰম আৰু দায়বদ্ধতাৰ স্বীকৃতি স্বৰূপে এই বঁটা প্ৰদান কৰা হৈছে। ইয়াৰ পূৰ্বে ১৯ বছৰ অনুৰ্ধ মহিলা বিশ্বকাপ জয় কৰা ২০২৫ চনত এইটো আমাৰ দ্বিতীয় আইচিচি ট্ৰফী। বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই কয় যে ক্ৰিকেটাৰ আৰু সহযোগী কৰ্মচাৰীসকলক সন্মান জনাই আমি গৌৰৱান্বিত। কঠোৰ পৰিশ্ৰম আৰু সঠিক কৌশলগত পৰিকল্পনাৰ বাবেই ভাৰতে বিশ্ব ক্ৰিকেটত শাসন চলাইছে। চেম্পিয়নছ ট্ৰফী জয় কৰাটোৱেই হৈছে শ্বেত বল ক্ৰিকেটত ভাৰত কিয় শ্ৰেষ্ঠ তাৰ প্ৰমাণ। ভৱিষ্যতেও এই আধিপত্য বজাই ৰখাটোৱেই আমাৰ লক্ষ্য।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি